# ডিব্ৰুয়ান



সম্পাদক: প্ৰফুল্ল কলিতা

Dibru College Library
Accession no Jour/12,712
Date 29-10-90

# ডিব্ৰু মহাবিদ্যালয়ৰ

বাৰ্ষিক মুখপত্ৰ ঃ ডিব্ৰুয়ান
দ্বাদশ সংখ্যা
১৯৮৮—৮৯ চন।

* * * *

* * * *

183

# " DIBRUAN "

## THE ANNUAL JOURNAL OF DIBRU COLLEGE

VOL -- XII, ● 1988-89.

**EDITOR : PRAFULLA KALITA.**

## এই সংখ্যাৰ ডিব্ৰুয়ানৰ সম্পাদনা সমিতি --

**সভাপতি :-**

অধ্যক্ষ ভৰত নাৰায়ণ জামুৱাৰ –

**ভাৰপ্ৰাপ্ত অধ্যাপকদ্বয় ঃ-**

ৰজনী শৰ্মা ( অসমীয়া )
ডঃ ৰমিজা খাতুন ( ইংৰাজী )

**উপদেষ্টা ঃ-**

১। অধ্যাপিকা জ্যোতি বৰগোঁহাই।
২। অধ্যাপক প্ৰদীপ কুমাৰ চেতিয়া ফুকন।
৩। অধ্যাপক চন্দ্ৰগুপ্ত বৰা।
৪। অধ্যাপক মহেশ কুমাৰ জৈন।

**সম্পাদক ঃ-**

শ্ৰীপ্ৰফুল্ল কলিতা।

**সদস্য / সদস্যা ঃ-**

শ্ৰীমৃণাল বৰুৱা।
,, সঞ্জীৱ দত্ত।
,, ডিম্বেশ্বৰ দত্ত।
,' একাদিত্য হাজৰীকা।
,, ভাগ্যৰঞ্জন কোঁৱৰ।
,, মৃদুল শৰ্মা।
,, ৰাজীৱ গগৈ।
,, মহেন্দ্ৰ গগৈ।

**বেতুপাত অংকন আৰু ভাৱাৰ্থ :-**

শ্ৰীভাস্কৰ প্ৰতিম শৰ্মা।

**প্ৰকাশক ঃ-**

ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**অঙ্গসজ্জা :-**

শ্ৰীসঞ্জীৱ দত্ত।

**আলোক চিত্ৰ :-**

পুস্পা ষ্টুডিঅ ( ডিব্ৰুগড় )

**ছপাশাল :-**

ইউনাইটেড প্ৰিণ্টাৰ্চ এণ্ড পাব্লিচাৰ্চ, ( ডিব্ৰুগড় )

## বেটুপাতৰ ভাৱাৰ্থ

" শিক্ষা, সংস্কৃতি, ক্ৰিয়া আৰু শান্তিৰ সমন্বয়ত প্ৰগতিমুখী আমাৰ মহাবিদ্যালয় । "

আমাৰ কথা :–

বৰ্ত্তমান সময়লৈ চাই আমাৰ জীৱনত একমাত্ৰ লক্ষ্য হোৱা উচিত উন্নতিৰ জখলাত নিজক আগুৱাই নিয়াৰ । আমি যদি নিজৰ জীৱনটোক এক গঠনমূলক চিন্তা ধাৰাৰে পুৰঠ কৰিব বিচাৰো তেন্তে আমি নিজে নিজেই আগুৱাই যাব লাগিব । কাৰোবাৰ সহায় কাৰো উপদেশলৈ ৰৈ থাকিলে কোনোদিনেই সফল হ'ব নোৱাৰিম ।

" আন কোনোৱেই আমাৰ সহায়ক হব নোৱাৰে । নিজেই নিজৰ সহায়ক হোৱা "

– গৌতম বুদ্ধ ।

" মানুহৰ আটাইতকৈ ডাঙৰ সহায় হ'ল তেওঁ নিজৰ আঙুলি দহোটা "

– ৰবাৰ্ট ক'লে ।

ভিক্ৰম্মান

# উছৰ্গা



১৯৬৩ চনৰে পৰা যোৱা সময়ছোৱাত সি সকলে এই মহাবিদ্যালয়ৰ পৰা শিক্ষা অৰ্জ্জন কৰি গ'ল, যি সকলে বৰ্ত্তমানে অধ্যয়ন কৰি আছে, যি সকল পঢ়িবলৈ আহিব আৰু যি সকলে এই মহাবিদ্যালয়ক বুজিবলৈ আৰু বুজি ভাল পাবলৈ চেষ্টা কৰিছে; সেই সকলৰ কৰকমলত এই সংখ্যাৰ আলোচনীখন উছৰ্গা কৰা হ'ল।

# শুভেচ্ছা বাণী

K. Bora, M. A. I. A. S. ( Retd )
Vice - Chanecllor
ডি, অ নং, ডি : বি / উপাচাৰ্য্য / ১ / ৮৯ / ২২৪০

তাৰিখ ২৭ । ৬ । ৮৯

শ্ৰীপ্ৰফুল্ল কলিতা
আলোচনী সম্পাদক,
ডিব্ৰু-মহাবিদ্যালয়,
বৈৰাগী-মঠ,
ডিব্ৰুগড়, অসম ।



শ্ৰীকমলেশ্বৰ বৰা

প্ৰিয় শ্ৰীকলিতা,

ডিব্ৰু-মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ তৰফৰ পৰা বছেৰেকীয়া মূখ-পত্ৰ-খনি প্ৰকাশ কৰিবলৈ যো-যা কৰাৰ কথা জানিব পাৰি নথৈ আনন্দিত হলো। আপোনালোকৰ এই প্ৰচেষ্টা সাফল্যমণ্ডিত হব বুলি মোৰ দৃঢ় বিশ্বাস। আপোনালোকৰ গঠনমূলক লেখনিৰ দ্বাৰা পৰিপুষ্ট হৈ আলোচনীখনে যেন সমাদৰ সকলো শ্ৰেণীৰ পঢ়ুৱৈৰ সমাদৰ পায় তাকে বাঞ্চা কৰিলো। লগতে আপোনালোকৰ সমূহ বিষয়-ববিয়ালৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল।

ইতি

স্বাক্ষৰ — শ্ৰীকমলেশ্বৰ বৰা
উপাচাৰ্য্য
ডিব্ৰুগড় বিশ্ববিদ্যালয়,
ডিব্ৰুগড় অসম

# শুভেচ্ছা বাণী

জীৱন সুন্দৰ কৰাৰ অন্যতম আহিলা হ'ল সাহিত্য। সাহিত্যৰ অধ্যয়ন আৰু চৰ্চাৰ সুন্দৰ পৰিবেশ এটা য'ত থাকে, তাত মানুহৰ মনো হৈ পৰে উজ্জ্বল আৰু সুন্দৰ। বিশেষকৈ কৈশোৰ আৰু যৌৱনত এনে পৰিৱেশৰ প্ৰয়োজনীয়তা বেছি। ডিব্ৰু-মহাবিদ্যালয়ৰ যৌৱনে সেউজীয়া মন দিয়া যুৱক-যুৱতীসকলৰ মাজত এইবাৰো এখন আলোচনী প্ৰকাশৰ পথত বুলি জানি সুখী হৈছো। এচাম সুলেখক-লেখিকা আৰু চিন্তাশীল ব্যক্তিৰ প্ৰতিভাৰ পৰিচয়েৰে আলোচনীখনি সফল হওক আৰু অসমীয়া সাহিত্যলৈ মূল্যবান অবদান আগবঢ়াওক, এয়ে মোৰ কামনা।

আন্তৰিক শুভেচ্ছাৰে

স্বাক্ষৰ — ডঃ কৰবী ডেকা হাজৰিকা
ডিব্ৰুগড় বিশ্ববিদ্যালয়
২৫।৬।৮৯

## —ঃ সোঁৱৰণ ঃ—



অকালতে মৃত্যুক সাৱতি লোৱা আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ; তথা অসমৰ নাট জগতৰ এক ভোটা তৰা স্বৰূপ, “ অভিনেতা, নাট্যকাৰ, নাট্য পৰিচালক ” অনিল মজুমদাৰ'ক আমাৰ মহাবিদ্যালয়ে শ্ৰদ্ধাৰে সোঁৱৰিছো, আৰু তেওঁৰ পুণ্যাত্মাৰ সদ্‌গতি লাভৰ বাবে ঈশ্বৰৰ ওচৰত আমি প্ৰাৰ্থনা জনাইছো ।

শ্ৰদ্ধাৰে —

ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ।

# শ্ৰদ্ধাঞ্জলি

| | |
|---|---|
| * বিশিষ্ট গায়ক — | ৺হেমন্ত কুমাৰ মুখাৰ্জী |
| * মাটিৰ মানুহ — | ৺হেমাঙ্গ বিশ্বাস |
| * শিক্ষাবিদ — | ৺লক্ষী প্ৰসাদ দত্ত |
| * শিক্ষাবিদ তথা ৰাজনীতিবিদ — | ৺তনু কোঁৱৰ |
| * প্ৰসিদ্ধ শৈল্য চিকিৎসক — | ৺শিৱ প্ৰসাদ বৰুৱা |
| * সাহিত্যিক — | ৺যজ্ঞেশ্বৰ শৰ্মা |
| * বিশ্ববিদ্যালয় অনুদান আয়োগৰ ভূতপূৰ্ব চেয়াৰ পাৰ্ছন | ৺মাধুৰী শ্বাহ |
| * পেৰডী গায়ক — | ৺ৱাহিদুৰ ৰহমান |
| * প্ৰাক্তন অধ্যাপক — | ৺ঘনশ্যাম খাটি |
| * দেশ সেৱক — | ৺দেবেন্দ্ৰ নাথ শৰ্মা |
| * বিশ্বৰ এজন আগশাৰীৰ ৰেডিঅ কমেণ্টেটৰ | ৺মেলভিন ডিমেল্লো |
| * অসমৰ সিংহ যুৱক প্ৰাক্তন পৰিবহন মন্ত্ৰী — | ৺ললিত চন্দ্ৰ ৰাজখোৱা |

লগতে জ্ঞাত অজ্ঞাত বহুতলৈ ডিব্ৰুমহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিলো ।

ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা




আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ
শ্ৰীযুত ভৰত নাৰায়ণ জামুৱাৰ দেৱ ।

# সূচীপত্ৰ


| | | পৃষ্ঠা |
|---|---|---|
| **সম্পাদকীয় :---** | | |
| **প্ৰবন্ধ :---** | | |
| ১। চিন্তাৰ আভাষ | * শ্ৰীসঞ্জীৱ দত্ত | ১ |
| (ক) আজান ফকিৰ আৰু জিকিৰ | | |
| (খ) কবি আৰু কবিতা | | |
| ২। বৰদৈচিলা মাকৰ ঘৰলৈ যায় | * শ্ৰীনৱজ্যোতি নেওগ | ৭ |
| ৩। অসমীয়া নেপালীসকলৰ চমু ইতিহাস আৰু ধৰ্মীয় উৎসৱ | * শ্ৰীসঞ্জীৱ ছেত্ৰী | ১০ |
| ৪) তৰুণ চন্দ্ৰ পামেগাম | * ৰণ্‌জিত কুমাৰ মিলি | ১৩ |
| ৫। পুৰণি পশ্চিমীয়া সাহিত্যত এভুমুকি | * শ্ৰীমৃদুল শৰ্ম্মা | ১৭ |
| **কবিতা ঃ---** | | |
| ১। জীয়াই থকা প্ৰতিশ্ৰুতি | * শ্ৰীমতী মুন দাস | ২১ |
| ২। অস্তিত্ব | * শ্ৰীহৰেন কুমাৰ দাস | ২২ |
| ৩। এইখন মোৰ দেশ মোৰ জন্মভূমি | * শ্ৰীঅতুল গগৈ | ২৩ |
| ৪। দুঃসময়ৰ কবিতা | * কুমাৰ স্‌ৰ্য্য | ২৪ |
| ৫। আত্মানু সন্ধান | * শ্ৰীমাধুৰ্য্য গোহাঁই | ২৫ |
| ৬। সন্তান স্বদেশৰ | * ,, প্ৰভাত জ্যোতি দেউৰী | ২৬ |
| ৭। সৎকাৰ | * ,, যতীন গগৈ | ২৭ |
| ৮। কেইটিমান সৰু কবিতা | * ,, কল্যান কুমাৰ হাজৰীকা | ২৮ |
| ৯। মুক্তিৰ ক্ষণ গণি | * ,, প্ৰমোদ আৰন্ধৰা | ২৯ |
| ১০। স্বাধীনতাৰ অৰ্থ | * ,, অনিল চাংমাই | ৩০ |
| ১১। নাম মোৰ ডিব্ৰু | * ,, দ্বিজেন শইকীয়া | ৩১ |
| ১২। এটা ঘোঁৰাৰ মৃত্যুত | * ,, সঞ্জীৱ দত্ত | ৩২ |
| ১৩। লুইত পৰীয়া ডেকা | * ,, হেমন্ত শইকীয়া | ৩৩ |
| ১৪। জীৱনৰ চৰম দান | * ,, অতুল চন্দ্ৰ গগৈ | ৩৪ |
| ১৫। যতি | * ,, সঞ্জীৱ নাৰায়ণ চাউদাং বৰুৱা | ৩৫ |
| ১৬। ৰণক্ষেত্ৰত ভাইটি | * মৃণাল বৰুৱা | ৩৬ |
| **গল্প :---** | | |
| ১। অব্যক্ত বেদনা | * শ্ৰীমনজিত কুমাৰ জিয়ামৰীয়া | ৩৭ |
| ২। নিবৃত্তি | * কুমাৰ স্‌ৰ্য্য | ৩৯ |
| ৩। অপেক্ষা | * শ্ৰীলীলা মহন | ৪২ |
| **ব্যঙ্গ ৰচনা :---** | | |
| ১। অপমুখী সংস্কৃতি | * শ্ৰীদ্বিজেন শইকীয়া | ৪৪ |
| **ক্ৰিকেটৰ সাঁথৰ :---** | * শ্ৰীৰাতুল কুমাৰ নেওঁগ | ৪৭ |
| **সাক্ষাৎকাৰ ঃ---** | * শ্ৰীযুত সত্যদেৱ প্ৰসাদ | ৪৯ |
| **অভিমত ঃ—** | | |
| **বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন** | | |

# —: ENGLISH SECTION :—

— Contents —


*Article* —

| | | |
|---|---|---|
| 1. Panchayatiraj The New Concept. | * Dr. Romiza Khatun | 1 |
| 2. Symbols used in Mathematics | * P. K. Chetia Phukan | 4 |
| 3. Modern approach in teaching Mathematics | * Dr. A. Bhattacharjee | 8 |
| 4. Good Health - Life's Greatest Treasure | * Mirza Sadek Aii | 11 |
| 5. Advertising Agency and Modern Business | * M. K. Jain | 13 |

*Story* —

| | | |
|---|---|---|
| 6. Life's Fate | * Sri Mukhya Nath Doley | 17 |
| 7. Disea se & Disorders | * ,, Rajiv Gogoi | 21 |
| 8. Quotation | * ,, Ranjit Kr. Mili | 30 |

*Poem* —

| | | |
|---|---|---|
| 1. Life | * Gurnam Sing | 31 |
| 2. A Baby - Boy Face | * D. N. Mandal | 32 |
| 3. Reprisal | * Bibhuti Das Mazumder | 33 |

The present teaching staff of Dibru College


# সম্পাদকীয়

সাহিত্যৰ ক্ষেত্ৰত সাধনাৰ অতীব প্ৰয়োজন, যি সাধনাই আমাৰ সাহিত্যৰ প্ৰকাশ ভংগীৰ সম্পূৰ্ণতা আনে। সাহিত্যৰ যে এক সৃষ্টিশক্তি আছে, সি অৱশ্যেই স্বীকাৰ্য্য; কিয়নো চিৰ সুন্দৰৰ লগত সাহিত্যই আমাক আত্মিয়তাৰ সুযোগ দিয়ে আৰু সৌন্দৰ্য্যৰ ফালে আমাক বাট দেখুৱাই লৈ যায়। সাহিত্য যেনেকৈ এটা জাতিৰ দাপোন স্বৰূপ ঠিক তেনেকৈ এখন বিদ্যালয় বা মহাবিদ্যালয়ৰ দ্বাৰা প্ৰকাশিত হোৱা প্ৰাচীৰ পত্ৰিকা বা আলোচনী একো একোখনো সেই বিদ্যালয় বা মহাবিদ্যালয়ৰ দাপোন স্বৰূপ। আমাৰ মহাবিদ্যালয়ৰ পৰা প্ৰকাশ পোৱা "ডিব্ৰুয়ান" নামৰ বছেৰেকীয়া আলোচনীখন মুক্তি পোৱাৰে পৰা ছাত্ৰ-ছাত্ৰী সকলৰ বৌদ্ধিক চিন্তাধাৰা, নৈতিক শিক্ষা, শৈক্ষিক পৰিবেশ আদি বিকাশৰ জৰিয়তে আন আন মহাবিদ্যালয়ৰ লগত যোগসূত্ৰ সাধাৰণ ভাৱে হ'লেও ৰাখিব পাৰিছে বুলি মোৰ বিশ্বাস।

ৰাতিপুৱাৰ লগে লগে সূৰ্য্যদেৱতাই সুন্দৰ ৰূপত ন-ন সাজ-পাৰ পিন্ধি পৃথিৱীৰ বুকুলৈ আনি দিয়ে নতুন দিনৰ দীপ্ততা। লগে লগে পাহাৰ, পৰ্ব্বত, শুৱনী হয়, গছ, বন, তৰু, তৃণ সকলোবোৰ আনন্দত মতলীয়া হৈ পৰে। সকলোতে সঞ্জীৱনী আহে। তেতিয়াহে পৃথিবীখন আনন্দৰ প্ৰতীক, বিধাতাৰ দান হৈ পৰে। সেয়েহে ৰূপ কোঁৱৰ জ্যোতিপ্ৰসাদে সকলোতে সুন্দৰৰ সৌন্দৰ্য্য দেখি লিখিছিল "সুন্দৰৰ আৰাধনা জীৱনৰ খেন"।

জীৱন যাত্ৰাৰ প্ৰতিটো পদক্ষেপতে মানুহে সুন্দৰৰ পৰশ বিচাৰে। জন্ম মুহূৰ্ত্তৰ পৰা মানৱ শিশুৱে উত্তৰণৰ প্ৰতিটো খোজতে সুৰ আৰু লয়, গতি আৰু ছন্দ বিচাৰি লয়। জীৱন আৰু জীৱিকাৰ মাজতো সুন্দৰক ৰূপ দিয়ে মানুহৰ ৰুচিসুলভ মনে, বিভিন্ন মাধ্যমেৰে। সমাজ গঠনত ভাব বিনিময়ৰ আৱশ্যকতাই জন্ম দিয়ে, ভাষাক আৰু সেই ভাষাৰ আত্মাস্বৰূপ সংগীত, সংলাপ তথা সাহিত্যই তেনে একোখন সমাজৰ, সভ্যতাৰ, জখলাৰ খোপনি একোটা গঢ়ি তোলে। উত্তৰণ জখলাৰ এই খোপনিবোৰৰ যোগসূত্ৰই হৈছে একোটা জনসমষ্টিৰ, একোটা জাতিৰ সভ্যতাৰ ইতিহাস।

## লেখনি সম্বন্ধে দুৱাষাৰ —

ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ সাধাৰণ চিন্তাধাৰা, ভাৱ মূৰ্ত্তি আলোচনী আদিত প্ৰকাশ কৰিবলৈ সক্ষম হয়, তেওঁলোকৰ কোনো কবিতা, গল্প, প্ৰৱন্ধ আদি প্ৰকাশৰ জৰীয়তে। তেতিয়া তেওঁলোকে নিজকে যেন এক নতুন বিকাশৰ পথত দেখিবলৈ পায়। ন-ন উদ্যমেৰে মনত অলিক কল্পনা লৈ পুনৰ লিখনি আৰম্ভ কৰি নিজৰ প্ৰতিভা বিকাশ কৰিবলৈ ধৰে। এটা কবিতা, এটি গল্প বা এটি প্ৰৱন্ধ উচ্চ মানবিশিষ্টৰ হ'লেহে আলোচনীৰ পাতত প্ৰকাশ পোৱাৰ সম্ভাৱনা বেছি, যদিহে ভাৱাৰ্থ, ছন্দ, তাল, শব্দৰ গাঠনি সকলোখিনি থাকে। ইয়াৰ অবিহনে লিখনি সমূহ প্ৰকাশ কৰিবলৈ অসুবিধা হয়। এখন মহাবিদ্যালয়ে শিক্ষা, সাহিত্য আৰু সাংস্কৃতিৰ দিশত কিমানদূৰ অগ্ৰসৰ হব পাৰিছে সেইটো প্ৰতিফলন কৰে আলোচনীখনে। উচ্চ মানদণ্ড সম্পন্ন আলোচনী এখনেহে সমাজৰ সমাদৰ লাভ কৰে। ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলক মই একাষাৰ জনাই

থওঁ যদি তেখেত সকলৰ লিখনি প্ৰকাশ পোৱা নাই তেতিয়া হলে তেখেত সকল হতাশ নহৈ পুনৰ উৎসাহেৰে নিজৰ লিখনিৰ মানদণ্ড উন্নত কৰিবলৈ যত্নপৰ হওঁক।

## আলোচনী সম্বন্ধে —

এইয়া "ডিক্ৰুৱান"ৰ দ্বাদশ সংখ্যা। এই সংখ্যাৰ আলোচনীখনে অন্য বছৰৰ দৰে নানান সুমধুৰ গল্প, কবিতা, প্ৰবন্ধ, কৌতুক আদি লৈ আপোনা সকলৰ মাজত অৱতীৰ্ণ হৈছেহি।

যিকোনো এখন আলোচনী বা কবিতা পুথি প্ৰকাশ কৰি উলিওৱা, ভাতৰ লগত পানী খোৱা কথাবুলি কব নোৱাৰি। এখন আলোচনী প্ৰকাশ কৰি উলিয়াবলৈ আমাক আৱশ্যক হয়, উন্নত মান বিশিষ্ট লিখনি। বৰ্ত্তমান যুগত এখন আলোচনী আটকধুনীয়াকৈ প্ৰকাশ কৰি উলিয়াবলৈ যথেষ্ট পৰিমাণৰ অৰ্থৰ দৰকাৰ।

## কৃতজ্ঞতাৰ একলম ----

মই কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছতে এই সংখ্যাৰ আলোচনীখন প্ৰকাশ কৰি উলিওৱাৰ দায়িত্ব আহি পৰিল। আলোচনীখন আপোনাসবৰ হাতত তুলি দিয়াৰ অন্তৰালতে আছে ভাৰপ্ৰাপ্ত অধ্যাপক অধ্যাপিকা ক্ৰমে শ্ৰীযুত ৰজনী শৰ্মা (অসমীয়া বিভাগ), ডঃ ৰমিজা খাতুন (ইংৰাজী বিভাগ) প্ৰমুখ্যে অধ্যাপিকা জ্যোতি বৰগোহাঁই, ডঃ নমিতা দাস, অধ্যাপক শ্ৰীযুত চন্দ্ৰগুপ্ত বৰা, শ্ৰীযুত প্ৰদীপ চেতিয়া ফুকন, শ্ৰীযুত মহেশ কুমাৰ জৈন। ইয়াৰ উপৰিও সম্পাদনা সমিতিৰ সঞ্জীৱ কুমাৰ দত্ত, মৃদুল শৰ্মাৰ বাহিৰেও যতীন দিহিঙ্গীয়া, ৰাজীৱ গগৈ, ভাস্কৰ প্ৰতীম শৰ্মা, মুকুল ডেকা, প্ৰদীপ কলিতা, কনক দেউৰী, সুনীত গোহাঁই, হীৰেণ বৰা আৰু মহাবিদ্যালয়ৰ বহুত বন্ধু বান্ধৱীয়ে আলোচনীখন প্ৰকাশ কৰি উলিওৱাৰ ক্ষেত্ৰত মোক সহায়, পৰামৰ্শ, উৎসাহ দিয়াৰ বাবে মোৰ হিয়াভৰা ধন্যবাদ জ্ঞাপন কৰাৰ লগতে তেখেত সকলৰ ওচৰত মই চিৰঋণী। নানান ব্যস্ততাৰ মাজতো শুভেচ্ছা বানী দিয়াৰ বাবে শ্ৰীকমলেশ্বৰ বৰাদেব আৰু কৰবী ডেকা হাজৰীকালৈ আন্তৰিক কৃতজ্ঞতা স্বীকাৰ কৰিছো। লগতে আলোচনীখন ছপা কৰি দিয়াৰ বাবে ইউনাইটেড্ প্ৰিণ্টাছৰ স্বত্বাধিকাৰ শ্ৰীযুত নিৰণ গগৈ দেব প্ৰমুখ্যে সকলো কৰ্মী বৃন্দক ধন্যবাদ জনাইছো।

আকস্মিক ভাবে যদি কিবা ভুল হৈ গৈছে তাৰ বাবে ক্ষমা মাগিলো। শেষত মহাবিদ্যালয় তথা মহাবিদ্যালয়ৰ আলোচনীখনৰ উত্তৰোত্তৰ কামনা কৰি মোৰ সম্পাদকীয় কলমৰ সামৰণি মাৰিলো।

জয় আই অসম

জয়তু ডিক্ৰুৱান

জয় ডিক্ৰুমহাবিদ্যালয় ছাত্ৰ একতা সভা।

শ্ৰীপ্ৰফুল্ল কলিতা
সম্পাদক



# প্ৰবন্ধ

"সুদূৰ প্ৰসাৰী অধ্যয়নমুখী চিন্তা আৰু অভিজ্ঞতাৰ বন্যাত আওঁজি নিগুঢ় সত্যৰ সন্ধানত সৃষ্টি হোৱা সাহিত্যৰ ফলশ্ৰুতিয়েই হ'ল প্ৰবন্ধ। ইয়াৰ আচঁলত নিহিত হৈ থাকে চিৰন্তন বাস্তৱ অভিজ্ঞতাৰ যোজন আৰু সত্যৰ সুহাস। ইয়াৰ অনুসৰণ, অনুধাৱন আৰু পৰ্য্যালোচনাতেই গঢ়ি উঠে এক স্বতন্ত্ৰ সাহিত্য।"

★★★

# চিন্তাৰ আভাস

## (ক) আজান ফকিৰ আৰু জিকিৰ ঃ

শ্ৰীসঞ্জীৱ দত্ত
২ য় বাৰ্ষিক, ( কলা )

এই তুনিয়া ক্ষনিকৰ এখন ফুলনিবাৰী--বৰ ধুনীয়াকৈ এটা সময়ত ফুলি উঠে ফুলবোৰ আৰু সময়হলে গোটেই ফুলনিখনেই যেন মৰহি শুকাই যায়। কেতিয়াবা আকৌ বতাহ বৰষুণৰ নিষ্ঠুৰ আঘাত, প্ৰকৃতিৰ পাষণ্ড কৰাঘাটেও অকালতে ফুলবোৰ হৰি নিয়ে আৰু গছবোৰ ভাঙি মোহাৰি যায়। ঠিক এই ফুলনিখনেই যেন আমাৰ জীৱন-নিঃসঙ্গতাৰে ক্ষনিকৰ বাবে এই তুনিয়ালে আহিছো ৰঙ ৰূপ উপভোগ কৰিবলৈ আৰু সময় হলে গুচি যাম অকলশৰে। এয়া জিকিৰ-জাৰীৰ আত্মা বুলিয়ে কব পাৰি। জিকিৰ-জাৰীসমূহতো এই ক্ষণিক জীৱনৰ এটা ৰহস্যবাদৰ কথাকে ধৰা পৰে।

অসমত মুচলমান সমাজৰ মাজত প্ৰচলিত তথা শ্বাহ-মিলন বা আজান ফকিৰ সৃষ্ট জিকিৰ-জাৰী সমূহক অসমৰ লোকসাহিত্যত অন্তৰ্ভূক্ত কৰা হয়। বাৰকুৰী বৰগীত, তেৰকুৰী ফকবাৰ দৰে আঠকুৰী জিকিৰ অসমীয়া ভাষা সাহিত্যৰ এক আপুৰুগীয়া সম্পদ। প্ৰশ্ন হয়, এই জিকিৰসমূহে অসমীয়া ভাষা সাহিত্যৰ বৰঘৰতনো কেনেকৈ থিতাপি ললেহি? ইচলাম ধৰ্মৰ প্ৰচাৰৰ অৰ্থে প্ৰায় ১৭ শ শতিকাতে কেইজনমান পীৰ বা সাধকে অসম প্ৰৱেশ কৰিছিল। তাৰ ভিতৰত চাৰিগৰাকীৰ নাম উল্লেখনীয়। সেইসকল হ'ল। ১। শ্বাহ মিলন, আজান পীৰ নামেও জনাজাত। ২। নবী পীৰ বা চালেহ পীৰ ৩। ছাৱাল পীৰ আৰু ৪। খোন্দকাৰ পীৰ। এই চাৰিজনৰ ভিতৰত চাহ্-মিলন বা আজান পীৰেই বিশেষভাৱে সৰ্বস্তৰৰ নায়ক। খ্ৰীষ্টীয় ১৬ শ শতিকাতে সৃষ্টি হোৱা শঙ্কৰ-মাধবৰ বৰগীতৰ দৰেই আজানপীৰ ৰচিত জিকিৰসমূহৰ নাম মাহাত্ম্য চমক-প্ৰদ। অসমত এই আজানপীৰৰ নাম হিন্দু-মুছলমান সবাৰে মাজত পৰিচিত; এওঁ অসমলৈ অহা বিষয়ে এতিয়াও সাহিত্য ইতিহাসত কুঁৱলীবৃত হৈ আছে। কিয়নো কোনোৱে কয় তেওঁ আজমীৰৰ পৰা অহা, আন কোনোৱে কয় তেওঁ সুদূৰ আৰবৰ বাগদাদৰ পৰাহে অহা। এওঁৰ প্ৰকৃত স্থান সম্পৰ্কে যেনেদৰে কুঁৱলীবৃত্ত ঠিক সেইদৰে তেওঁৰ ৰচনা জিকিৰসমূহো। ৰচনাৰ কাল দুটা—১০৪৫ হিজৰী বা ১৬৩৪ খৃষ্টাব্দ; ১১৪৫ হিজৰী বা ১৭৩৪ খ্ৰীষ্টাব্দ। এই গীত সমূহৰ ৰচনাৰ কাল সম্পৰ্কে তলৰ গীতফাঁকিয়েও এক প্ৰকাৰ আভাস দিয়ে —

"দহশ দুকুৰি নবীচন হিজিৰি
আৰো পাচ বছৰ যায়
চাহ্ মিলনে এই জিকিৰ কৰিলে
কোৰাণ কিতাবত নাই।"

সেয়ে জিকিৰগীতৰ ৰচনাকাল ঠিক কৰা কঠিন। ইমানদিনে অৱশ্যে এই গীতসমূহৰ লিখিত ৰূপ নাছিল। মোটামোটিকৈ কব পাৰি, সপ্তদশ শতিকাৰ শেষ দশকত গীতসমূহ অসমত উদ্ভৱ হৈছিল আৰু এই গীতবোৰ মানুহৰ মুখে মুখে বাগৰি আহি কিছু সালসলনি হৈ কিছুদিনৰ অন্তত লিখিত ৰূপ লৈছেহি।

শ্বাহমিলন অথবা আজান পীৰ অথবা গৰীয়া ফকিৰ। পোনতে অসমত একমাত্ৰ ইচলাম ধৰ্মৰ প্ৰৱৰ্ত্তক আছিল এওঁৱেই। এওঁৰ আগতে অসমত মুছলমান থাকিলেওঁ অসমলৈ কোনো মুছলমান লোকেই ধৰ্মপ্ৰচাৰকৰ উদ্দেশ্যে অহা নাছিল। ডেকা বয়সতে আজান চাহাব অসমলৈ আহি পোনতে গড়গাওঁত থিতাপি ললেহি আৰু তাতে ঘৰ-দুৱাৰ সাজি প্ৰায় ১০ বছৰমান থাকিবলৈ লয়; তাতে অসমীয়া মাত কথা আৰু অসমীয়া ভাষাৰ সবল জটুৱা ঠাঁচবোৰৰ ব্যৱহাৰ শিকি সকলো ধৰ্মৰ লোককে তেওঁৰ প্ৰতি গভীৰ প্ৰত্যয় নিয়াবলৈ আৰু আকৰ্ষিত কৰিবলৈ সক্ষম হৈছিল। অসমীয়া ভাষা-সাহিত্যৰ যোগেদিয়েই তেওঁ সেই ডেকা বয়সতে জিকিৰ, মৰ্চিয়া, ওজাপালি আদি গীতবোৰ ৰচনা কৰি এইবোৰৰ জৰিয়তে একেশ্বৰবাদ ইচলাম ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে চেষ্টা কৰিছিল।

১৬৮১-৯৬ শক। সেয়া গদাধৰ সিংহৰ ৰাজত্বৰ সময়। এইকালছোৱাৰ পাছৰে পৰা চাহ্ মিলন চাহাবৰ জীৱনলৈ আহি পৰিল আনিৰ্বান দুখ,-বেদনা-বিষাদ জৰ্জৰিত কলৰল্। বুৰঞ্জীৰ মতে, স্থানীয় ৰূপাই-দা-ধৰা নামৰ এজন মানুহে সমসাময়িক আহোম ৰজাক তেওঁৰ বিৰুদ্ধে লগাই ১৬০৮ শক অৰ্থাৎ ১৬৮৪ চনত দুই চকু কঢ়োৱাই, তাৰপিছত তেওঁক দিখৌ নদীৰ বুকুত দলিয়াই দিয়াত দিখৌ হেনো উভটি ববলৈ লৈছিল আৰু ক'তো বাম ঠাই নোহোৱা হৈছিল। কেৱল মাথো আজান চাহেব আৰু ভায়েক নবী চাহেবে কোৰাণ পাঠ কৰা ঠাইটুকুৰাহে পানীত ডুব নোযোৱাকৈ থাকিল, আনকি হোলোং ঘৰো পানীৰ অত্যাচাৰত কাটি হৈ পৰিছিল। সেয়ে, আজান ফকিৰৰ সকলো ধৰ্মৰ প্ৰতি সমান শ্ৰদ্ধা মনোভাৱ আৰু ব্যক্তিগত ধৰ্মৰ প্ৰতিও বিপুল মাহাত্ম্য বুজিব পাৰি ৰজাই নিজৰ ভুল বুজি পালে আৰু শেষত শিৱসাগৰৰ দিখৌ নদীৰ পাৰৰ শৰাগুৰি চাপৰিত মাটি-বৃত্তি দি চাহেবক থাকিবলৈ দিলে, আনকি সেই চাপৰিতে আজান চাহেবৰ কৰ্মকুশলতাৰ বাবে এটি মঠঘৰো সজাই দিলে।

"শৰাগুৰি চাপৰি
দিখৌ নৈ কাষৰি
ৰজাই বন্ধাই দিয়া মঠ
ছকুৰি ভকতে
লয় আল্লাৰ নাম
মাছুৰি বনৰে ক'ঠ।"

আনফালে ৰূপাইক জেৰেঙাত মৃত্যুদণ্ড দিয়া হয়। সেই সময়চোৱাত আজান ফকিৰক গৰীয়া ফকিৰ নামেৰেও জনসাধাৰণে জানিছিল। আজান চাহেবৰ শৰাগুৰি চাপৰিতে শেষত সন্তৱ মৃত্যু হয় আৰু সেয়ে মুছলমান সকলে ইয়াতে তেওঁৰ কবৰ আছে বুলি বিশ্বাস কৰি আজিও বাৎসৰিক দৰ্শন তিথি পালন কৰে।

উপৰুক্ত জিকিৰৰ পদ ফঁাকিত লক্ষ্য কৰিলে দেখা যায় সেই সময়ৰ মহাপুৰুষীয়া ভক্তি ধৰ্মৰ লগত আজান চাহাবৰ প্ৰৱৰ্তিত ধৰ্ম পন্থাৰ বহুতো সাদৃশ্য আছে। কিয়নো সেই শৰাগুৰি চাপৰি মঠত "ছকুৰি ভকতে লয় আল্লাৰ নাম" যেন শঙ্কৰদেৱৰ ছাত থকা সেই ছকুৰি ভকতৰে অনুৰূপ। সেয়ে বৈষ্ণৱ সাহিত্য আৰু লোকগীতিৰ প্ৰতিধ্বনিয়ে এই জিকিৰ সমূহক সঘনে ৰিঙিয়াই মাতে। অন্যহাতে জাৰীসমূহ হৈছে মৰ্চিয়া বা মোহৰমৰ লোকগীত। কাৰাবালাৰ করুণ কাহিনীক অৱলম্বন কৰিয়েই প্ৰায়বোৰ জাৰীগীত ৰচিত হৈছে। আৰৱৰ যি ঐতিহাসিক কাহিনীৰ পটভূমিত ভেঁজা দি জাৰীগীতবোৰ ৰচিত হৈছিল; তাৰ স্থানীয়





ৰূপ হেৰুৱাই সম্পূৰ্ণ অসমীয়া ৰূপ ললে ঠিক জিকিৰৰ দৰেই জাৰীগীত সমূহেও। ইয়াত, হজৰত আলি আৰু ফাতেমা বিবিৰ বিয়া, সেইখন বিয়া যেন এটা অসমীয়া মুচলমান পৰিয়ালৰহে বিয়া !

" জিকিৰ " শব্দটোৰ প্ৰকৃত অৰ্থ হ'ল আল্লাৰ নাম স্মৰণ কৰা বা আল্লাৰ নাম গুণ উল্লেখ কৰা। ইয়াৰ বিশেষ অৰ্থ হ'ল পুণ্যাৰ্থে বা আত্মশুদ্ধিৰ বাবে আল্লাৰ নাম স্মৰণ কৰা। গতিকে পোনপটিয়াকৈ কব পাৰি জিকিৰ সমূহ আল্লাৰ নাম মাহাত্ম্যসূচক গীত। এই গীতসমূহৰ মাজেদি প্ৰকাশ পায় ইছলাম ধৰ্ম সম্পৰ্কীয় সদাচাৰ, নিয়ম - নীতি, আল্লাৰ অস্তিত্ব তথা মাহাত্ম্য। এই গীত সমূহত ব্ৰহ্মা, শঙ্কৰ, বেদ - বেদান্ত, কৈলাশ, কানাই, দুনিয়া, বেহা, প্ৰাণনাথ আদি শব্দসমূহৰ প্ৰয়োগ মনকৰিবলগীয়া। শঙ্কৰ - মাধৱৰ মহাপুৰুষীয়া ধৰ্মৰ নাম - কীৰ্ত্তনৰ অৱলম্বনতে এই জিকিৰ সমূহ ৰচিত। আকৌ মনকৰিবলগীয়া যে, যেনেদৰে মহাপুৰুষীয়া ধৰ্মতত্বমতে, "এক দেৱ এক সেৱ, একৰ বিনে নাই কেৱ" ঠিক সেইদৰে ইছলামৰ মূলতন্ত্ৰ "লা ইলাহা ইল্লাল্লাহু মোহম্মদৰ ৰুছুলুল্লাহ" (খোদাৰ বিনে নাই কেও, মোহম্মদ তেওৰ প্ৰেৰিত দূত।) জিকিৰসমূহতো বিৰাজমান। তেওঁ নিজে জনসাধাৰণৰ অনুভৱে অনুভৱে বিলাই দিছে যে — কোৰাণে পোৰাণে মিলাই শিখিলো জিকিৰ একে মতবাদ তাতো - প্ৰভু - আল্লাৰ মিতিৰ।

— " কোৰাণে - পুৰাণে একেকে কৈছে
বুজিবা মহন্ত লোক,
এই দুনিয়াত আছে দুই বেশ
মুৰ্ছিদে বুজাব তোক। "

সেয়ে শ্বাহ মিলন চাহেবৰ সকলো ধৰ্মৰ প্ৰতি আছিল সমান শ্ৰদ্ধা, সমান ভক্তি। তেওঁ দেখুৱাই দিছিল এই দুনিয়াত সকলো ধৰ্মৰ মূলতন্ত্ৰ একে। সেয়ে হিন্দু-মুছলমান নিৰ্বিশেষে সকলোৱে শ্বাহ মিলনক সমানে শ্ৰদ্ধা কৰিছিল। তেওঁৰ ৰচিত জিকিৰৰ বিশেষ বৈশিষ্ট হ'ল বিভিন্ন ভাষা - ভাষী, বিভিন্ন ধৰ্মালম্বীৰ মাজত ঐক্য সম্প্ৰীতিৰ এনাজৰী স্থাপন। একেজন আল্লাৰে সৃষ্টি হিন্দু - মুছলমান ভাই। যি বাটেৰে হিন্দুসকল এই দুনিয়ালৈ দুদিনলৈ বেহা কৰিবলৈ আহিছে সেই বাটেৰেই আহিছে মুছলমান সকলো আৰু সময়হলে দুয়ো গুচি যাব সেই একে বাটেৰেই। তেওঁৰ জিকিৰত —

" মোৰ মনত ভেদ ভাৱ নাই ঐ আল্লা
মোৰ মনত আন ভাৱ নাই ঐ আল্লা,
হিন্দু কি মুছলমান একে আল্লা ফৰমান
মোৰ মনত একেটি ভাৱ ··· ··· ··· । "

অসমীয়া লোক সাহিত্যৰ দেহবিচাৰৰ গীতসমূহত যিদৰে জীৱনৰ বিচিত্ৰ অভিজ্ঞতা তথা সুন্দৰ অসুন্দৰ তত্বৰ ভিত্তিত সংসাৰত জ্ঞানৰ বহিঃপ্ৰকাশ ঘটিছে ঠিক সেইদৰে গুৰুত একান্ত শৰণ লবলৈ আহ্বান কৰা জিকিৰ সমূহতো দৈনন্দিন জীৱনৰ অভিজ্ঞতাৰ ভেটিত শিক্ষা ধৰ্ম - জ্ঞান আদি দিয়াৰ প্ৰচেষ্টাই চলে। ইয়াত দেহা বা জীৱনৰ আনিত্যতা, প্ৰকৃত সত্যক উদঘাটন্ কৰাৰ মানুহৰ প্ৰয়াস বিৰাজমান। এই গুপ্ত অনিত্য সত্য উদঘাটনৰ লগে লগে মানুহে যে কৰ্মত বশৱৰ্তী হৈহে জীয়াই থকাৰ উপলব্ধিতা স্বীকাৰ কৰাৰ প্ৰয়োজন — তাকো দেখুৱাইছে।

যদিও জিকিৰ সমূহ ধৰ্মমূলক গীত, ইয়াৰ এটা স্বকীয়া সাহিত্যিক বৈশিষ্টও নোহোৱা নহয়। প্ৰত্যেকটো গীত একো একোটা ঘোষাৰে আৰম্ভ হয়, তাৰ পাছত বৰ্ণনাত্মক অংশ দুলড়ী বা পদ। বৈষ্ণৱ নাম কীৰ্ত্তনৰ প্ৰভাৱ মধুৰ সুৰ ইছলামীয় ধৰ্মতত্ব, আৰু অসমীয়া ঘৰুৱা - চহা জীৱনৰ ভাষাৰ মাজত ফাৰ্চী আৰবী শব্দৰ শুৱলা প্ৰয়োগে জিকিৰ সমূহৰ সৌন্দৰ্য দুগুণে বৃদ্ধি কৰিছে। যদিও ফাৰ্চী আৰবী আদি ভাষাৰ শব্দসমূহ জিকিৰসমূহত সজাই তোলাৰ প্ৰয়াস মন কৰিবলগীয়া, এই গীত সমূহৰ ছন্দ, উপমা, সুৰ, প্ৰকাশভঙ্গী আদি সম্পূৰ্ণ অসমীয়া। মুঠৰ ওপৰত স্বীকাৰ কৰিব লাগিব, অসমীয়া সাহিত্যৰ বুৰঞ্জীত জিকিৰ সমূহৰ এক স্বকীয়া স্থান আছে।

[ " জীৱন মৃত্যুতকৈ শ্ৰেঠতৰ
ই হতাশা নহয় — আশা "
— জৰ্জ বাৰ্নাৰ্ড শ্ব ]



## (খ) কবি আৰু কবিতা ঃ

কবিতা মানৱ জীৱনৰ সুখ - দুখৰ একোখন বাৰ্তাবাহী ৰেলগাড়ী স্বৰূপ । ইপ্সিত অথবা নৈসৰ্গিক অনুভূতিৰ তাড়নাত সৃষ্টি হয় কবিৰ কলমৰ পৰা একো একোটি কবিতাৰ । জীৱনৰ মূল্যবোধ, সমাজৰ নিৰৰ্থক চিত্ৰকল্প, ভোগজৰাৰ প্ৰেমৰ মদিৰা, দলিত - অৱহেলিত - নিস্পেষিত জীৱনৰ স্কেচ্, আদিৰ বাস্তৱযোজন তথা শব্দভাস্কৰ্য্যক কেন্দ্ৰ কৰিয়েই একো একোটা কবিতাৰ প্ৰমূল্যবোধ নিৰূপন কৰি উলিওৱাত সহজ হৈ পৰে । সাহিত্য আলোচনাত নিভাঁজ আৰু মূল সামাজিক অভিজ্ঞতাৰ ওপৰত আধুনিক কবিতাৰ বিশেষ গুৰুত্ব আৰোপ কৰা হয় । দৰ্শনতো সামাজিক ৰূপান্তৰৰ বিপুল প্ৰভাৱ দেখা যায় । ভিক্টৰ হি'উগৰ মতে — " বস্তুৰ ব্যাখ্যা, বৰ্ননা, আখ্যান, কথন, উপদেশ এই বোৰেই হৈছে কবিতাৰ অপৰিহাৰ্য্য অংগ " । ইয়াত ভাৱ, উদ্ৰেক আৰু ব্যঞ্জনা জাগ্ৰত কৰিবলৈ শব্দ ব্যৱহাৰ কৰিব লাগে ।

মানৱ হৃদয়ৰ সুক্ষ্ম অনুভূতিবোৰৰ প্ৰকাশৰ মাধ্যমেই হ'ল [ সুক্ষ্ম দৃষ্টিত ] কবিতা । প্ৰেম, ক্ৰোধ, অস্তিত্বৰ সমস্যা অথবা বৈষম্যৰ প্ৰতি সজাগ দৃষ্টি আদি কবিতাৰ আৱহমান কালৰ উপাদান । ই তৃপ্তিৰ সহায়েৰে মনৰ স্থৈৰ্য সাধন কৰি বোধৰ প্ৰগাঢ়তা বঢ়াই । সেয়ে ইয়াত তৃপ্তিৰ আনন্দময়ী শক্তি এটা বিৰাজমান । অৱশ্যে পদ্য আৰু কবিতা দুটা ভিন্ন বস্তুৰ উপাদান । পদ্য হ'ল ছন্দৰ লীলাভূমি, কবিতা মাথোন শব্দৰ চিত্ৰকলা । আধুনিক কবিতাসমূহৰ ছন্দৰাগ স্থান হবও পাৰে, নহবও পাৰে সত্য অনুভূতি সমাদৃত । এক কথাত কবলৈ গলে প্ৰাণৰ অকৃত্ৰিম অনুভূতি প্ৰকাশ কৰিবলৈ হলে যি ভাষা নিঃসৰিত হয় সিয়েই কবিতাৰ উপযুক্ত ভাষা । তাত ৰঙৰ নিষ্প্ৰয়োজন, লাগে তীব্ৰ অনুভূতি । সুকুমাৰ ক'লা সমূহৰ ভিতৰত কবিতাই শ্ৰেষ্ঠ । ইয়াৰ বিশেষ বৈশিষ্ট — অলপ বস্তু ব্যৱহাৰ কৰি অত্যাধিক গুন লাভ কৰা । গতিকে ইয়াৰ কৃতকাৰ্যতা সহজলভ্য নহয় ই কিছুমান আখৰৰ মূহুৰ্ত্তৰ সংকেত ।

কবিতা হ'ল বৈচিত্ৰত ঐক্য, ইয়াত নিহিত হৈ থাকে কল্পনাৰ সংশ্লেষনাত্মক আৰু যাদুকৰী শক্তি । বাস্তৱ সংঘাটৰ মাজে মাজে ই হৈ পৰে জীৱনৰ সমালোচনা । কবিতাৰ মূল বৈশিষ্ট হ'ল ৰূপগত বস্তু অথবা বিষয়ৰ ওপৰত দৃষ্টি । অন্যহাতে কবিতাৰ ভাষা ৰূপক । সাধাৰণ ভাষাতকৈ ই সম্পূৰ্ণ বেলেগ । ইয়াৰ বিষয় বস্তু বিশেষ ঘটনা বা অভিজ্ঞতাজাত বুলি ধৰিবলৈ বিশেষ মানসিক অৱস্থা বুলি ধৰাহে প্ৰয়োজনীয় । ভাৱ বা অনুভূতি কবিতাৰ বিভাৱ বা অৱলম্বন । " শব্দৰ অভিধান, লক্ষনাত্মক জ্ঞান, ব্যঞ্জনা শক্তিৰ ব্যৱহাৰ, শব্দ, খণ্ডবাক্যৰ, চয়ন, উপমা, চিত্ৰকল্প আৰু প্ৰতীক প্ৰয়োগৰ দ্বাৰা ৰূপক ভাষা সৃষ্টি কৰা আৰু তাৰ সহায়েৰে অনুভূতিক ফৰ্ম দি নি সাহিত্য সৃষ্টি হয় তাকে কবিতা বুলি কব পাৰি । ইয়াৰ বাদেও আধুনিক কবিতাত কাৰিকৰিতা বা কাৰুকাৰ্য প্ৰণালীও ঠিক হব লাগে । কাৰিকৰিতা স্তৰ পাৰ হোৱাৰ পিছতেই ই হৈ পৰে এক কলা । সেই মূহুৰ্ত্ততে ইয়াত এক







নান্দনিক আনন্দ বিৰাজমান হয় আৰু সম্পূৰ্ণ কলাৰ পৰ্য্যায়লৈ ৰূপান্তৰিত হয় ।

প্ৰকৃততে কবি শব্দটোৰ অৰ্থ বিচাৰি চাবলৈ গলে আমি দেখা পাওঁ কবিসকল সমাজৰ বিবেক । কিয়নো কবিতাত থাকে সমাজৰ অস্তিত্বৰ অনুকুল সহানুভূত ( Sympathy ) তেওঁলোক চেতনাত মৰিমূঢ় হোৱা নিপীড়িত জনগণৰ অন্যতম নিৰলস্কাৰ দেৱদূত । কবি আৰু কবিতা বিবৃত্তিৰ সামৰ্থক নহয় । আধুনিক কবিতাৰ ক্ষেত্ৰত আদিম কালৰে পৰা ইংৰাজী সাহিত্যৰ কবিতাবোৰেই উচ্চস্তৰৰ কবিতা বুলি ধাৰণা কৰা হয় । ইংৰাজী সাহিত্যৰ য'ত অন্যায় অবিচাৰ সংঘটিত হয়, য'ত বিদ্ৰেহাৰ অগনিৰে পলসুৱা ভেটি কঁপে, প্ৰেম বিৰহৰ সংবেদনশীলতাই জোন তৰাৰ ধূসৰতা কঢ়িয়াই আনে তাতে সৃষ্টি হয় কবি সকলৰ প্ৰতিবাদ অথবা চিত্ৰধৰ্মী শ্লোগান । কিন্তু তেওঁলোকৰ প্ৰতিবাদো সকলো সংকীৰ্ণ সীমাৰেখাৰ উৰ্দ্ধত বিৰাজ কৰে কাৰণেই কবিতাৰ আবেদনে বৃহত্তৰ সমাজৰ চিত্ৰ স্পৰ্শ কৰি সেই সমাজৰ প্ৰতিজন মানুহৰ মন জয় কৰে ।

কবিতা মানৱ হৃদয়ৰ সুসংগঠিত এক শিল্প । কোনো এক ভাষাৰ বাবেও ই এক শিল্প । এওঁলোক সমাজ সেৱক । তেওঁলোকে যেতিয়াই তেওঁলোকৰ সৃষ্টিৰ বাবে তন্ময় হৈ পৰে তেতিয়াই তেওঁলোকৰ সৃষ্টিৰ মাধ্যমত পৰিস্ফুট হৈ পৰে বিশ্বজনীনতাৰ আভাস । এই ধ্যান ধাৰণাৰ আঁৰত জীপাল হৈ উঠে তেওঁলোকৰ চকুৰ আগত থকা বাস্তৱ জগতখন, জনগণ হৈ পৰে সেই সাধনাৰ জলন্ত প্ৰতিমূৰ্ত্তি । বিচিত্ৰ কাৰুকাৰ্য্য, ভাস্কৰ্য্য, স্থাপত্য, সংগীত, সাহিত্য এই সকলোবোৰ মন আৰু আত্মাৰ দৈনন্দিন আনন্দৰ সিপিঠিত সজাগ হৈ ৰৈ থাকে কবিৰ মূৰ্ত বিকাশ । যি কবিতাত আছে সত্য সি যুগে যুগে সমাদৃত । যি কবিতাত নগ্ন সত্যটোৰ অনুসন্ধান ডাঙি ধৰা হয় সেই কবিতা হৈ পৰে তীখাৰ দৰে চোকা এই ক্ষেত্ৰত এটা কথা উনুকিয়াই থোৱা ভাল হব যে অসমীয়া সাহিত্যৰ এনে ধৰণৰ সক্ৰিয় অংশগ্ৰহণ কৰি কল্পনাৰে ৰসৰ সৌধ নিৰ্মাণ কৰা কবিসকলৰ ভিতৰত নৱকান্ত বৰুৱা, নীলমণি ফুকন, সমীৰ তাঁতি, হৰেকৃষ্ণ ডেকা, অমলেন্দু গুহ আদিৰ নাম উল্লেখযোগ্য । এওঁলোকৰ কবিতাত সত্যানুসন্ধানৰ সৌন্দৰ্য্য অধিক সক্ৰিয়, মনৰ আহেঁ-কোঁহে বৈ পৰে শক্তিশালী অনুভূতিৰ স্বতঃস্ফুৰ্ট ঢল । এওঁলোকৰ কবিতা মূলতঃ অভিজ্ঞতা বা ধাৰণাই মনত পেলোৱা গভীৰ প্ৰভাৱৰ প্ৰকাশ ।

ঐতিহ্যৰ খলাবমা পৰিধিৰ নৈসৰ্গিক চিত্ৰকল্প, নান্দনিক বিশ্লেষণ আদিত একো একোটা সময়ৰ অভিবাদন অথবা প্ৰত্যাহ্বান কবিয়ে নিজৰ প্ৰতিবাদী দৃষ্টিভংগীৰে স্বাক্ষৰ বহন কৰাটোৱেই কবিৰ বৃহৎ উদ্দেশ্য । ক্ৰমশঃ সমাজ তথা সভ্যতাৰ প্ৰতিহত চিত্ৰৰূপ ইয়াৰ মাজেদি ডাঙি ধৰিব পাৰিলে কবিৰ বাবে আধুনিক অসমীয়া কবিতাৰ ক্ষেত্ৰত যে এক বৃহত্তৰ সমল যুগোৱাতো সুনিশ্চিত — তাক নুই কৰিব নোৱাৰি ।

কবিতাৰ অবয়বটো আমাৰ সুক্ষ্ম বিবেচনাত সকলোতকৈ গুৰুত্বপূৰ্ণ হোৱা উচিত । ইয়াত কবিৰ জীৱন বা ব্যক্তিগত অভিজ্ঞতাৰ এক ৰক্ষণশীল ক্ষিপ্ৰতা প্ৰকাশ পায় । দ্বিতীয়তে অৰ্থৰ ঐশ্বৰ্য্য কবিতাৰ অমূল্য সম্পদ । ইংলণ্ডৰ কবি উইলিয়াম ৱৰ্ডচৱৰ্থে এঠাইত কৈছে যে " তীব্ৰ অনুভূতিবসতঃ যদিহে কথা কয় তেন্তে গাৱলীয়া মানুহৰ মাতো একো একোটা কবিতা হয় । " সুন্দৰ শব্দসমূহ মনৰ এক জাতীয় পোহৰ । এনে ধৰণৰ কবিতাসমূহ ৰসৰ সফুঁৰা । এই ৰসে কেতিয়াবা সুখ, কেতিয়াবা দুখ. কেতিয়াবা দুখৰ সুখ জন্মায় । দুখৰ সুখ য'ত অধিক পৰিস্ফুট সেই কবিতাই শ্ৰেষ্ঠ, ভাৱাৰ্থক সাফল্য । বৰ্ত্তমান গাৱঁলীয়া চহা লোকৰ এনেবোৰ কবিতাই সাহিত্য ক্ষেত্ৰত বিশাল তৃপ্তিৰ সামুদ্ৰিক চেতনা । মূঠৰ ওপৰত যি প্ৰকাৰ লেখাই নহওঁক তাত অখণ্ডতা আৰু একত্ব বিৰাজ কৰিব লাগে ।

## ফ্ৰণ্ট

" মন হৈছে কবিতাৰ জন্মভূমি। কবিতা হৈছে মন আৰু মননৰ যুটীয়া কবিৰ মানস ক্ষেত্ৰ, কবিতাৰ কল্পধাম, কবিৰ ব্যক্তিগত অভিজ্ঞতা আৰু অভিজ্ঞতাজাত অনুভূতিৰ স্মৃতিয়েই হৈছে কবিতাৰ জন্মবীজ।" মন আৰু মনন দুয়োটাই অধিক কল্পনাপ্ৰৱণ, অনুভূতিসূচক ফল্গুধাৰ। ইয়াৰ অন্তসলিল শব্দবোৰৰ এখোন একোখন বাস্তৱচিত্ৰই হ'ল কবিতা। অৰ্থাৎ, অভিজ্ঞতা তথা অনুভূতিৰ সংৰক্ষনেই হৈছে কবিতাৰ ভাষা। ইয়াৰ বিষয়বস্তু পোণপটীয়া ঘটনা নহলেও ঘটনাৰ সামৰ্থক। ঘটনাবোৰ অভিজ্ঞতা হৈ ইন্দ্ৰিয়ানুভূতিৰ মাজেদি ভাৱৰ শাৰীলৈ উঠে। পিছত এই ভাৱ পুনৰ ৰসলৈ ৰূপান্তৰিত হয়। সেয়ে বিষয়বস্তু আৰু গঠনৰ একাত্মীয়তা আৰু অখণ্ডতা - উপলব্ধি কবিতাত বুজাৰ আৱশ্যকীয় চৰ্ত। আধুনিক কবিতাসমূহত গাঢ় চিন্তা তথা উপলব্ধি অথবা অনুভূতিয়েই ইয়াৰ মূল। কবিৰ জীৱনবোধ তথা যান্ত্ৰিক সংঘাটে ভাৱনাৰ উদ্ৰেক জন্মোৱা কবিতাসমূহেই বেছি মূৰ্ত। সেয়ে কবিৰ বাবে কবিতা চিৰপ্ৰৱাহমান একো একোটা গতি। এওঁলোকে কবিতা নিলিখাকৈ থাকিব নোৱাৰে। এওঁলোক মানৱ হৃদয়ৰ অস্বীকৃত আইনকৰ্তা! অৱশ্যে জনৈক কবিৰ ক্ষেত্ৰত তেওঁলোকৰ কবিতা তুলিকা অথবা কলমৰ দ্বাৰাই কাগজত পাণ্ডুলিপি নকৰিলেও মন গহণত নিবন্ধ ৰাখে। এয়া সমাজৰ বিবেক নহয়। কবিতা লিখি প্ৰতিজন কবিয়েই পাহৰি পেলায় হৰ্ষ-বিষাদৰ উদ্ৰেকধ্বনি, তিক্ততা; পাহৰি পেলাই ব্যক্তিগত জীৱনৰ সংঘাট। এই ক্ষেত্ৰত অনুমান হয় কবি যেন মৃত্যুৰ আগদিনাও কবিহৈ সুখৰ সাগৰতে ডুব গৈ থাকে; বিশাল নগৰীৰ শুকানতাত গজাই তোলে — সেউজ সজীৱ ঘাহঁ বনৰ মানসকুঞ্জ, শেলুৱৈৰে ঢকা হিমাদ্ৰিত এখণ্ড ভূগৰ্ভ।

" [ ভাষা যেনেকৈ কেইটিমান আখৰ নহয়, সাহিত্য যেনেকৈ
কেইটিমান বাক্য নহয়, গৱেষণা যেনেকৈ সাঁচিপাতৰ
ধূলি জোকাৰি চপোৱা কাৰ্য্যই নহয়
সংস্কৃতিও তেনেকৈ কেইটিমান গীত আৰু নৃত্য নহয় "
ভূপেন হাজৰিকা ]

( বিঃ দ্ৰঃ ১৷ হীৰেণ ভট্ট : গুৱাহাটী বিশ্ববিদ্যালয় মুখপত্ৰ। )

# বৰদৈচিলা মাকৰ ঘৰলৈ যায়

শ্ৰীনৱজ্যোতি নেওগ
স্নাতক ২য় বাৰ্ষিক ( বিজ্ঞান )

বৰদৈচিলা বহাগ মাহত বিহু খাবলৈ আহে আৰু যায়। বৰদৈচিলাৰ দেহৰ দুখন পাখিত ইমান যে গতি লৈ আহে ভাবিলে সঁচাকৈয়ে বৰ আচৰিত লাগে। ৰঙালী বিহুৰ ৰঙত মন ভৰি থাকে যদিও এই বিহু খাবলৈ অহা বৰদৈচিলাৰ উৰণীয়া মূৰ্তিটো দেখি বহুতৰে মনত আতংকৰ সৃষ্টি হয়। মানুহৰ মনত সন্ত্ৰাসৰ সৃষ্টি কৰে যদিও প্ৰতি বছৰে আমি বৰদৈচিলাই বিহু খাবলৈ আহক বুলি অপেক্ষা কৰি ৰৈ থাকো। আমাৰ অসমীয়া সমাজত পূৰ্বপুৰুষৰ পৰা চলি অহা এটা প্ৰবাদ আছে বহাগ মাহত বৰদৈচিলাই মাকৰ ঘৰত বিহু খাবলৈ যায়। কিন্তু বিভিন্ন অঞ্চল বিশেষে এই বৰদৈচিলাৰ নামাকৰণ বেলেগ। পশ্চিম বংগ আৰু বাংলা দেশত ইয়াক " কালবৈশাখী " বুলি জনাজাত। এই কালবৈশাখী নামটোৰ যেন আমাৰ অসমীয়া সমাজৰ বৰদৈচিলাৰ কাৰ্য্যৰ লগত বহুপৰিমাণে সাদৃশ্য আছে। " বৰদৈচিলা বা কালবৈশাখী " নাম যিয়েই নহওক প্ৰকৃততে ই এটা প্ৰবল ধুমুহা বতাহ। প্ৰতি বছৰে বহাগৰ আগে আগে এই বতাহ বলা দেখা যায়। প্ৰচণ্ড প্ৰবল বেগেৰে গাজনী ঢেৰেকনীৰে সৈতে জাকে-জাকে এই বতাহ বলে। গছ-গছনী ঘৰৰ বয়বস্তু ভাঙি লণ্ড-ভণ্ড কৰে। ইয়াৰ যে শক্তিৰ তুলনা কৰিব নোৱাৰি ইয়াক আমি সকলোৱে অনুমান কৰো। প্ৰতি বছৰে আমি দেখি দেখি ইয়াৰ ক্ষমতাৰ কথা সকলোৱে নিজ চকুৰে উপলব্ধি কৰিব পাৰিছো। ইয়াৰ ইমানেই বেছি ক্ষমতা যে - শ, শ বছৰীয়া বা ততোধিক পুৰণা গছৰো শিপা উঘালি পেলাব পাৰিছে।

এই বতাহ বলাৰ বিজ্ঞান সন্মত কাৰণ আছে। শীত কালত ভাৰতৰ উত্তৰ-পশ্চিম অঞ্চল. আফগানিস্থান, পাকিস্থান, ইৰাণ, ইৰাক আদি অঞ্চল সমূহত ক্ৰমে বায়ুৰ চাপ বাঢ়ি গৈ উচ্চ চাপ বিশিষ্ট হয়। ইয়াৰ কাৰণ হ'ল এয়ে যে এই অঞ্চলত সেই সময়ত অতি বেছি পৰিমাণে ঠাণ্ডা পৰে। এই সময়ছোৱাত ভাৰতৰ দক্ষিণ অঞ্চল অৰ্থাৎ, সিংহল, মালয়, ইণ্ডোনেচীয়া, আৰু বিষুব ৰেখাৰ ওচৰত থকা সাগৰীয় অঞ্চল সমূহত চাপ হ্ৰাস পায়। উচ্চ চাপ অঞ্চলৰ পৰা নিম্নচাপ অঞ্চললৈ বৈ যোৱাই হ'ল বায়ুৰ সাধাৰণ ধৰ্ম। গতিকে দক্ষিণাত্যৰ উত্তৰে আৰু গাঙ্গেয় সমভূমিত শীত কালত বতাহ বলে। কিন্তু পৃথিবীয়ে নিজস্ব কক্ষপথত থাকি ঘূৰে বাবে এই বতাহৰ গতি উত্তৰ পশ্চিমমূখী হয়। এই বতাহ শীতল আৰু শুকান। যেতিয়া ৰাতি সাগৰৰ পিনৰ উপকূললৈ বায়ু সঞ্চালিত হয়, তেতিয়া উত্তৰীয় শীতল বতাহ জাকৰ লগত সংঘৰ্ষত লিপ্ত হৈ কুঁৱলীৰ সৃষ্টি কৰে। ইয়াৰ বাবেই শীত

কালত বৰদৈচিলাৰ বদলি কুঁৱলীৰ আৱৰণহে দেখা পাওঁ।

শীত কালৰ অন্তত বায়ুৰ চাপ বলয়ৰ স্থান সলনি হয়। সূৰ্য্যৰ স্থান সলনি হোৱা কাৰ্য্যৰ লগত প্ৰায় একে। ভাৰতৰ উত্তৰ পশ্চিম অঞ্চলৰ কেন্দ্ৰ দক্ষিণলৈ হুহকি যায় আৰু দক্ষিণ অংশৰ নিম্নচাপৰ কেন্দ্ৰ উত্তৰলৈ উঠি আহে। প্ৰায় ছমাহলৈকে এই উঠা নমা চলে। অৱশেষত উচ্চ চাপ স্থায়ী হয় আৰব সাগৰত, আৰু ভাৰতৰ উত্তৰ পশ্চিম অঞ্চলত স্থায়ী হয় নিম্নচাপ। ইয়াৰ ফলত দক্ষিণৰ সাগৰৰ পৰা উত্তৰৰ স্থলভাগলৈ বতাহ বলে। এইবাৰো পৃথিবীৰ আৱৰ্ত্তনৰ বাবে দক্ষিণৰ প্ৰবাহটো অলপ বেকা হৈ দক্ষিণাত্যত দক্ষিণ-পশ্চিম আৰু গংগা ব্ৰহ্মপুত্ৰৰ সমভূমিত দক্ষিণ পূব বতাহ ৰূপেৰে প্ৰবাহিত হয়। সদায় এই পৰিবৰ্ত্তন ফাগুণত আৰম্ভ হয় আৰু বৰ্ষাৰ আৱৰ্ত্তণৰ সময়ত শেষ হয়।

ভাৰতৰ দক্ষিণৰ বতাহ সকলোতকৈ আগতে বলে বাংলা দেশত। এই বতাহ গৰম আৰু শুকান। সেই কাৰণে ই সাগৰৰ ওপৰেৰে প্ৰবাহিত হওঁতে প্ৰচুৰ পৰিমাণে জলীয় বাষ্প আহৰণ কৰে। এই জলীয় বাষ্পই হ'ল উল্লেখিত বৰদৈচিলাৰ ঈন্ধন।

এনে ঘটনা সদায় সংঘটিত হয় কিন্তু সদায় বৰদৈচিলাৰ প্ৰকৃত ৰূপ নাপাওঁ কিয়? ভাবিলে বৰ আচৰিত যেন লাগে। দেখাত সেই সময়ছোৱাত নিতৌ দুবাৰ ধুমুহা বলা উচিত যেন নেলাগেনে? বহাগ মাহত বলা প্ৰচণ্ড ধুমুহা এক বিশেষ ধৰণৰ বজ্ৰনিনাদ্ৰ যুক্ত ধুমুহা ঢেৰেকণি। ইয়াৰ সৃষ্টি হয় এক বিশেষ ধৰ্ণৰ বৃহদ্ৰাকাৰ উলম্ব কিউমুলোনিম্বাচ মেঘৰ পৰা। অস্থিৰ বায়ুৰ দ্বাৰা এই মেঘৰ সৃষ্টি হয়। যেতিয়া উচ্চতাৰ লগত তাপমাত্ৰাৰ হ্ৰাসৰ হাৰ প্ৰতি ১৮০ মিটাৰত ১৫ বা ১৬ ডিগ্ৰী চেলছিয়াছৰ বেছি হয়। অস্থিৰ বায়ু সকলো সময়ত উৎপত্তি নহয়।

এই প্ৰবল ধুমুহা ঢেৰেকণি সৃষ্টি কৰিবলৈ আন এটা উপাদানৰ অতি প্ৰয়োজন হয়। জলগৰ্ভ মেঘ থিয় কৰাই ৰাখিবলৈ পৰ্বতৰ দৰে কোনো বাধাৰ অৱস্থান বাংলা দেশ, অসম আৰু পশ্চিম বংগৰ অতি ওচৰতে কোনো ওখ পৰ্বত পাহাৰ নাই যদিও (হিমালয়ে এই কাৰ্য্য কৰিব নোৱাৰে) এটা অদৃশ্য স্তৰ আছে, যিয়ে সেই বাধা দিয়া কাম কৰে। বতৰ বিজ্ঞানত ইয়াক ফ্ৰণ্ট নামে জনা যায়। বিভিন্ন তাপমাত্ৰাৰ দুটা বিস্তৃত বায়ুস্তৰ এঠাইত মিলিত হলে, সিহঁতৰ পাৰ্থক্যপৃষ্ঠক কোৱা হয় সন্মুখ পৃষ্ঠ। এই পাৰ্থক্য পৃষ্ঠ আৰু পৃথিবী পৃষ্ঠৰ ছেদৰেখাই হৈছে ফ্ৰণ্ট। ইয়েই বৰদৈচিলা সৃষ্টিত অদৃশ্য প্ৰাচীৰৰ কাম কৰে। সাধাৰণতে দুটা পৃথক অঞ্চলৰ বতাহ পৰস্পৰ ওচৰলৈ আহিলেই সংঘৰ্ষৰ উৎপত্তি হয়। যেতিয়া দক্ষিণৰ বঙ্গোপ সাগৰৰ পৰা বতাহ জাক উত্তৰ-পশ্চিম সীমান্তৰ পৰা অহা উত্তৰীয় বতাহৰ সৈতে মিলিত হয় তেতিয়া নিসন্দেহেই সংঘৰ্ষৰ সৃষ্টি কৰে। বতৰ বিজ্ঞানৰ ফ্ৰণ্ট দুই প্ৰকাৰৰ। ইহঁত হ'ল উষ্ণ ফ্ৰণ্ট আৰু শীতল ফ্ৰণ্ট। উষ্ণ ফ্ৰণ্টৰ বাবে বাৰিষা কালত অবিৰাম গতিত নেৰা-নেপেৰা বৰষুণৰ সৃষ্টি হয় আৰু শীতল ফ্ৰণ্টৰ বাবে হয় প্ৰকাণ্ড ধুমুহা ঢেৰেকণি। -

শীতল ফ্ৰণ্টত আপেক্ষিক ভাবে ঠাণ্ডা বতাহ তললৈ নামি গৰম বতাহ ওপৰলৈ ঠেলি দিবলৈ চেষ্টা কৰে। উষ্ণ বতাহ ওপৰলৈ উঠি আয়তন বাঢ়ি যায় আৰু প্ৰকাণ্ড আকাৰৰ কিউমুলোনিম্বাচ মেঘৰ সৃষ্টি কৰে আৰু ইয়াৰ বাবেই পৃথিবী পৃষ্ঠলৈ নামে শিলা-বৃষ্টি, ধুমুহা ঢেৰেকণিযুক্ত ব্ৰজনিনাদ। ফ্ৰণ্ট অতিক্ৰম কৰি ওপৰলৈ উঠা গৰম বতাহ যিমানে অস্থিৰ হয়, সিমানেই বৰদৈচিলাৰ শক্তি বৃদ্ধি পায়। এই ফ্ৰণ্টৰ মাজতেই থাকে ধুমুহা ঢেৰেকণিৰ মূল শক্তি। প্ৰকৃততে ইয়াৰ কাৰ্যাকলাপ এইদৰে সংঘটিত হয় — ফ্ৰণ্টৰ তলত সঞ্চয় হয় গধুৰ বতাহ আৰু ওপৰৰ ফালে থাকে উষ্ণ পাতল বতাহ। গতিকে ফ্ৰণ্ট





সৃষ্টি হোৱাৰ বাবে গোটখোৱা দুবিধ ভিন্ন জাতীয় বতাহৰ তাপমাত্ৰাৰ পাৰ্থক্যৰ বাবে তাত লাহে লাহে সঞ্চিত হয় প্ৰচণ্ড স্থৈতিক তাপশক্তিৰ ভঁৰাল। শেষত ইয়েই গতিশক্তিলৈ ৰূপান্তৰিত হৈ ধুমুহা ঢেৰেকনিৰ ৰূপ লয়।

শীতল ফ্ৰণ্ট গতিশীল, এঠাইত বৈ নাথাকে। এই ফ্ৰণ্টৰ গতিবেগ প্ৰতিঘণ্টাত ৪৮ ৰ পৰা ৬৩ কিঃ মি.। কিন্তু ভালদৰে লক্ষ কৰিলেই শীতল ফ্ৰণ্ট অহাৰ আগলি বতৰা পাব পাৰি। সাধাৰণতে ফ্ৰণ্ট আবিৰ্ভাৱৰ অলপ আগত বায়ুৰ চাপ একেবাৰে কমি যায় আৰু ফ্ৰণ্ট আহি পৰাৰ লগে লগেই বায়ুৰ চাপ বাঢ়িবলৈ আৰম্ভ কৰে। এই কাৰ্য্য বৰ বেগি। সাধাৰণ বেৰমিটাৰৰ দ্বাৰা এই চাপৰ বোজা বহন কৰা অলপ জটিল। একেদৰেই বৰদৈচিলাৰ ধুমুহা বৰষুণ হোৱাৰ পাছত ঠাণ্ডা ঠাণ্ডা অনুভৱ হয়। বৰষুণ হোৱা বাবেই ঠাণ্ডা হৈছে বুলি বহুতেই অনুমান কৰা পৰিলক্ষিত হয়। কিন্তু এই ধাৰণা বিশুদ্ধ নহয়। বৰষুণ নহলেও ঠাণ্ডা হয়। বজ্ৰ ধুমুহা হোৱাৰ পাছত শীতল ফ্ৰণ্টৰ মাজৰ স্থৈতিক তাপ শক্তিৰ ভঁৰালৰ তাপ কিছু কমি যোৱাৰ বাবে ওখ ওপৰৰ আকাশৰ অস্থিৰ মেঘৰ পৰা অতি শীতল বায়ু প্ৰবাহ এটা অতি বেগেৰে তললৈ নামি আহে। এই বাবেই বৰষুণ দিয়কেই বা নিদিয়ক, বৰদৈচিলা হৈ যোৱাৰ পাচত আমি ঠাণ্ডা অনুভৱ কৰিমেই।

বৰদৈচিলা বলাৰ সময়ছোৱাত অসমৰ পৰা উত্তৰ প্ৰদেশ পৰ্য্যন্ত এটি সু প্ৰসাৰিত নিম্ন চাপ অঞ্চল হৈ পৰে। বঙ্গোপ সাগৰৰ পৰা কোন দিশত আৰু কি পৰিমাণৰ জলীয় বাষ্পপূৰ্ণ বায়ু কোন দেশলৈ বৈ যাব সেইটো নিৰ্ভৰ কৰিব এই সুপ্ৰসাৰিত নিম্ন চাপৰ অৱস্থান, দিশ পৰিবৰ্ত্তন আৰু গভীৰতাৰ ওপৰত। যি দিনাই এই নিম্নচাপ অঞ্চল কোনো স্থানীয় অক্ষৰ পিনে বয়, সেইদিনাই বৰদৈচিলা নামি আহে। সেইদিনা পুৱা ভাগত সাধাৰণতে আদ্ৰ বতাহৰ উচ্চতা থাকে ১০৫০ মিটাৰ। বেলা পৰি অহাৰ লগে লগে নিম্নচাপ অঞ্চলটো গভীৰতৰ হয়। ইয়াৰ লগতে আৰ্দ্ৰ বতাহৰ উচ্চতা আৰু বিস্তাৰো বাঢ়ি যায়। আবেলি পৰত এই বায়ুস্তৰৰ লগ লাগে। উত্তৰ-পশ্চিমৰ পৰা অহা শীতল বতাহ আৰু শীতল ফ্ৰণ্টৰ উৎপত্তি হয়। এই শীতল ফ্ৰণ্টৰ ওপৰত থকা উষ্ণ আৰু পাতল বতাহ ক্ৰমে ওপৰলৈ উঠে। ইয়াৰ ফলত অস্থিৰ মেঘৰ উৎপত্তি হয় আৰু আৰম্ভ হয় বৰদৈচিলাৰ বিহুখাবলৈ যোৱাৰ উৰণ। শীতল ফ্ৰণ্ট যিমানেই পূবলৈ আগুৱাই সিমানেই জাকৰ পিছত জাক ধুমুহা ঢেৰেকনিৰ সৃষ্টি হয়। বতৰ বিজ্ঞানত এনে ধৰণৰ শ্ৰেণীবদ্ধ ধুমুহা ঢেৰেকনিক 'লাইনস্কোৱেল' বুলি কোৱা হয়।

উত্তৰ-পশ্চিম ফালৰ পৰা বৰদৈচিলাৰ আগমনৰ আগেয়ে বায়ুৰ গতি দক্ষিণ পূবে বৰদৈচিলাৰ ঠিক বিপৰীতে থাকে। প্ৰথমে বায়ুৰ গতি বাঢ়িলেও গতি মোটামুটিভাবে একেই থাকে। তাৰ পাছত এটা সময়ত হঠাতে দক্ষিণ পূবৰ বায়ুস্ৰোত নিশ্চল হৈ যায়। উত্তৰীয় বতাহো এই সময়ত নবলে। বিৰাট নিস্তব্ধতা বিৰাজ কৰে। কিন্তু পিছ মূহূৰ্ত্ততে আৰম্ভ হয় তীব্ৰ স্ৰোত বৰদৈচিলাৰ দুৰন্ত, প্ৰচণ্ড-প্ৰবল গতি যাৰ তুলনা নাই॥ ●

# অসমীয়া নেপালীসকলৰ চমু ইতিহাস আৰু ধৰ্মীয় উৎসৱ ।

শ্ৰীসঞ্জীৱ ছেত্ৰী
উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক ( কলা )

অতি প্ৰাচীন কালৰে পৰা এখন দেশৰ পৰা অন্য এখন দেশলৈ তুৰ্গম অৰণ্যবৃত্ত পথ অতিক্ৰম কৰি মানুহে প্ৰবৰ্ত্তন কৰি আহিছে। অসমলৈও প্ৰাচীন কালত ভিন ভিন দেশৰ পৰা বিভিন্ন জাতিৰ মানুহে আহি ইয়াত বসবাস কৰিবলৈ লৈ কালক্ৰমত অসমীয়া হৈ পৰিল। বৃহৎ অসমীয়া জাতি গঠনৰ ইতিহাস বিচাৰ কৰিলে দেখা যায় যে অসমীয়া জাতিৰ এক বুজন সংখ্যক জনগোষ্ঠী অতীজতে কনৌজ, গৌড়, নেপাল, শ্যাম, আদি দেশৰ পৰা অহা। বুৰঞ্জীবিদ ৰাইট চাহাবে লিখা মতে কুমাৰ ভাস্কৰ বৰ্মা আৰু পিচত তেওঁৰ পোষ্য পুত্ৰ ভুমি বৰ্মনে নেপালত ৰাজত্ব কৰিছিল। এই কথা আন এজন বুৰঞ্জীবিদ কাল প্ৰসাদ শৰ্মায়ো নেপালৰ ইতিহাস পুথিত ( লিচ্ছবি শাসন-কালৰ আধ্যায় ) উল্লেখ কৰি কৈছে। অসম আৰু নেপালৰ ঐতিহাসিক সমন্ধ সম্পৰ্কে বিষ্ণু প্ৰসাদ ৰাভাই এনেদৰে লিখি গৈছে নেপালৰ লিচ্ছবি বংশৰ ৰজাইও কামৰূপ জীয়াৰী ৰাজ্য সতীক বিবাহ কৰিছিল।

জাতিগতব্যাখ্যাত অসমৰ খ্যাতনামা বুৰঞ্জীবিদ বেণুধৰ শৰ্মাদেৱে উজনি অসমৰ মৰাণ আৰু নেপাল দেশৰ প্ৰাচীন সম্বন্ধৰ আঁত উলিয়াবলৈ গৈ কৈছেমৰাণ; মেৰাঘ, মৰাং, মোৰঙ্গ, মিটাং বা মৰা, গুৰিতে একে জাতিৰ একে ঠাইৰ। কিন্তু নেপালৰ পাদ দেশৰ পৰা আহি ছেদেলি ভেদেলি হৈ পৰাত ঠাই অনুসৰি সলনি হল। আৰু নেপালী জনগোষ্ঠীৰ ৰহি, লিম্বু, গুৰুং, তামাং, মগৰ সকলৰ লগত অসমৰ বড়ো, কছাৰী, মিচিং সকলৰ লগত অনেক ক্ষেত্ৰত পাৰ্থক্য থকা দেখা যায়। আজিৰ অসমৰ নেপালী আৰু অসমীয়াৰ মাজত পাৰ্থক্য নাই বুলি কব পাৰি। সাংস্কৃতিক দিশত আজি কালি প্ৰায় বিলাক নেপালী গাঁৱলৈ লক্ষ্য কৰিলে দেখা যায় যে সংমিশ্ৰণৰ প্ৰক্ৰিয়াৰ বাবেই গীতৰ লগতে আজিৰ নেপালী সকলে বিহু গীত গাই বিহু নাচে।

উৎসৱ — পূৰ্বতে নেপালী সকলৰ সমাজ পূজা বিবাহ আদি সম্পন্ন হৈছিল। আজিৰ অসমীয়া নেপালী সমাজত তেনেধৰণে নাই। বেলেগ হলেওঁ পৰিৱৰ্তিত হৈ অসমীয়া ঐতিহ্য আৰু পৰম্পৰাৰ লগত মিলি যাবলৈ ধৰিলে। ঐতিহ্য আৰু পৰম্পৰাকলৈ নেপালীসকলে বিভিন্ন উৎসৱ আৰু পৰব আদি পালন কৰি আহিছে। এই উৎসৱ পৰৱ আদিৰ মাজেদি নেপালী লোক সংস্কৃতিৰ বিভিন্ন অংগবোৰৰ বিকাশ ঘটিছে। ভাৰতীয় আৰ্য্য সাংস্কৃতিৰ ধৰ্মীয়





উৎসৱ বিলাকৰ ভিতৰত তুৰ্গা পূজা অন্যতম। প্ৰাচীন কালৰ পৰাই নেপালী সকলে অন্যান্য হিন্দু জাতীৰ দৰেই তুৰ্গা পূজাক এক ধৰ্মীয় উৎসৱ ৰূপে পালন কৰি আহিছে। তুৰ্গা পূজাই নেপালী জাতিৰ এক ধৰ্মীয় উৎসৱ হিচাবে জাতীয় চেতনাক উদ্ধুধ কৰি জাতীয় জীৱনত মহৎ কল্যাণ সাধণৰ ব্ৰতত - ব্ৰতী হোৱাৰ শক্তি আৰু একতা প্ৰদান কৰি উন্নতিৰ পথত আগুৱাই লৈ গৈছে। দেৱ দেৱীক পূজা উপসনা কৰাৰ মূলতে মানুহৰ আশা আকাঙ্খা কামনা বাসনা পুৰণ হোৱা। নেপালী সকলে তুৰ্গা পূজাক তেওঁলোকৰ ভাষাত দশাঁই বুলি কয়। মহত্বপূৰ্ণ নাৰী প্ৰধান উৎসৱ তীজৰ পাছতেই " দশাঁই " বা তুৰ্গা পূজা নেপালী সকলৰ এক ধৰ্মীয় উৎসৱৰূপে অনুষ্ঠিত হয়। কথিত আছে যে নেপালীত " দশাঁই " আয়ো খাওলা পিওলা অৰ্থাৎ এই উৎসৱত ধুম - ধামেৰে খোৱা পিন্ধা কৰি ৰং বহইচ কৰিব লাগে। দশাঁইৰ মহত্ব এইয়ে যে যিমানেই তুখীয়ালোক নহওঁক লাগে হেপাহঁ আৰু আনন্দৰে এই পূজাত সকলো সামগ্ৰী সংগ্ৰহ কৰে। শুক্ল প্ৰতিপদৰ পৰা দশমীলৈকে ধুম - ধামেৰে উৎসৱ পালন কৰা হয়। প্ৰতিপদৰ জমাৰে আঁউসী। এই আঁউসীত ঘট স্থাপন কৰি পূজাবেদীত পঞ্চধান ( গোমধান, তিল, যৱ, ঘেহু, ধান ) থৈ দিয়ে। প্ৰতিদিনে গা - ধূই পৱিত্ৰ মনে ইয়াত পানী চটিয়াই আৰু লগতে পূজাও কৰে। দিনে দিনে পঞ্চধান গজালি মেলিব ধৰে। কিন্তু ঘৰৰ ভিতৰত সূৰ্য্যৰ পোহৰ নপৰাৰ বাবে ইয়াৰ বৰণ শেঁতা হয়। অৰ্থাৎ বগা আৰু পোহৰ পৰিব নিদিয়ে, ইয়াকে জমাৰা বোলে। বিজয়া দশমীৰ দিনা ভৱ-ভৱানীৰ প্ৰসাদ ৰূপে ঘৰৰ জেষ্ঠ্যজন বা মুৰবীজনে নিজৰ সন্তান, মিতিৰ কুটুম সকলক দৈ চাউল আৰু লগতে বিভিন্ন ৰং মিহলাই ফোট দিয়াৰ লগে লগে জমাৰা শিৰত দি সৰ্ব্বাতো প্ৰকাৰে জয়ী হবৰ বাবে আশীৰ্বাদ দিয়ে। প্ৰতিপদৰ পৰা মহানৱমী লৈকে নৌৰথ বুলি কোৱা হয়। এই কেইদিনত ধনী তুখীয়া সকলোৱে নিজ নিজ ঘৰ তুৱাৰ চাফ চিকুণ কৰি সজাই পৰাই লয়। সপ্তমী দিনটোক ফুল পাতী বুলি কোৱা হয়। এই দিনা মা ভৱানীৰ পূজাৰ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰা হয়। অষ্টমীৰ দিন বৰ ৰং আনন্দৰ মহত্বপূৰ্ণ দিন। সেইদিনা শক্তিৰ অধিষ্ঠাত্ৰী তুৰ্গাদেৱীৰ আগত পাঠা, হাঁহ আদি বলি দিয়া হয়। আৰু মহানৱমীৰ দিনা চণ্ডীপাঠৰ সমাপ্তি ঘটে। সেইদিনা বৰ আনন্দৰে খোৱা বোৱা কৰা হয়। বিজয়া দশমীৰ দিনা ঘৰৰ জ্যেষ্ঠ জনে নিজ নিজ সন্তান আৰু মিতিৰ কুটুমৰ কপালত দৈ চাউল ৰং মিহলোৱা ফোট দিয়ে আৰু আশীৰ্বাদ দি শিৰত জমাৰা দিয়ে।

দশমীৰ দিনা কপালত ফোট দিওঁতে দিয়া আশীষ বিশেষ শ্লোকৰ দ্বাৰা আৰম্ভ কৰা হয় শ্লোক হল।

" আয়ু দ্ৰোণসুতে শ্ৰেয়ম
শত্ৰু ক্ষয়ম ৰাঘৱে দশৰাষে
ঐশ্বৰ্য্যম নহছে' গতিশ্চ পৱণে,
মানশ্ব তুৰ্যোধনে,
দশম সুযসুত, কলম হলধৰে,
সত্যমচ কুন্তী সুতে ॥
বিজ্ঞানে বিতুৰে প্ৰভু ইতি ভবতাম
কৃষ্ণশ্চ নাৰায়ণ ॥
জয়ন্তী মংগলা কালী ভদ্ৰ কালী পালিনি তুৰ্গাহে মাসিৰা ধাত্ৰৎ সোহাঁ
সোদান, নমস্তুতে !
সৰ্ব মংগলা মংগলীন শিৱে সৰ্বত্ৰ সাধাবন। চৰনম ত্ৰিমক্কে গৌৰী নাৰায়ণ নমস্তুতে দি উৎসৱ বিজয়া দশমীৰ পৰা পূৰ্ণিমালৈকে তুৰ-তুৰণিৰ পৰা টিকা লগাবলৈ অৰ্থাৎ ( ফোট লগাবলৈ ) অহা মিতিৰ কুটুম্ব সকলক টিকা লগাই দিয়াৰ পাছত মান্যজনক দক্ষিণা স্বৰূপে " টকা পইচা " দি সেৱা কৰে আৰু এই নিয়ম চলি আহিছে।

সচাঁকৈ অতদিনে উৰুঙা, - উৰুঙা ৰিঙা-বিঙা লগা প্ৰতিজন নেপালী লোকৰ ঘৰখন অতি আনন্দমুখৰহৈ উঠে। পিতৃ - মাতৃ আৰু নিজ নিজ বংশৰ জ্যেষ্ঠ, কণিষ্ঠ সকলৰ লগত দেখা হলে সকলোৰে অন্তৰখন আনন্দ আৰু গৌৰৱত নাচি উঠে। সেয়ে দুৰ্গাপূজা নেপালীসকলৰ মিলনৰো উৎসৱ। দুৰ্গাপূজাৰ উপৰিও বিষ্ণু, শিৱ, ব্ৰহ্মা, কৃষ্ণ, কালি, ৰাম আদিৰ পূজাৰ বিধান নেপালী সমাজতো বিদ্যমান। সত্যনাৰায়ণ, একাদশী, পূৰ্ণিমা, আঁউসী, অগ্নি, গো, বায়ু, তুলসী, বৰগছ, আহঁতগছ, ব্ৰহ্মপুত্ৰ, গংগা, যমুনা, নৈ আদিৰ পূজাও নেপালী সমাজত প্ৰাচীন কালৰে পৰাই প্ৰচলিত হৈ আহিছে বা ( চলি আছে ) সময়ও স্থান অনুসৰি এই পূজা কৰা হয়। এনে ধৰ্মীয় উৎসৱ সমূহে মানুহৰ মাজত সামাজিক, নৈতিক, আধ্যাত্মিক বাহন ৰূপে কাম কৰে। আৰু একতা, আত্মীয়তা জগাই তোলে। দুৰ্গা পূজাৰ অন্তৰ্নিহিত বৈশিষ্ট্যই যেন জগতলৈ সংহতি কঢ়িয়াই আনে আৰু পৱিত্ৰতা দান কৰে। ●

" মানুহে যেতিয়া পৰস্পৰৰ সৈতে ভয়শূণ্য ভাবে আদান - প্ৰদান কৰিব, ক্ষমতা অৰ্জন কৰিব, তেতিয়াই মানুহৰ যন্ত্ৰণাৰ ভাবো হেজাৰ গুণে উপশম হব " ।

— ছেমুৰেল বাটলাৰ —

এই প্ৰৱন্ধটো খুঁগোতোৱাত বিষ্ণুৰাম থাপাৰ অসমীয়া নেপালীৰ চমু ইতিহাস নামৰ গ্ৰন্থৰ আৰু আলোচনীৰ আলম লোৱা হৈছে।



# তৰুণ চন্দ্ৰ পামেগাম ঃ এটি জীৱন আলেখ্য

ৰণ্জিত কুমাৰ মিলি
স্নাতক চূড়ান্ত বাৰ্ষিক ( বিজ্ঞান শাখা )

অসমী আইৰ সুযোগ্য সন্তানসকলৰ ভিতৰত বাটকটীয়া কবি সাহিত্যিক তৰুন চন্দ্ৰ পামেগামো অন্যতম। অসমীয়া কলা কৃষ্টিক নতুন ৰূপত সজোৱা আৰু অসমীয়া সাহিত্যৰ ভৰাল চহকী কৰি যোৱা এইজন সাহিত্যিক বিয়োগ হয় ১৯৮৩ চনত ৩০ আগষ্টত। আৱাহনৰ যুগৰ অসমীয়া সাহিত্যৰ বিকাশত তেখেতে উল্লেখযোগ্য অৰিহনা আগবঢ়াইছিল। তেখেত একেধাৰে কবি, নাট্যকাৰ, গল্পকাৰ, প্ৰবন্ধকাৰ, উপন্যাসিক, বাতৰি আলোচনীৰ সম্পাদক, অভিনেতা আৰু গীতিকাৰ আছিল।

ৰাৱনা পাৰৰ পৰা ৪ কিলোমিটাৰ নিলগত উত্তৰ পশ্চিমে বৰগঁঞা নামে গাঁৱত ১৯২৪ চনৰ ৩০ ভাদত পামেগামৰ জন্ম হয়। অনেক প্ৰতিকূল অৱস্থাৰ মাজতো তেখেতে শিক্ষা জীৱন আৰম্ভ কৰিছিল নিজ গাঁৱৰ প্ৰাথমিক বিদ্যালয়তে। অৱশ্যে যিমানখিনি পঢ়াৰ সুবিধা দিব লাগে, সিমানখিনি দিব নোৱাৰিলেও পামেগামৰ পঢ়াৰ প্ৰতি ধাউতি দেখি তেখেতৰ পিতৃদেৱে চেষ্টাৰ ত্ৰুটি কৰা নাছিল। আশাপূৰ্ণ উচ্চাভিলাসী পামেগামে তেখেতৰ জীৱনক গঢ় দিবলৈ শিকিছিল পিতৃদেৱৰ মানৱ সেৱাৰ পৰা। ই ভৱিষ্যত জীৱনত যথেষ্ট প্ৰভাৱ পেলাইছিল। অৰ্নগল চেষ্টাৰ ফলত নিজৰ ঘৰুৱা দূৰৱস্থাকো চেৰ পেলাই নিজৰ কামত লিপ্ত হৈ কৃত্তিত্ব অৰ্জন কৰাত সফল হৈছিল। এই বাবেই তেখেতে ষষ্ঠ - মান শ্ৰেণীত পঢ়া কালতেই সেই সময়ত ডিব্ৰুগড়ত প্ৰকাশ পোৱা ( বেনুধৰ শৰ্ম্মাৰ দ্বাৰা সম্পাদিত ) তৰুন অসম সাদিনিয়া কাকতত —

উঠা এটি ক্ষণ।
মিৰি ছাত্ৰগণ
নহ'বা বিমন।

প্ৰথম কবিতা লিখে। তেখেতে সৰুকালৰে পৰা বাংশী বজোৱা, ঢোল বজোৱা আৰু গান গোৱা আদিতো বিশেষ ৰাপ আছিল। হাইস্কুলিয়া অৱস্থাৰ পৰাই পামেগামে কবিতা, প্ৰবন্ধ লিখিবলৈ আৰম্ভ কৰে। ভৱিষ্যতৰ উজ্জল প্ৰতিভা তেতিয়াৰ প্ৰৱন্ধপাতি আৰু কবিতা বিলাকৰ লগতে কলা কৃষ্টিত নিয়োজিত হোৱা কথা বিলাকেই প্ৰমাণ দিয়ে। তেখেতৰ উজ্জল ছাত্ৰ জীৱনো মধুৰ নোহোৱা নহয়। কিন্তু তেখেতৰ উজ্জল প্ৰতিভাক ৰোধ কৰিব নোৱাৰিলেও পিতৃৰ অকাল বিয়োগে তেখেতৰ জীৱনলৈ নানা দুখ বেদনা কঢ়িয়াই আনিছিল। যিখিনিৰ প্ৰভাৱ পৰবৰ্তী জীৱনত পৰিছিল। বহুতো কষ্টৰ মাজেদিয়েই প্ৰৱেশিকা পাছ কৰে যোৰহাট উচ্চ চৰকাৰী ইংৰাজী বিদ্যালয়ৰ পৰা। কিন্তু কলেজীয়া জীৱন আধৰুৱা হৈ ৰল।

পিতৃৰ বিয়োগত মনৰ বেদনাত ছাত্ৰ জীৱন ত্যাগ কৰি বিমান বাহিনীত ভৰ্ত্তি হয়। তাতো তেওঁ শান্তি পোৱা নাছিল। সেইবাবে এই চাকৰীকো ত্যাগ কৰে। ঘৰলৈ ঘুৰি আহি নিবনুৱা অৱস্থাত থাকিব লগা হয়।

পৃথিবীৰ বৃহত্তম দ্বীপ মাজুলীত তেতিয়া স্কুল কলেজ নাছিল। মাত্ৰ টটয়া গাঁৱত এখন মধ্য ইংৰাজী বিদ্যালয় আছিল। সেইবাবে তেখেতে শিক্ষা দীক্ষাৰ ফালৰ পৰা পিছপৰা মাজুলীত আৰু এখন মধ্য ইংৰাজী বিদ্যালয় স্থাপনৰ দিহা কৰিলে। সেই উদ্দেশ্যে উজনি মাজুলীত জেংৰাইমুখ কুমাৰবাৰী মিছিং গাঁৱত এখন মধ্য ইংৰাজী বিদ্যালয় স্থাপন কৰে। পামেগামে তাৰে প্ৰধান শিক্ষকৰ ভাৰ গ্ৰহণ কৰে। অঞ্চলটোৰ উন্নতিৰ বাবে শিক্ষা-দীক্ষাৰ ফালৰ পৰা আগ্ৰহ জন্মাবলৈ কঠোৰ পৰিশ্ৰমেৰে শিক্ষকতা কৰিব লগা হৈছিল। গাঁৱে গাঁৱে দান বৰঙণি বিচাৰি স্কুল গঢ় দিছিল। তেখেতে সেই সময়ৰ যান-বাহন আৰু যাতায়তৰ অসুবিধাৰ বাবে নিজেই ধান, সৰিয়হ, মাহ কাটি কান্ধত তুলি কঢ়িয়াই নিবলৈও কুণ্ঠাবোধ কৰা নাছিল। এনে ধৰণে অসীম যত্নৰ ফলত বিদ্যালয়খন ৰূপ দিছিল। গাঁৱৰ ছোৱালীক স্কুলত পঢ়ুৱাবলৈ অভিভাৱক সকলক অনেক ফুচুলনি দিব লগা হৈছিল। অশেষ চেষ্টা কৰি যেনে আশা কৰিছিল তেনেকৈয়ে পামেগামে প্ৰতিষ্ঠা কৰি থৈ যোৱা বিদ্যালয়খনিৰ পৰা বহুতো মেধাবী ছাত্ৰ ওলাই গৈ অসমৰ বুকুত আদৰণীয় হৈ ৰৈ আছে।

১৯৫২ চনত তেখেতে কুমাৰ বাৰী মধ্য ইংৰাজী বিদ্যালয় এৰি গড়মূৰ মধ্য ইংৰাজী বিদ্যালয়ত ভৰ্তি হয়। গড়মূৰ মধ্য ইংৰাজী বিদালয়ত শিক্ষকতা কৰি থকা অৱস্থাতেই "মিৰি জনসাহিত্যৰ" সম্পৰ্কত গৱেষণা সহায়ক কাম কৰিছিল। ১৯৬২ চনত পুনৰ ৩৮ বছৰ বয়সত মাজুলী মহাবিদ্যালয়ৰ ছাত্ৰ হৈ পৰিল। এই মহাবিদ্যালয়ৰ পৰাই ১৯৬৬ চনত স্নাতক ডিগ্ৰী লয়। মাজুলী মহাবিদ্যালয়ত পঢ়া কালতেই 'সমান্তৰাল' নামৰ একাঙ্কিকা নাটক এখন ৰচনা কৰি শ্ৰেষ্ঠ নাট্যকাৰৰ সন্মান পাইছিল। বি. টি. কলেজত পঢ়া কালতো "ফৰমুলা" নামৰ নাটক এখন লিখি শ্ৰেষ্ঠ নাট্যকাৰ সন্মান কঢ়িয়াই আনিব পাৰিছিল। যোৰহাট উচ্চ ইংৰাজী বিদ্যালয়ত পঢ়া কালত "মিৰি আৰু অসমীয়া ভাষা" নামৰ প্ৰৱন্ধ 'জয়ন্তী'ত প্ৰকাশ পাইছিল। কেৱল এয়ে নহয় 'আৱাহন' আৰু 'জয়ন্তী'ৰ যুগত মিৰি জাতিৰ বিভিন্ন ৰীতি-নীতিৰ ওপৰত লিখা ভালেমান প্ৰৱন্ধ গল্প আৰু কবিতা প্ৰকাশ পাইছিল। 'আৱাহন'ৰ লগতে ওলোৱা 'পাৰিজাত' আৰু 'ৰংঘৰ'তো বহুতো শিশু কবিতা আৰু গদ্য প্ৰকাশ পাইছিল। যোৰহাটত পঢ়ি থাকোতেই বিদ্যালয়ৰ অলোচনী 'জেউতী'ত শ্ৰেষ্ঠ পুৰস্কাৰ পায়। জেউতিত প্ৰথম গল্প 'চকুলো' প্ৰকাশ পায়। তেখেতৰ প্ৰথম কবিতা পুথি 'চকামকা' ১৯৪৭ চনত প্ৰকাশ পায়। 'চকামকা'ৰ সমালোচনা কৰি ডিম্বেশ্বৰ নেওগে কৈছিল -- "লেখকৰ অজ্ঞাতে হলেও ইয়াত এটি সুৰ ধ্বনিত হৈছে, যি সুৰ সত্য আৰু সনাতন।" ইয়াৰ পিছৰ বছৰতে 'নাৰী' নামৰ কবিতা পুথি ছপা হৈ ওলায়। 'নাৰী' পঢ়ি স্বৰ্গীয় চিৰকুমাৰ কবি যতীন্দ্ৰনাথ দুৱৰাই কৈছিল — "নাৰীক তুমি সজাই-পৰাই আটক ধুনীয়া কৰি তুলিছা। "উপচাৰ" নামৰ খণ্ড কবিতা পুথি এখনিত যুগুত কৰিছিল।

১৯৪৫ চনৰ পৰা " আৰোহন নামৰ এখন তিনি মহীয়া আলোচনী সম্পাদনা কৰিছিল। সেই কাল ছোৱাতে সামাজিক উপন্যাস " সমাজৰ শেষ সীমা"ত আৰু জনজাতি সকলক লৈ লিখা ' পাহাৰ পুৰী ' প্ৰকাশ পায়। অৰুণ, পুৰেৰুণ , ' বামধেনু ', 'শান্তিদূত ', দ্বীপক ' আদিতো পামেগামৰ ৰচিত বিভিন্ন গল্প , কবিতা প্ৰৱন্ধ আদি প্ৰকাশ পায়।। গড়মূৰ বিদ্যালয়ত শিক্ষকতা কৰি থাকোঁতে " নুৰ-জাহান " " চান্দচাহাব " আৰু " পপীয়া তৰা " আদি





নাটক ৰচনা কৰে। পপীয়া তৰা যদিও কাল্পনিক নাটক তথাপি ৰচনাৰ ভাৱভঙ্গী, ঘটনাৰ বিশ্লেষণ, চৰিত্ৰৰ ৰূপায়ণ আৰু সংলাপ আদি উচ্চস্তৰৰ নাটক বিলাকৰ লগত তুলনা কৰিব পাৰি। এইবাবে "পপীয়া তৰা" নাটকখন বহুত ঠাইত অভিনয় কৰাৰ সুযোগ পাইছে। 'অমৃত গৰল' নামৰ আন এখন নাটক ৰচনা কৰিছিল কিন্তু প্ৰকাশ নাপালে। পামেগামে তাৰোপৰি কেবাখনো পুথি লিখিছিল বুলি জানিব পাৰি কিন্তু অপ্ৰকাশিত হৈয়েই থাকি গ'ল।

১৯৫০ চনত তেখেতে মিছিং সমাজৰ ওপৰত আলোকপাত কৰি গীত ৰচনা কৰিছিল। এই মিছিং গীত পিছত ছিলছৰ অনাতাঁৰ কেন্দ্ৰত ৰেকডিং কৰে। ছাত্ৰ অৱস্থাত আৰু শিল্পী জীৱনত বহুতো গীতমাত অনাতাঁৰ কেন্দ্ৰত প্ৰচাৰিত হৈছিল। মৃত্যুৰ সৌসিদিনাৰ আগলৈকেও তৰাৱটি মিলি আৰু বিজয়া পায়েংৰ লগত একেসূৰ ধ্বনিত মিছিং গীত বাণীবদ্ধ কৰি যায়। গাঁৱৰ বিহু · পাৰ্ব্বন আদিত মিছিং কৃষ্টি আৰু অসমীয়া কৃষ্টি আদি জীয়াই ৰাখিবৰ বাবে নতুন আৰু পুৰণিৰ সামঞ্জস্য লগাই ন- ৰূপত সজাই বাৰেবৰণীয়া অসমীয়া কৃষ্টিক অধিক চমকপ্ৰদ কৰি তুলিছিল।

তৰুণ চন্দ্ৰ পামেগামৰ প্ৰতিভা সচাঁই বহুমুখী আছিল। তেখেত অকল কবি সাহিত্যিকেই নাছিল। তেখেতে গীত ৰচিছিল, গাইছিল, সুন্দৰ বাঁহী বজাইছিল, এজন ভাল ঢোলবাদক আছিল। সবাতোপৰি তেখেতে আকৰ্ষণীয় নৃত্য জানিছিল। তেখেতক মিছিং গীতৰ জনক হিচাবে আখ্যা দিব পৰা যায়। নাট্যকাৰ হিচাপে পামেগামৰ জীৱনত আমি পাওঁ বিভিন্ন নাটকাৱলীৰ সুন্দৰ ৰচনাৰ মাধ্যম। পামেগামৰ ৰচিত 'সেতু' তেওঁৰ মৃত্যুৰ অলপ দিনৰ আগত ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰত প্ৰচাৰিত হৈছিল। সেই নাটকখনি পামেগামে দুৰাৰোগ্য কেন্সাৰ বেমাৰত ভুগি থকা অৱস্থাতেই জ্যেষ্ঠ পুত্ৰ চণ্ডীৰামৰ হতুৱাই শ্ৰুতলিপি দি লিখাইছিল। বহুতো শ্ৰোতাক সেই নাটকখনিয়ে আকৰ্ষণ কৰিব পাৰিছিল। নাটকখন প্ৰশংসা কৰি বহুতো ( শ্ৰোতাই "আকশ বাণী" কেন্দ্ৰলৈ চিঠি-পত্ৰ লিখি পামেগামৰ পৰা তেনে প্ৰভাৱশালী নাটক বিচাৰিছিল। বিষয় বস্তুৰ ওপৰত সমাদৰ লাভ কৰি নাটকখনে দ্বিতীয়বাৰ প্ৰচাৰৰ সুযোগ পাইছিল।

দেহান্তৰৰ অলপ দিনৰ আগতো তেওঁ সাহিত্য চৰ্চ্চাত এৰাধৰাকৈ লাগিছিল। শ্ৰীচন্দ্ৰ প্ৰসাদ শইকীয়াৰ সম্পাদনাত ওলোৱা ' প্ৰকাশ ' আলোচনীত তেখেতৰ প্ৰৱন্ধ প্ৰকাশ পাইছিল। ১৯৭৬ চনত পামেগামক অসম চৰকাৰে সাহিত্যিক পেন্সন আগবঢ়ায়। ১৯৭৭ চনৰ পৰা ১৯৭৯ চনলৈকে তেওঁ প্ৰকাশনৰ প্ৰচাৰ সমিতিৰ সদস্য ৰূপে জড়িত আছিল। ১৯৭২ চনৰ পৰা ১৯৭৮ চনলৈকে স্থানীয় গড়মুৰ সাহিত্য সভাৰ সভাপতি ৰূপে কাম কৰে। ১৯৭৩ চনত পামেগামক প্ৰথম বাৰৰ বাবে সদৌ অসম সাহিত্য সভাৰ কাৰ্য্য নিৰ্বাহক সদস্যৰূপে মনোনীত কৰা হয় আৰু ১৯৭৪ চনতো একেটা সন্মানকে তেওঁ লাভ কৰে। ১৯৭৫ চনত পামেগামক কাৰ্য্যনিৰ্বাহক সভাৰ উপ-সভাপতি ৰূপে নিৰ্ব্বাচন কৰা হয়। ১৯৮২ চনত ডিফু অধিবেশনত তেখেতৰ নামটো সভাপতিৰূপে তালিকাত অন্তৰ্ভুক্ত কৰা হৈছিল। ১৯৭৫ চনত "গড়মূৰ সাহিত্য সভাই পামেগামৰ প্ৰচীন গল্প আৰু কবিতাবিলাকক গোটাই 'গল্প লেছেৰী' আৰু "কবিতা লেছেৰী" নামে দুখন পুথি প্ৰকাশ কৰি উলিয়ায়। "অসম সাহিত্য সভাই ১৯৭৫ চনত 'মিছিং সাধু' নামেৰে পামেগামৰ সাধুকথাৰ কিতাপ এখন প্ৰকাশ কৰে।

পামেগামৰ শিল্পী সাহিত্যিক জীৱনটোৱে জন সাধাৰণৰ ওপৰত প্ৰভাৱ পেলাইছিল আৰু চেতনাও জগাই তুলিব পাৰিছিল। তেখেতে কেৱল সুকুমাৰ কলাৰ মাজতেই

আৰম্ভ নাথাকি জনগণৰ দৈনিক জীৱনৰ হাঁহি কান্দোনৰ লগত নিজকো সংযোগ কৰাই সেইবোৰৰ পৰা। প্ৰত্যক্ষ অভিজ্ঞতা আহৰণ কৰিছিল আৰু সাহিত্য সঙ্গীতত সেইবোৰৰ বাস্তৱ ৰূপ দিছিল। উল্লেখযোগ্য যে এটি অতি পিছপৰা অঞ্চলৰ পৰা যি সময়ত মাজুলীত শিক্ষাৰ প্ৰভাৱেই নগণ্য আছিল, সেই সময়তে তৰুণচন্দ্ৰ পামেগামে নিজৰ অধ্যৱসায়েৰে পঢ়াশুনা কৰিলে। তেওঁ পাঠ্যক্ৰমৰ কিতাপ কেইখনকে অধ্যায়ন কৰিছিল এনে নহয়। মাজুলীৰ সমাজখন বিশেষকৈ মিছিং সমাজত চলি থকা অনেক নীতি - নিয়ম, পৰম্পৰা কলা - কৃষ্টি - সংস্কৃতি জড়িত বিষয় গভীৰভাৱে অধ্যয়ন কৰিছিল। এটি কৃষ্টিকামী মন, আশা লৈ তেখেতে অনেক প্ৰতিকূল অৱস্থাৰ মাজতো নিজৰ উদ্দেশ্যত হয়তো সফল হ'ল। তেখেতৰ স্বকীয় সৃষ্টি সমূহ সচাঁই অসমীয়া জাতীয় জীৱনৰ বাবে আপূৰুগীয়া সম্পদ। দুখৰ বিষয় তেখেতৰ ভালেকেইখন পুথি অপ্ৰকাশিত অৱস্থাতেই কালৰ বুকুত হেৰাই গ'ল। এই বিশেষ প্ৰতিভা সম্পন্ন ব্যক্তিজনা ১৯৬৯ চনৰ পৰা দুৰাৰোগত ভুগী শয্যাশায়ী হৈ থাকিব লগা হয় আৰু অৱশেষত ১৯৮৩ চনত পৰলোক গামী হয়। মাত্ৰ ৫৮ বছৰ বয়সতেই তেখেত অসমীয়া জাতিৰ মাজৰ পৰা আঁতৰি যোৱাত অসমৰ অপূৰণীয় ক্ষতি হয়। ●

"মানুহে নিজৰ জীৱনত লাভ কৰা সুখ তেওঁৰ নিজৰেই সৃষ্ট অনুভূতি। নিজৰ চেষ্টাৰ বলত মানুহে ইয়াক লাভ কৰে। ই ঐশ্বৰিক বা প্ৰাকৃতিক দান নহয়।"

— চেন - টু - ছিউ।



# "পুৰণি পশ্চিমীয়া সাহিত্যত এভুমুকি"

শ্ৰীমৃদুল শৰ্মা

"মহাকাব্য" বুলিলে আমি সাধাৰণতে হোমাৰৰ 'ইলিয়াদ', 'উডিচি', বাল্মিকিৰ ৰামায়ণ, ব্যাসদেৱৰ মহাভাৰতকেই বুজো। কিন্তু এখন মহাকাব্যৰ কথা আমি চৰ্চা কৰিবলৈ গণ্ডিৰ ভিতৰত আনিব নোৱাৰো। সেইখন হ'ল ইংৰাজী ভাষাৰ প্ৰাচীনতম মহাকাব্য "বেউলফ"। এই মহাকাব্য খনৰ ৰচকৰ নাম আজিলৈকে কোনোৱেই উদ্‌ঘাটন কৰিব পৰা নাই। ইংৰাজ বুৰঞ্জীবিদ "লিগুই কাজামিয়া" আৰু "কম্পটন ৰিকেটে" এই বুলি উল্লেখ কৰিছে যে, "এই কাহিনীটো মানুহৰ মুখে মুখে প্ৰচলিত হৈ আহি এটা সময়ত এইটোৱে এক সংগঠিত ৰূপ পালে"। তেওঁলোকে ধাৰণা কৰে যে এই কাহিনীৰ সময়চোৱা খৃঃ পূঃ সপ্তম শতিকাৰ। এই মহাকাব্যৰ কাহিনীৰ লগত আমাৰ ৰামায়ণ - মহাভাৰতৰ বীৰত্ব - ব্যঞ্জক কাহিনীৰ বহুখিনি সাদৃশ্য আছে বুলি ভাৰতীয় বুৰঞ্জীবিদ সকলে উল্লেখ কৰিছে। এই কাহিনীটোক এই বুলিয়ে মহাকাব্য আখ্যা দিয়া হৈছে কাৰণ ৰামায়ণ - মহাভাৰত বা হোমাৰৰ ইলিয়াদ - উদিচিৰ দৰে গভীৰ ব্যাপ্তি নাথাকিলেও এই বীৰত্ব ব্যঞ্জক গল্প বা কাহিনীটোত মহাকাব্যৰ ভালেখিনি গুণ নিহিত হৈ আছে।

এই মহাকাব্য খনৰ দুটা প্ৰধান পৰ্ব আছে। "জীৱন" আৰু "মহাপ্ৰয়ান"। ইয়াত "বেউলফ" (বিৱলফ) অৰ্থাৎ মূল নায়কক সাধাৰণ মানুহ হিচাপে উপস্থাপন কৰা হৈছে। বেউলফৰ কাহিনীৰ লগত গ্ৰীক উপকথাৰ নায়ক "পাৰ্চীয়ুচৰ" কিছু মিল পোৱা যায়। কাহিনীটো চমুকৈ এনেধৰণৰ —

ডেনমাৰ্ক নামৰ এইখন দেশ আছিল। দেশৰ ৰজাৰ নাম আছিল "হ্ৰথগাৰ" (ৰথগাৰ)। জীৱনৰ শেষ ভাগত এওঁ সাগৰৰ পাৰত এটি বৃহৎ প্ৰমোদ ভৱন নিৰ্মাণ কৰি পাত্ৰ - মন্ত্ৰী সকলৰ সৈতে আনন্দত দিন কটাইছিল। কিছুদিনৰ পাছত কৰবাৰ পৰা গ্ৰেনডেল (গ্ৰেণ্ডেল) নামৰ ভয়ংকৰ ৰাক্ষস আহি ৰথগাৰ ৰজাৰ বিষয়া সকলৰ মাজৰ পৰা কোনোবা এজনক টানি নি ভক্ষণ কৰিলে। এই ভয়ানক দৈত্যটোৰ দেহৰ গঠন আধা মানুহ আৰু আধা পশু। ইয়াৰ পাছত প্ৰতি নিশা গ্ৰেনডেল আহে আৰু এজনকৈ বিয়য়া টানি নি ভক্ষণ কৰেগৈ। এইদৰে ডেৰকুৰি বিষয়া গ্ৰেনডেলৰ পেটত সোমাল। ৰাক্ষসৰ অত্যাচাৰত ৰজা ৰথগাৰ জৰ্জৰিত হ'ল অথচ তাৰ প্ৰতিৰোধ কৰিব পৰা বীৰপুৰুষ এজনো নোলাল। ৰাক্ষসৰ অত্যাচাৰ চলি থাকিল।

অৱশেষত এই খবৰ প্ৰতিবেশী "ডেন" ৰাজ্যৰ ৰাজকোঁৱৰ "বেউলফৰ" কাণত পৰিল। তেওঁ চৈধ্যজন

লগৰীয়াৰ সৈতে আহি ডেনমার্ক পালেহি । নিশা গ্রেনডেলৰ লগত বেউলফৰ তয়ামৗয়া যুদ্ধ হ'ল । কেইবা দিন ধৰি যুদ্ধ চলি থাকিল । অৱশেষত বহু পুৰুষার্থ কৰি বেউলফে গ্রেনডেলৰ এখন হাত কাটি পেলায় । প্রাণৰ মমতাত সি সাগৰ তললৈ বুৰ মাৰে কিন্তু বেউলফে সাগৰৰ মাজভাগতে আকৌ আঘাট কৰাত গ্রেণডেলে প্রাণ ত্যাগ কৰিব লগা হয় ।

আনফালে এই বাতৰি গ্রেনডেলৰ ৰাক্ষসী মাতৃয়ে শুনাৰ লগে লগে প্রতিশোধৰ দাবানলত জ্বলি উঠিল । নিশা ৰাক্ষসী আহি বেউলফৰ লগত ফেপেৰি পাতিলেহি, কিন্তু বেউলফৰ অতুল বিক্রমৰ ওচৰত ৰাক্ষসীয়ে পৰাজয় স্বীকাৰ কৰি সাগৰ তলিৰ দুর্গলৈ পলায়ন কৰিলে । বেউলফে দুষ্ট ৰাক্ষসীক সমূলকে ধ্বংস কৰাৰ অভিপ্রায়েৰে পানীৰ গভীৰ তললৈ যাত্রা কৰিলে । সাগৰ তলিত বহু কষ্ট আৰু অশেষ প্রবন্ধ কৰি বেউলফে ৰাক্ষসীক নিহত কৰে আৰু ঘুৰি আহে । তেতিয়াই দেশ বিদেশ সকলোতে পৰোপকাৰী বীৰ পুৰুষ বেউলফৰ যশস্যা বিয়পি পৰিল । ইয়াতেই মহাকাব্যৰ প্রথম পর্ব শেষ হৈছে ।

মহাকাব্যৰ দ্বিতীয় পর্বত বেউলফে ৰাইজৰ আশীষ লৈ সুদীর্ঘ পঞ্চাশ বছৰ ৰাজ্য শাসন কৰে । এই সময়-চোৱাত বহুতো ঘটনা সংঘটিত হৈ যায় । অৱশেষত বেউলফে এক সাংঘাটিক ড্রেগনৰ লগত যুজিব লগা হয় । এই ভয়ানক দৈত্যটোৰ প্রতি উশাহত মুখ আৰু নাকৰ পৰা জুই ওলাইছিল । যুদ্ধত দৈত্যৰ মৃত্যু হ'ল, কিন্তু দৈত্যৰ মুখৰ পৰা ওলোৱা জুইয়ে বৃদ্ধ বেউলফৰ বর্মভেদ কৰি কলিজাত স্পর্শ কৰাত বেউলফৰ মহাপ্রয়ান ঘটিল । মৃত্যুৰ আগমূহুর্ত্তত বেউলফে গুনমুগ্ধ প্রজাগনক জন্ম-মৃত্যু আৰু দৈৱৰ এৰাব নোৱাৰা সম্বন্ধৰ কথা কৈ যায় ।

'এয়াই বেউলফৰ জীৱন আৰু মহাপ্রয়ান' ।

ইংৰাজী সাহিত্যৰ নিচিনাকৈ গ্রীক সাহিত্যতো এনে ধৰণৰ পুৰণি সাহিত্যৰ ভাণ্ডাৰ পুৰঠ হৈ আছে । তেনে এটা কাহিনী উল্লেখ কৰিছো —

থিব্রচ নামৰ এখন ৰাজ্য আছিল । তাৰ ৰজা আছিল "লাই-আচ" ( Laius ) তেওঁৰ পত্নীৰ নাম আছিল জোকাষ্টা । তেওঁলোকৰ পুত্রৰ নাম আছিল ইদিপুচ বা অডিপাচ [ Oedipus ] অডিপাচৰ জন্ম হোৱাৰ পাছ-তেই 'আৰকোল' নামৰ এজন দৈৱজ্ঞই লৰাটোক চাই ভৱিষ্যতবাণী কৰিলে যে এই লৰাটিয়েই এদিন বাপেকক বধ কৰিব আৰু মাকক বিয়া কৰাব । তেতিয়া ৰজাই লৰাটোক মাৰি পেলাবলৈ কটোৱালক আদেশ দিলে । কিন্তু কটোৱালে লৰাটোক বধ নকৰি হাবিত পেলাই দিলে । ঘটনা ক্রমে "কৰিন্থৰ" দেশৰ ৰজা ৰানীয়ে লৰাটি পাই তুলি-তালি ডাঙৰ-দীঘল কৰিলে । লৰাটো ডাঙৰ দীঘল হৈ কৰিন্থৰ ৰজা ৰানীকেই মাক-দেউতাক বুলি ভাবিলে, কিন্তু লৰাটি অর্থাৎ অডিপাচে ভৱিষ্যদ্বানীৰ দ্বাৰা জানিলে যে তেওঁ বাপেকক হত্যা কৰিব আৰু মাকক বিয়া কৰাব । যিহেতু কৰিন্থৰৰ ৰজা-ৰাণীকেই মাক-বাপেক বুলি জানিছিল গতিকেই তেওঁ মাক-বাপেকৰ ৰাজ্যত নেথাকো বুলি কৰিন্থ এৰি গুচি যায় । কিন্তু ঘটনাৰ পাকচক্রত থিব্‌চ ৰাজ্যৰ ফালে গ'ল । বাটত গৈ থাকোতে আচল বাপেক লাই-আচৰ লগত সংঘর্ষ হয় আৰু অডিপাচে বাপেকক বধ কৰে ।

এনেতে অডিপাচে শুনিলে যে থিব্রচ ৰাজ্যত "স্ফীঙ্কচ্" ( Sphinx ) নামৰ এজনী ৰাক্ষসীয়ে সাঁথৰ এটা ভাঙিবলৈ দি শুদ্ধ উত্তৰ দিব নোৱাৰাৰ বাবে বহুতো বাটকৰাক বধ কৰিছে । তাকে শুনি অডিপাচ স্ফীঙ্কচ্ ৰাক্ষসীৰ ওচৰ পালেগৈ । আন আন বাটকৰাৰ নিচিনাকৈ ৰাক্ষসীয়ে অডিপাচকো সাঁথৰটো সুধিলে —





"কোন জীৱ সৰুতে চাৰিঠেঙীয়া
ডাঙৰত দুঠেঙীয়া আৰু
বুঢ়া হলে তিনি ঠেঙীয়া হয়" ।

এই সাঁথৰটোৰ উত্তৰ দিব নোৱাৰাৰ বাবেই বহু-লোকৰ ৰাক্ষসীৰ ওচৰত মৰণ হৈছিল । কিন্তু অডিপাচৰ তেনে নহল । তেওঁ তৎক্ষণাৎ উত্তৰ দিলে — "মানুহ" । স্ফীঙ্কচ্‌ৰ ইন্দ্রিয় কপি উঠিল । অডিপাচক দেৱতা বুলি ভাবি পলাব খুজিলে, কিন্তু অডিপাচে অস্ত্রৰে আঘাট কৰি ৰাক্ষসীক বধ কৰে । এই কথা গম পাই থিব্রচৰ প্রজাই অডি-পাচক সা-সন্মানেৰে ৰাজ্যলৈ লৈ আহে আৰু থিব্রচৰ ৰজা হবলৈ অনুৰোধ কৰিলে । থিব্রচৰ প্রজাই জানিছিল যে তেওঁলোকৰ ৰজা "লাই-আচক" কোনো অজ্ঞাত ব্যক্তিয়ে হত্যা কৰিছে । গতিকে তেওঁলোকে অডিপাচক ৰজা হোৱাৰ প্রস্তাৱ দিলে ।

অৱশেষত অডিপাচ থিব্রচ্‌ৰ ৰজা হ'ল আৰু আগৰ বিধবা ৰাণী অর্থাৎ মাক জোকাষ্টাক অজ্ঞাতে বিয়া কৰায় । অর্থাৎ আৰকোলৰ ভৱিষ্যত বাণী ফলিল ।

কিন্তু কিছুবছৰৰ পাছত দৈৱজ্ঞ "আৰকোল" থিব্রচ্ ৰাজ্যলৈ আহি অডিপাচক দেখি সত্য ঘটনাটো ব্যক্ত কৰিলে । অডিপাচে শোকত ৰব নোৱাৰি নিজৰ চকু দুটাকে কণা কৰিলে আৰু উন্মাদ হৈ হাবিলৈ গুচি গ'ল ।

এয়াই অডিপাচৰ কাহিনী, পুৰণি কাহিনী সমূহৰ ভিতৰত ই এটা অতি দুখ লগা কাহিনী ।

ইংলেণ্ডৰ পুৰণি কাহিনী সমূহৰ ভিতৰত ৰজা আর্থাৰৰ দিনৰ কাহিনীবোৰ বৰ মনোৰম । এই কাহিনী সমূহ অনুমানিক অষ্টম শতিকাৰ । ৰজা আর্থাৰৰ ৰাজ সভাত ১৫০ জন বীৰ যোদ্ধা ( Knight ) আছিল । ৰজা আর্থাৰৰ কাহিনী সমূহৰ ভিতৰত "চাৰ গৱেইন এণ্ডগ্রীণ নাইট" অতি মনোৰম । বিশিষ্ট কথন ভংগী, কাহিনী আৰু চৰি-ত্রাংকনৰ দিশৰ পৰা সেই সময়ৰ সকলো কাহিনীৰ ভিতৰতে উত্তম আৰু জনপ্রিয় । কাহিনীটো চমুকৈ এনেধৰণৰ —

বৰদিনৰ দিনা ৰজা আর্থাৰ নিজৰ নাইট সকলৰ সৈতে ঘুৰণীয়া মেজত বহি আছিল । এনেতে সেউজীয়া সাজ পিন্ধি সেউজীয়া ঘোঁৰা এটাত উঠি এজন দীর্ঘদেহী যোদ্ধা আহি উপস্থিত হ'ল । তেওঁক সকলোৱে আসন গ্রহণ কৰিবলৈ অনুৰোধ কৰিলে । কিন্তু যোদ্ধাজনে এক অদ্ভুত প্রস্তাৱ উথাপন কৰিলে । তেওঁ সভাসদ সকলক যুদ্ধলৈ আহ্বান কৰিলে । তেওঁ চর্ত বান্ধি দিলে যে যিজন নাইটে তেওঁক কুঠাৰেৰে শিৰচ্ছেদ কৰিব পাৰিব সেইজনে এবছৰৰ মূৰত তেওঁৰ ( সেউজীয়া যোদ্ধাৰ ) ওচৰত প্রতি যুদ্ধ বাবে উপস্থিত হবগৈ লাগিব । এই প্রস্তাৱত সকলো আচৰিত হ'ল, এবাৰ শিৰচ্ছেদ হোৱাৰ পিছত তেওঁ কেনেকৈ পুনৰ যুদ্ধ কৰিব ।

ৰজা আর্থাৰৰ এজন নাইটৰ নাম আছিল চাৰ গৱেইন । তেওঁ এই অদ্ভুত প্রস্তাৱটোৰ প্রত্যাহ্বান জনাই আগবাঢ়ি আহিল । তেওঁ কুঠাৰেৰে সেউজীয়া যোদ্ধা জনক শিৰত আঘাট কৰিলে আৰু শিৰ মাটিত সৰি পৰিল । বিস্ময় সহকাৰে সকলোৱে লক্ষ্য কৰিলে যে সেউজীয়া যোদ্ধা-জনে সৰি পৰা নিজৰ মূৰ নিজে তুলি ঘোঁৰাত উঠি গুচি গ'ল ।

এবছৰৰ মূৰত চাৰ গৱেইনে প্রতিজ্ঞা ৰক্ষা কৰি যোদ্ধাজনক বিচাৰি ওলাল । বহু বাট অতিক্রম কৰাৰ পাছত এজন অভিজাত বংশীয় যোদ্ধাৰ মনোৰম অট্টালিকা

এটিত উপস্থিত হৈ তাতে অতিথিৰূপে তিনিদিন কটালে। গৃহস্থই তৰুণী গৃহপত্নীক অতিথি সংকাৰৰ বাবে ঘৰত ৰাখি পুৱা ভাগতেই চিকাৰলৈ ওলাই যায়। অতুলনীয় সংযম আৰু দৃঢ়তাৰ বলত চাৰ গৱেইনে তৰুণী গৃহপত্নীৰ প্ৰলোভনক জয় কৰে। কিন্তু চাৰ গৱেইনে ঘোঁৰা শালত এটা সেউজীয়া ঘোঁৰা দেখি বুজিবলৈ বাকী নাথাকিল যে তেওঁৰ লগত ষড়যন্ত্ৰ কৰা হৈছে। আচলতে গৃহস্বামীজনেই যে সেউজীয়া নাইট সেই কথা গম পাই চাৰ গৱেইন সাৱধান হ'ল। কিন্তু গভীৰ ৰাতি সেউজীয়া নাইটজন আহি চাৰ গৱেইনৰ মূৰত কুঠাৰেৰে আঘাট কৰিলে। কিন্তু আচৰিত কথা যে সামান্য আচোৰ এটাৰ বাদে গৱেইনৰ বিশেষ একো অনিষ্ট নহল। তেতিয়া চাৰ গৱেইনে ওলোটাই সেউজীয়া নাইটক আঘাট কৰাত তেওঁৰ শিৰ আকৌ সৰি পৰিল। কিন্তু এইবাৰ যোদ্ধাজনে নিজৰ শিৰ তুলি লব নোৱাৰিলে। তেওঁ গোটেই শৰীৰটোৰে মাটিত বাগৰি পৰিল। চাৰ গৱেইন জয়ী হৈ দেশলৈ ঘুৰি আহিল।

এয়াই "চাৰ গৱেইন এণ্ড গ্ৰীণ নাইট" নামৰ অদ্ভূত কাহিনীটো।

এনেকুৱা আৰু বহুতো আলোচ্য সাহিত্য পুৰণিতে পশ্চিমত সৃষ্টি হৈছিল। যিহেতু সকলোবোৰ উল্লেখ কৰিবৰ সম্ভৱ নহয় কাৰণ বহুতৰোৰ বুৰঞ্জীয়ে ঢুকি নোপোৱা। গতিকে জ্ঞানৰ গণ্ডিৰ ভিতৰতেই এই তিনিটা কাহিনী উল্লেখ কৰিলো। ★



সগায় লোৱা গ্ৰন্থ সমূহ :-
ৱিলডু - ৰাণ্টৰ — The Story of Civilization ( Ist Part ) আৰ্নল্ড টয়নবী — A Story of History ( Ist Part ) আব্দুছ ছাত্তাৰ — প্ৰসঙ্গ কোষ।
কুতুবুদ্দিন আহমেদৰ — ইংৰাজী সাহিত্যৰ চমু বুৰঞ্জী।



# কবিতা

সুকুমাৰ কলা সমূহৰ ভিতৰত কবিতাই শ্ৰেষ্ঠ। ই হ'ল মানৱ হৃদয়ৰ সুসৱগঠিত এক শিল্প, বিচিত্ৰ কাৰুকাৰ্য্য। আধুনীক অসমীয়া কবিতা সমূহত মনৰ জোখাৱে জীৱন্ত হৈ উঠে জীৱনৰ মূল্যবোধ, সমাজৰ নিৰৰ্থক চিত্ৰকল্প, ভোগজৰাৰ প্ৰেমৰ মদিৰা, পানী পানী বুলি হাবাথুৰি খোৱা মৰুভূমিৰ পথিকৰ খবৰ, দলিত-অৱহেলিত নিষ্পেষিত জীৱনৰ স্কেচ্; য'ত কবি হৈ পৰে সমাজৰ বিবেক।

## জীয়াই থকা প্ৰতিশ্ৰুতি

শ্ৰীমতী মুন দাস
স্নাতক মহলা ১ম বাৰ্ষিক ।

কৰিছিলো বহু কল্পনা
জীয়াই থকা প্ৰতিশ্ৰুতিৰে,
আকিছিলো বহু ছবি
কল্পনাৰ আৱেগত
শুভৰাত্ৰি সোনালী পোহৰৰ মাজত ।
পোৱা নোপোৱা বেদনাৰে
বুকুত এবোজা প্ৰশ্ন লৈ
কৰিছিলো বহু কল্পনা
কিন্তু হায় !
ছিন্ন-ভিন্ন হল মোৰ বহুতো আশা ।
নিয়ৰৰ দৰে নিগৰি নিগৰি
সৰি পৰিল আশাৰ প্ৰেৰণাবোৰ,
তথাপিও মই জীয়াই আছো
জীৱন নামৰ নদী খনত ।
ধ্বংসৰ ইতিহাস ভঙা গঢ়াৰ বেদনা
বুকুত সামৰি আছো মই বৈ,
মাথো জীয়াই থকা প্ৰতিশ্ৰুতিৰে
কিজানিবা হয় যদি স্মৃতিৰ
ৰঙীন স্বপ্ন বাস্তৱত পৰিণত ।

# অস্তিত্ব

❖ ❖ ❖ ❖ ❖

শ্ৰীহৰেণ কুমাৰ দাস
বি, এ, দ্বিতীয় বাৰ্ষিক ( কলা )

হাতৰ মুঠি এতিয়াও শিথিল হোৱা নাই
নিচানো সেইদৰেই স্থিৰ । —
আমি লুইত পৰীয়া,
নে কলং পৰীয়া,
নে শৰাই ঘটীয়া ??
এৰা —
আমি ত্যাগত তৃপ্তি পোৱা
লুইত পৰীয়া ।
দিখৌ, দিহিং,
ধনশিৰী, সোৱনশিৰি,
তেজেৰে প্লাৱিত হৈ
যায় যদি বৈ যাওক
কোনোবা এস্নুঁতি ।
আদেশ দিয়া বাকি দিওঁ —
এবুকু তেজ !
নহলে যে —
অস্তিত্ব অস্তাচলত !!

❖ ❖ ❖





# এইখন মোৰ দেশ মোৰ জন্মভূমি

❖ ❖ ❖ ❖ ❖ ❖ ❖ ❖ ❖

শ্ৰীঅতুল গগৈ
স্নাতক মহলাৰ তৃতীয় বাৰ্ষিক, ( বিজ্ঞান )

এইখন মোৰ দেশ মোৰ জন্মভূমি
য'ত উপজিয়ে চিঞৰি উঠিলো অস্ফুট ভাষাৰে
ৰত্নগৰ্ভা পবিত্ৰ জন্মভূমি মোৰ প্ৰাণৰ
ইয়ে মোৰ কত জনমৰ ॥
আজি এই দেশতেই নিঃকিন দীনহীনৰ মেলা বহিছে
শান্তি সম্প্ৰীতি আৰু জনগণৰ মৈত্ৰী বিচাৰি
চকুৰ পানীৰে অস্ত্ৰ সাজি সৰ্ববাপী
অনাদৃত জীৱন বোধৰ যুক্তি বিচাৰি ॥
কত যে কিমান হিলদল ভাঙি বেহা চলিছে
অত্যাচাৰী, ঠগ প্ৰৱঞ্চক নৰাধমৰ
নিৰিহ জনগনৰ বুকুভাঙি ভেজপিয়া চয়তান
কৰিছা বেহা মাথো ৰক্তাক্ত নৰ পবিত্ৰ আত্মা ॥
নাই আজি ভ্ৰাতৃত্ব মৰম স্নেহ, শাৰদীয় আকাশ
নাই পথাৰৰ গেৰুৱা তুলিকাত সোনালী ধান,
আছে মাথো যন্ত্ৰণা ক্লিষ্ট আৰ্ত্তস্বৰ ভগ্ন হৃদয়
বৰেণ্য অৰণ্য অশুচি বনাগ্নিৰে পূৰ ॥
জ্বল, আজি জ্বল উঠক দাবাগ্নি
গগন চুম্বী নিখিল নৰক কুণ্ড
দীনহীন নিঃকিন, উচ্চ-নীচ ভেদা-ভেদ পাহৰি
ভস্মীভূত হওঁক মোৰ জন্মভূমি ॥
হায় ম্লানিতা, লাঞ্ছিতা জন্মভূমি
আজি পাতিলে শ্মশান মেলা
উল্লাস উদং কৰি
সেই দুৰ্বোধ্য দুৰন্ত দালাল, চয়তানৰ বজ্ৰাঘাতে ॥
সিহঁতক; সিহঁতক নকৰিবা ক্ষমা
পুৰি নিঃশেষ হওঁক যথাসৰ্বস্ব ৰৌদ্ৰ লালসা
ৰাখা প্ৰভু কেৱল এই পবিত্ৰ সদ্যজাত শিশু
সেই সকলে ওৰেজীৱন কৰিব আৱতি
"এইখন মোৰ দেশ মোৰ জন্মভূমি" বুলি ॥

❖ ❖ ❖

# দুঃসময়ৰ কবিতা

*******

কুমাৰ সূৰ্য্য
স্নাতক চূড়ান্ত বৰ্ষ ( ক'লা )

খট ... ... ... খট ... ... ... খট
তেজীঘোঁৰা দৌৰাৰ শব্দ
বাজি ৰয় মোৰ হৃদয়ত
কোনোবা অচিন সৈন্যৰ
দিগ্বিজয়ৰ উল্লাহ যাত্ৰা
যেন পাৰ হৈ গল
মোৰ বুকুয়েদি ... ... ... ... ।

চাৰিও ফালৰ ডাষ্টবিন বোৰ
এতিয়া উদং
এদল ভোকাতুৰ সৈন্য
যেন পাৰ হৈ গ'ল নগৰেদি
( যেন ) হাতত ডাষ্টবিনৰ পেলাই দিয়া
রুটি বোৰ ... ... ... ... ... ... ... ।

( এতিয়া ) নীৰব ৰাজপথত বাজি উঠে
বুট জোতাৰ গধুৰ শব্দ
অসহায় নাৰীৰ চিঞৰক
তল পেলায় ভাঁহি আছে
পৈশাচিক হাঁহি
যেন একোটা বন্দুকৰ গৰ্জন ॥





# আত্মাৰ সন্ধান

শ্ৰীমাধুৰ্য্য গোহাঁই
বি, এচ, চি তৃতীয় বাৰ্ষিক

" ক'ত জনক কন্দোৱাই আজি
জাতিৰ ধৰুৱা হলো "।
" জাতিৰ কাৰণেই আজি
শ্বহীদ আখ্যা পালো "।
" ভাবিছিলো বহুত মই
জাতিৰ উন্নতিৰ বাবে, "
" আধাকৰা হল সিবিলাক
জাতিৰ শত্ৰুৰ বাবে "।
" দিলো দায়িত্ব বন্ধু
মোৰ আধকৰা খিনি, "
" আছে ধাৰণা মোৰ
তোমাৰ প্ৰতি "।
" বিছৰা নাই মই
তোমাৰ ৰঙীন পৰিচয় "
" বিচাৰিছো মাথো তোমাৰ
বীৰৰ পৰিচয় "।
" যদি হে প্ৰয়োজন হয়
সহস্ৰক দিয়া আশ্ৰয় "
" পাপ নহয় বন্ধু
আছে তাত জাতিৰ পৰিচয় "।

## সন্তান স্বদেশৰ

শ্ৰীপ্ৰভাত জ্যোতি দেউৰী
স্নাতক দ্বিতীয় বাৰ্ষিক ( কলা )

আই গৰ্ভত সি নিৰৱে শুই আছিল
সপোন দেখিছিল
এখন পৃথিবী,
এছমকা পোহৰ,
এচাটি বা
আৰু নিলাভ এখন আকাশ।
আইৰ গৰ্ভৰ চিনাকী গোন্ধ লৈ
জন্ম হল তাৰ
এতিয়া নোসোধে সি
কোন তাৰ পিতৃ।
হব পাৰে সি সন্তান কোনো সুপুৰুষৰ !
হব পাৰে সি সন্তান কোনো কাপুৰুষৰ !
কোনো বিদ্ৰোহী পলাতকৰ !
হয়টো কোনো স্বদেশ প্ৰেমীৰ।
কাৰণ বহুবাৰ
ইতিহাসৰ পাতত লিখা হল
প্ৰেমৰ, বিচ্ছেদৰ, বিশ্বাসঘাটকতাৰ
আৰু ধৰ্ষণৰ কাহিনী।
তথাপি সি সন্তান
পোৱাৰ নিয়ৰত ওপজা
সন্তান স্বদেশৰ !!!
তুমি যদি সন্তান হোৱা স্বদেশৰ
মনত ৰাখিবা !!
এতিয়া প্ৰগলভ নেতাৰ বাণী শেষ হল,
বিবৃতি আৰু বক্তৃতাৰ পাণ্ডুলিপি পৰি ৰ'ল
সেয়া আছিল বুদ্ধিজীবি অসমীয়াৰ দুৰ্ভাগ্য।
কাৰণ এতিয়া শেষ হল কথাৰে বিপ্লৱ কৰা
নীল শিয়ালৰ নিচক ধূৰ্তালী,
আৰু শেষ হল এতিয়া
বক্তৃতাৰে মুখৰ কৰি তোলা মুহুৰ্তবোৰ।
আৰু দেখা গল সংগ্ৰামী
এইচাম মানুহৰ প্ৰকৃত স্বৰূপ।
চোৱা !!
আত্ম দীপৰ জ্যোতিত উদ্ভাসি উঠিছে
এদল নতুন পুৰুষ যাৰ ইস্পাত কঠিন।
দৃঢ় মুখাবয়ৱত পৰিস্ফুট হৈছে
নতুন যুগক স্বাগত জনোৱা
নতুন প্ৰস্তুতি
তুমিও স্বাগতম জনোৱা হে নতুন পুৰুষ।
তোমাৰো সৃষ্টি স্বদেশৰ বাবে
তোমাৰ লগত কেৱল মহাত্মাৰ অহিংসা
কিয় সুভাষৰ অহিংসাও।
ভয় নাই !! তুমি লাচিতৰ উত্তপ্ত তেজ থকা
সন্তান স্বদেশৰ ( অসম )।





## সৎকাৰ

শ্ৰীযতীন গগৈ
স্নাতক মহলা দ্বিতীয় বাৰ্ষিক ( বাণিজ্য )

এজাক শগুণ
এটা মৰা শ
শ টোৰ শিতানত
বহি আছে সেইজন
সেইজন কোন ?
কিয় শটো ভক্ষণ কৰিবলৈ দিয়া নাই সি ?
শগুণ জাকেও
শটোৰ কাৰণে বহি আছে
সিহঁতেও ভক্ষণ কৰাৰ চেষ্টা চলাইছে।
নিশ্চয় ইয়াত হেতু আছে।
কি হেতু সকলোৱে জানে
মইও জানো
মই জানোযে তাক বিচাৰ লাগে
বিচাৰ ? বিচাৰ কৰিব কোনে
ৰাইজেনে, আদালতে ?
ৰাইজে বিচাৰ কৰিব কিয় ?
আদালত আছে,
আদালতে বিচাৰ কৰিব কিয় ?
টকা নাপালে,
তেন্তে বিচাৰ কৰিব কোনে ?
সেই ভোকাতুৰ শগুণ জাকে,
ই কেতিয়াও হব নোৱাৰে,
এইটো মানুহৰ শ,
ইয়াক সংকাৰ কৰিব লাগে।

## কেইটিমান সৰু কবিতা

*******

শ্ৰীকল্যান কুমাৰ হাজৰীকা
বি,এচ,চি, ৩য় বাৰ্ষিক ।

( ১ )

মনবোৰ জাগ্ৰত আগ্নেয়গিৰি কৰা
চৌদিশে চিটিকি পৰক লাভা,
প্ৰতিজন শোষকৰ কোষে কোষে ।

( ২ )

হাঁহিবোৰ বজ্ৰ হবলৈ দিয়া
ইতিহাসও নিচিহ্ন হৈ য'ক,
ক্ষমতা লোভীৰ লোভী মনবোৰ ।

( ৩ )

কথাবোৰ হাঁতিয়াৰ বনোৱা
প্ৰত্ন প্ৰস্ত যুগৰ মানৱে
শিলাস্ত্ৰ বনোৱাৰ দৰে ।

( ৪ )

চিন্তাবোৰ বাৰুদ কৰা
বিদীৰ্ণ হৈ য'ক,
দুস্কৃতিকাৰীৰ প্ৰতিটো অংগ ।

( ৫ )

বিবেকক ধুমুহা হবলৈ দিয়া
উভালি পৰক
দুৰ্নীতিৰ বিষ বৃক্ষ ।

( ৬ )

সম্প্ৰদায় বোৰক মানুহ কৰা
বিলুপ্ত হৈ য'ক,
সাম্প্ৰদায়িক সংঘৰ্ষ ।





## মুক্তিৰ ক্ষণগণি

শ্ৰীপ্ৰমোদ আৰন্ধৰা
স্নাতক তৃতীয় বাৰ্ষিক ( বিজ্ঞান )

সিহঁতবোৰ ক্ষণ গণি আছে মুক্তিৰ তাড়নাত
আৰু কিমান দিন বাটচাৱা,
তেজৰ নৈ বোৰ কবাঁল বান্ধিলে,
কিন্তু, কিবা জানো সিহঁতে মুক্তি পালে,
ক'ত জনে অশ্ৰুৰ টোপাল পেলাই আছে নিৰৱে,
শান্তনাবোৰে বাৰু কিমান সাৰ্থকতা পালে,
জীয়াই থকা দিনবোৰত সিহঁতৰ আশাবোৰ আছিল বিশাল,
আৰু আজি ? কি ভীষণ নীৰবতা !
সিহঁতক বিছাৰ লাগে, সিহঁতৰ আত্মাৰ সদগতি লাগে,
সিহঁতৰ মাথো চিহ্ন ৰাখি গল অসমৰ প্ৰান্তে প্ৰান্তে
কিন্তু জানো চিনি পালে সিহঁতক আৰু সিহঁতৰ সংগ্ৰামী মনবোৰক,
আজি যেন বৰ্ণধাৰ সকলৰ ওচৰত সিহঁত বন্দী,
মুক্তিৰ ক্ষণ গণি আছে, সিহঁতে বহু আশাৰে,
পঙ্গু, সংগ্ৰামী জনতাৰ দেহৰ প্ৰহাৰ বোৰ
ইমান সোনকালে মচি গ'ল,
নহয় পাহৰণিৰ গৰ্ভত সিহঁতক হেৰাই যাবলৈ এৰি দিব নোৱাৰো,
তাৰ উচিত প্ৰাপ্য ওঁ উচিত বিচাৰ লাগে,
জীৱন অকল জীয়াই থকাৰ বাবে নহয়'
জীৱনৰ প্ৰকৃত মূল্য শেষ ৰক্তদান দি,
উচিত সভ্য, অঙ্গীকাৰ প্ৰতিষ্ঠা কৰা,
সেইয়াই আমাৰ কাম্য আৰু আত্মাৰ চিৰশান্তি ।

## স্বাধীনতাৰ অৰ্থ

*****

শ্ৰীঅনিল চাংমাই
স্নাতক ২য় বাৰ্ষিক ( বাণিজ্য )

মৃত্যুৰ বিভীষিকাই যেন আগুৰি ধৰিছে
ধৰিত্ৰীৰ শুকান বক্ষ
কাণ পাতি শুনিলে আজিও শুনিবা
শোষিত নিষ্পেষিত জনৰ করুণ আৰ্ত্তনাদ
মানৱতা, বিশ্বাস, মহানুভূতিশীলতা আদি হৈ পৰিছে
কেৱল অভিধানৰ একো একোটা শব্দ
ইহঁতৰ মৃত্যুৱে মানৱ সমাজক কৰি তুলিছে
হিংস্ৰ আৰু স্বাৰ্থপৰ
ৰাজপথৰ দাঁতিত আজিও দেখিবা
ভগ্ন হৃদয়ৰ কত নৰ-নাৰী
ভৱিষ্যতহীন শিশুবিলাকে তৃষ্ণাদূৰৰ ব্যৰ্থ চেষ্টা চলাইছে
মাকৰ শুকান বক্ষ টানি
অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ বাবে সিহঁতে হাবাথুৰি খাইছে
এখনি ভগ্ন হৃদয়ৰ এটি তপত হুমুনিয়াহেৰে
সিহঁতে আজিও চলাই যায় জীয়াই থকাৰ অবিৰত সংগ্ৰাম
অথচ সিহঁতেও হেনো পাইছিল স্বাধীনতা আজি '৪২ বছৰৰ আগেয়ে ।







## নাম মোৰ " ডিব্ৰু "

শ্ৰীদ্বিজেন শইকীয়া
স্নাতক তৃতীয় বাৰ্ষিক ( বিজ্ঞান শাখা )

উনৈশ শ তেষষ্ঠি ' চন
শিক্ষাৰ জগতত জ্বলিলে এগছি প্ৰদীপ
নগৰৰ একাষত বৈৰাগী মৰি
স্থাপিত হ'ল এটি শিক্ষাৰ আলয় ॥
বিজ্ঞান কলা আৰু বাণিজ্য
প্ৰদীপৰ পোহৰে আলোকিত কৰিলে
জ্ঞান মন্দিৰ ডিব্ৰুক কৰি মহীয়ান
ডিব্ৰুৱে জন্ম দিলে পঁচিশটা বৰ্ষও
কতজন আমাৰেই মহা ভাগ্যৱান ॥
ডিব্ৰু ,
শিক্ষাৰ জগতত এটি নতুন সূৰুয
কত অমাবস্যাৰ ডাৱৰ ফালি
দিছে জ্ঞান আমোদৰ নতুন সন্ধান ॥
অজ্ঞানীক জ্ঞানী কৰিছা
সম্প্ৰীতি এনাজৰি তুমিয়ে বান্ধিছা
জাতি , বৰ্ণ , ধৰ্মৰ প্লাবিত ভাঙি
আমাক তুমি মহান কৰিছা
ঘাত প্ৰতিঘাত তুমি কতনো ভুগিছা
নিশাৰ নিৰবতাত তুমি উচুপি কান্দিছা
কেৱল মাত্ৰ অভাৱৰ বাবে ॥
অভাৱ অভাৱ কেৱল অভাৱ !
তোমাৰ নিঃস্বাৰ্থ সেৱাৰ কথা মনত ৰব
প্ৰতিজন নৱ আলোকৰ
যাক তুমি জ্ঞান দিলা
যাক তুমি বিদ্যা দিলা
যাক তুমি মানুহ সাজিলা ॥
সেই সকলে সোঁৱৰিব
তোমাক জনাব স্বাগত
জয়তু ডিব্ৰু মহাবিদ্যালয়
জয়তু ডিব্ৰুয়ান ॥

## এটা ঘোৰাৰ মৃত্যুত ঃ—

শ্ৰীসঞ্জীৱ কুমাৰ দত্ত
স্নাতক ২য় বৰ্ষ (কলা)

ইবচেনৰ ৱাইল্ড ডাক'ৰ ডেউকাত গুলি লগা হাহটোযে
ঠিক তাৰ দৰে
এই ঘোঁৰাটোৰ হৃদয়ত মৃত্যু আৰু সুন্দৰৰ মহাসভা বহিছিল ।
আইতাৰ গৰ্ভেৰে এই ঘোঁৰাটো এদিন আহিছিল দেউতা
হিউৱেনচাং, ইউক্লেটিক্সৰ ৰজা আৰু বহু নাম নজনা লৰাৰজা ।
সিহঁতৰ ৰক্ত ধমনীৰ অলিয়ে গলিয়ে যি চেকুৰিছিল
তাৰ বেদনাৰ আঁহে আঁহে ৰঙাকে তৰাবোৰ
ৰঙানদীৰ সোণবোৰ
লাজ লাজ বহুতেই সাগৰ তালৰ সাঁচে সাঁচে ৰাখিছিল
মেঘৰ চোতালেৰে তাৰ পিঠিত উঠি এদিন ৰজা গৈছিল
গোটেই বতাহতে জাননী মাৰি দিছিল —
এই ঘোঁৰাটোতে উঠি হেনো ৰজা আহিব
আইজনীৰ বিনিময়ত দেউতাক ৰজাই ঘোৰাটো দিব ।
দেউতাৰ চকুত কি মেজাৰকৰী পোহৰ ।
তাৰ পিঠিতে আছিল আইজনীৰ লগৰ আকাশ নিবাসী
গাভৰুহঁতৰ ৰূপৰ কাগজৰ সৰু বৰ ঘৰ ।
এই ঘোৰাটোৰে সিদিনা মৃত্যু হৈছিল
তাৰ হৃদয়ত মৃত্যু আৰু সুন্দৰৰ মহাসভা বহিছিল ।
আজি কেইবাদিন ধৰি মই তাৰ মৃতদেহটোত চুমা খাইছো;
'জীৱনৰ ডাক-জাহাজত' এয়া সোঁৱৰণী সভা
বদৰ ভৰত ভাগি পৰা দুখবোৰেৰে
তাৰ সোনালী কপালত আকি দিছো সময়
ফু মাৰি চোতালত যাতে বহি পাৰো অনৰ্গল
সি বা মই
অথবা তুমি আৰু মই
বৰ্ত্তমানৰ পৰা দূৰ সুদূৰ ভৱিষ্যৎমূললৈ ।

বিঃ দ্ৰঃ — উক্ত কবিতাটো নবীন লেখক-লেখিকা কবিচক্ৰত পাঠিত, কবিচক্ৰত সমালোচকে কবিতাটোৰ ওপৰত সমালোচনাত ৰাইজৰ আগত ব্যক্ত কৰিছিল ।





## লুইত পৰীয়া ডেকা

শ্ৰীহেমন্ত শইকীয়া
স্নাতক ৩য় বৰ্ষ ( বিজ্ঞান )

মই লুইত পৰীয়া ডেকা
মই নহওঁ একোতে বেকাঁ ।
মোৰ বাহুত আছে লাচিতৰ বল,
দৃষ্টিত অগনি শিখা,
মই লুইত পৰীয়া ডেকা ।

মই সত্যক সন্ধান কৰো
মই দুৰ্নীতিক গছকি ফুৰো
নিতে ঈশ চৰাত নতশিৰ হৈ
সুন্দৰক আৰতি কৰো ।

মই দুৰ্ম্মদ সাহসী বীৰ
মই নকৰো কালৈকো ভয়,
মোক কৰিব নোৱাৰে কোনেও জয় ।
মই দুৰ্ম্মদ সাহসী বীৰ ।

মই নকৰো কালকো ভয়
মই নামানো ৰাধাৰ প্ৰাচীৰ ।
'হিমাদ্ৰী'ৰ দৰে মোৰ শিৰ উচ্চ;
মই নহও নতশিৰ ।

মই লুইত পৰীয়া ডেকা
ধ্বংস কৰিম জনগণৰ বিভিষীকা ।
স্বদেশৰ বাবে সকলো ত্যাগিম,
ব্যক্তি পূজাৰিক বধিম
লাগিলে দেহৰ ৰক্তেৰে ধুই
কৰিম সকলো নিকা
মই লুইত পৰীয়া ডেকা ।

## জীৱনৰ চৰম দান

*******

শ্ৰীঅতুল চন্দ্ৰ গগৈ
স্নাতক তৃতীয় বাৰ্ষিক ( বিজ্ঞান )

চোৱা ছুৱৰিৰ মুকুতা যেন মণিতি
সাতোৰং কেনে উত্থলি মুত্থলি
কিহৰ বাবে এনে উন্মুক্ত,
হইতু হেৰাই যোৱা শংকাত
কোনোবা দালাল চৈতানৰ বজ্ৰ পদাঘাতত ॥
সৌৱা কিহৰ এই ৰাজ সভা
ইমান জনতা; অৰ্ত্তস্বৰ
হন্ত্ৰণাক্লিষ্ট ভগ্ন হৃদয়ৰ নে ?
তেজপীয়া দালাল, চৈতান, মদপীৰ
ন-পুৰণি বেহা ॥
এইয়া এইয়া কি ? ৰক্ত গোলাপ
কোন দুৰ্ভগীয়াৰ তেজৰ চেঁকুৰা
উহ ! নোৱাৰো সহিব, মচিব
ধাৱিত অগ্নিকণা পবিত্ৰ আত্ম
এক ৰক্তাক্ত নৰ মেলা ॥
হায় আই মাতৃ হৃদয় উজাৰি বিনাইছো মিছাই.
শত বেদনাৰে অযুত স্বপ্নই,
মিছাতে হেৰুৱালো ক'ত জন শান্তিৰ দিঠক সাজি
উজাগৰে, স্বাধীনতাৰ মুক্তি বিছাৰি
সমাজ বৈপৰীত্যৰ পৰিধি ভাঙি ॥
সেইহে আশাৰ তৰী উদং মাতৃৰ অশ্ৰুকণা জলে
দিনমগ্ন জোৱাৰে এটি ছুৱৰিৰ মুকুতা মণি,
য'ত বিচাৰি পাই মৃতাত্মাৰ
হেৰাই যোৱা ত্যাগৰ
আবেগ অনুভুতি ॥
হে মহান ত্যাগী, তুমি মহান,
তুমি দলিয়াই দিয়া মলিনতাৰ শুভ্ৰ পোচাক
ভয়ংকৰ, দুৰ্গন্ধ, অকপ্লিত ঘৃণাৰ,
ক'ত দালাল ভীৰুৰ সুগন্ধি পোছাকী মুকুল,
তুমি যেন নকৰা ক্ষমা ॥
দিয়া জ্বলাই দিয়া অগ্নিদাহ
সুখী-দুখী, পাপী-তাপী উঠক জ্বলি,
নাথাকে যেন কোনো ধৰাৰ বুকুত
ত্যাগৰ মূল্য নুবুজা
পবিত্ৰ আত্মাৰ ।
কিন্তু সেই ছুৱৰি, আইমাতৃৰ অশ্ৰুৰ মুকুতা সৰে
নিৰবে, কেশৰ মেঘালী মেলি সিক্ত নয়ণে,
তাতো বাজে বীণ, আছে সুৰ সিহঁতৰ,
বুকুৰ কামিহাড় ভগা টুকুৰাৰ ,
এক . ভগ্ন হৃদয় , তেজ ভাহে ধীৰে ধীৰে ॥
হে ঈশ্বৰ . ৰাখিবানে মোৰ এটি অনুৰোধ
মাথো এধানি আশীষ এধানি মৰমৰ ,
যিয়ে দিলে জীৱন দান নুবুজা দেশত ,
শ্বহীদ বুলি জীৱনৰ চৰম দান ।





## যতি

শ্ৰীসঞ্জীৱ নাৰায়ন চাউদাং বৰুৱা
স্নাতক ২য় বাৰ্ষিক ( কলা )

বোৱা নাই
কোনো
গইছে সকলো
আগুৱাই ।
তুমি বাৰু
বলা কিয় ?
হঠাতে থমকি ?
নবৰা থমকি
যোৱা আগুৱাই
নহলে যে
পৰি ৰবা
নিয়তিৰ
কুটিল হাঁহিত ।
কল্পনাৰ
জালেৰে নলৰা
নিজকে সাৱতি
স্বপ্ন জালত
বিভোৰ হই
পৰি ৰবা
কোন দূৰ
সুদূৰ
অচিন বাটত ।

## ৰণক্ষেত্ৰত ভাইটি

মৃণাল বৰুৱা
স্নাতক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ্থী

" মৃত্যুও যে এটা শিল্প
জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য্য "
কথাষাৰ ভাইটি টোৱে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল ।
জাতীয় মুক্তিৰ মন্ত্ৰ উচ্চাৰোতে কাললৈ ঘূণীয়া হোৱা
বৃদ্ধ পিতৃ - মাতৃ , ধৰ্ষিতা হোৱা ভনীজনীৰ তপত অশ্ৰুৱে
তাৰ অন্তৰত প্ৰতিশোধৰ তুঁহজুইকুৰা জ্বলাই দিছিল ।
পলায়নবাদীৰ ভূমিকা লৈ জনগণক ফাকি দি ৰাজনীতিৰ
পাশা খেলত প্ৰবৃত্ত হোৱা নীতিক সি প্ৰচণ্ডভাবে
ঘৃণা কৰিছিল ।
মাতৃ - মুক্তিৰ পবিত্ৰ বেদীত তেজ দি , ত্যাগ দি
জীৱনৰ নিষ্ঠুৰতম সত্যটোৰ সন্মুখীন হোৱা
খৰ্গেশ্বৰ, দিলীপ হঁতৰ অতৃপ্ত আত্মাই জাতীয় মুক্তিৰ
ৰণক্ষেত্ৰলৈ তাক হাত বাউল দি মাতিছিল ।
সি ভালদৰেই জানিছিল —
When order is injustice
Disorder is the begining of justice.
সেয়েহে,
এদিন হঠাতে সি
দুৰ্গম পৰ্বত-অৰণ্য লঙ্ঘন কৰি
কঠোৰ সংগ্ৰামৰ বাবে অবিচল দৃঢ়তাৰে নিজকে প্ৰস্তুত কৰি
সততাক বুকুত বান্ধি
আমাৰ মাজৰ পৰা অন্তৰ্দ্ধান হৈ গ'ল ।
নাই সি নাই,
ভাইটিটো সিদিনাৰে পৰা আমাৰ মাজত
সঁচাকৈয়ে নাই ।
সিদিনাৰে পৰা মৰম লগা মুখ খনেৰে হৃষ্ট-পুষ্ট
ভাইটিটোৰ ছাঁটোও দেখাৰ সৌভাগ্য হোৱা নাই ।
মাত্ৰ,
কেতিয়াবা অহুকাণে-পহুকাণে শুনো
সি হেনো এতিয়া
জাতিটোৰ শ্ৰমজীৱী জনগণৰ মুক্তিৰ বাবে
হাতত উদ্যত অস্ত্ৰ লৈ লুইতৰ বিশাল পাৰত
অবিৰত সংগ্ৰামত ঘড়ীৰ কাঁটাৰ দৰেই ব্যস্ত ।



# গল্প

" চুটিগল্প আপোন চৰিত্ৰ বৈশিষ্ট্যৰ মহিমাৰে মণ্ডিত এক স্বতন্ত্ৰ সাহিত্যৰূপ । " যি কোনো বস্তু -- এটা ঘোঁৰাৰ মৃত্যুৰ পৰা আৰম্ভ কৰি এগৰাকী গাভৰুৰ প্ৰথম প্ৰেমলৈকে, এটা ফুলৰ পাপৰি মেল খোৱাৰ পৰা আৰম্ভ কৰি এটা প্ৰচণ্ড ভূমিকম্পলৈকে — সূৰ্য্যৰ পোহৰত দেখা প্ৰতিটো বস্তুৱেই চুটিগল্পৰ বিষয় । "

# অব্যক্ত বেদনা

শ্ৰীমনজিত কুমাৰ জিয়ামৰীয়া।
বি, এ, প্ৰথম বাৰ্ষিক ক'লা।

আজি বিজয়ৰ মনত আনন্দৰ সীমা নাই। আজি সি গুৱাহাটীৰ পৰা উভতি আহিছে। সি আৰু তালৈ পুনৰ যাব নালাগে, কাৰণ সি একে বাবে এম, এছ, চিৰ, ফাইনেল পৰীক্ষা শেষ কৰি আহিছে। ভাবি ভাবি আজি তাৰ মনত আনন্দৰ জোৱাৰ উঠিছে। সি ঘৰলৈ গৈ প্ৰথমে মাকৰ চৰণ চুব, মাকেও যেন তাক এটি দীঘলীয়া আশীবাদেৰে গালত এটি চুমা দিব। দাদা অজয়ে বাৰু কি কৰিব। সি ককায়েক হলেও অলপ লাজ লাজ কৰি তাক আগবঢ়াই নিবলৈ আহিব আৰু মাজিনীয়ে আহি মোৰ বেগটো কাঢ়ি লৈ মোক হয়তো সাবটি ধৰিব। মাজনীয়ে এইবাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শেষান্ত পৰীক্ষা দিব আৰু গোটেই বিদ্যালয়ৰ শিক্ষক ষ্টাফটোৱে কৈছে বৰ্ণালী দত্তই এইবাৰ গোটেই অসমতে নাম উজ্বল কৰিব। হয়তো এইবাৰ সিহঁতৰ ঘৰখন আনন্দমুখৰ হব। ন-বৌ-য়ে হাইস্কুল শেষান্ত পৰীক্ষাৰ ৰিজাল্টৰ দিনাই ভাবিব হয়তো সিহঁতৰ ঘৰখনেই পঢ়াত ভাল। তাৰ তেতিয়া আৰু গৌৰৱ বাঢ়িব। তাৰ পাছত কি হ'ল আৰু কি ভাবিব লাগে তাৰ তেতিয়া সেইবোৰলৈ স্মৃতি অহা নাই হঠাৎ গাড়ীখন জামপিং কৰাত তাৰ টোপনি ভাগিল। অ, সি পাহৰিছিলেই ন-বৌৱেক জনী বা কৰপৰা আনিছে, নামটো বাৰু কি? দেখিবলৈ বাৰু কেনেকুৱা ইত্যাদি প্ৰশ্নবোৰে তাৰ মনটো আনন্দতে জুৰুলা কৰিছে যদিও মাথো সেই একে প্ৰশ্নই বিজয়ৰ মনত দেখা দিছে। নবৌ নিশ্চয় ধুনীয়া হব আৰু ধুনীয়া চাই হয়তো গুনৱতীও হব। নহলেনো মায়ে মই বিয়া খাব নোপোৱাকৈ এমাহৰ ভিতৰতে বিয়া খনি ইমান খৰ-ধৰকৈ যো-জা কৰেগে? মই ঘৰ সোমোৱা মাত্ৰেই নবৌৱে হয়তো লাজ লাজ কৰি একাপ চাহ আগবঢ়াই দিব। মই বাৰু তেতিয়া কি কম। বিয়ালৈ মাতোঁতেই অহাহেঁতেন, ইমান খিনি চিন্তা কৰিব লগা নহ'লহেঁতেন। তেতিয়া মোৰ পৰীক্ষালৈ মাত্ৰ ন দিনহে বাকী আছিল। নাই নাই বিয়ালৈ নাহিলো মই ভালেই কৰিলোঁ। নবৌৰ মৰম লগা মাত কেইষাৰি মই হয়তো পাহৰিব নোৱাৰিলোঁহেঁতেন। এনেতে গাড়ী আহি বিজয়ৰ ষ্টেচনত ৰলহি। অলপ হলেও সি উচপ খাই হাতত বেগ কেইটা লৈ নামি আহিল। গাড়ীৰ পৰা নামিয়েই প্ৰথমে সি ভাবিলে ঘৰত কাক লগ পাব। হয়তো অজয়দা অফিচৰ পৰা অহা নাই। দেউতাইটো দুই তিনি মাহৰ মূৰতহে এদিন ঘৰত থাকি যায়হি। সেই সময়তে বৰ্ণালীয়ে পিছ ফালৰ পৰা মাত লগালে, দাদা আজি মায়ে খুউব আনন্দ পাব নহয়! কিয় বুলি বিজয়ে সুধিলে। কিয়, মই নাজানো। মাত্ৰ জানো যে তুমি একেবাৰে ঘৰলৈ আহিছা সেই কাৰণেই সম্ভৱ। অ' সেই

কাৰণে বুলি কৈ বিজয়ে আনন্দতে হাঁহি পেলালে। বাৰু মাজনী আমাৰ নবৌ জনী কেনে পাইছা? নবৌ খুউব ভাল দাদা। ইমান স্মাৰ্ট (নবৌ), ওচৰ চুবুৰীয়া সকলোৰে মৰমীয়াল নবৌ। ন-বৌ দেখিবলৈ বেছ ধুনীয়া নহয় জানো মাজনী ? দেখিবলৈ কেনেকুৱা দেখিবা নহয়! বেগ দুটি মোক দিয়া। আহা পছুলি মুখ পালোহিয়েই। অ, হয়নেকি বলা বুলি কৈ দুয়ো গেটখন খুলি ঘৰৰ ভিতৰলৈ সোমাই যায়।

ৰিজয়ে ভবাৰ মতেই সকলো শেষ হ'ল, কিন্তু নবৌ দেখুন এতিয়াও অহা নাই কিয়। হয়তো মোলৈ লাজ কৰিছে। নাই নাই স্মাৰ্ট ছোৱালী যেতিয়া কিয় লাজ কৰিব। এনেতে তাইৰ সম্বোধনে তাৰ চমক ভাঙিলে। সি ঘপহ কৰে নবৌৱেকৰ মুখলৈ চালে, কি ভাবিছিলা চাহ লোৱা। হব নবৌ বুলি কোৱাৰ বাহিৰে বিজয়ৰ মুখত আৰু কোনো প্ৰশ্ন ফুটি নুঠিল। পৰীক্ষা শেষ কৰিয়েই আহিলা নহয়? হয় নবৌ বুলি কৈ আৰু বিজয়ে তল মূৰ ওপৰ নকৰিলে। বিজয়ৰ তেতিয়া মনটো আছিল কটন কলেজত পঢ়োতে ৰাষ্টাত যাওঁতে নবৌৱেকক লৈ ঠাট্টা মস্কৰাবোৰলৈ। কি ভাবিছা ভাইটি চাহ ঠাণ্ডা হব খোৱা বুলি নবৌৱেকে তাৰ ওচৰতে বহিল। পিছে ভাইটি আজিকালি ছোৱালী জুকুৱা অভ্যাসটো এৰিলানে? সি তেতিয়া ৰঙা চিঙা পৰি তলমূৰ ওপৰ নকৰিলে। সি লাজতে ভাগৰ লাগিছে বুলি কৈ শুই পৰিল। বিজয়ে টোপনি যোৱা দূৰৰ কথা আগতকৈ বেছিহে কলেজৰ সেই পুৰণি কথাবিলাক তাৰ চকুৰ আগত চিনেমাৰ পৰ্দ্দাৰ নিছিনা কিছুমান প্ৰতিছবি আহিবলৈ ধৰিলে। এই ৰাজুৰ লগত ফুৰি আজি তাৰ প্ৰায়শ্চিত ভূগিবলগীয়া হৈছো। সেইদিনা প্ৰাকস্নাতকৰ দ্বিতীয় বাৰ্ষিকৰ ছোৱালীজনীক যে কৈছিলো এই মোৰ ব্লাউজটো বৰ চুটি হ'ল আৰু ৰাজুৱেও সেই তৃতীয় বাৰ্ষিকৰ ছোৱালীজনীক কৈছিল, অ আই এই জনী ইমান ধুনীয়া কৰ ছোৱালী যেন স্বয়ং সীতা দেৱীকহে আগত দেখা পালোঁ। সেই জনীয়েই আজি মোৰ নবৌ। কিন্তু সেয়া আজি কি হ'ল। নবৌৱে আজি মোৰ চৰিত্ৰৰ কথা গম পাই কঠোৰ বাক্য বানেৰে প্ৰহাৰ কৰিলে। বিয়াৰ দিনাই অহাহেঁতেন হয়তো এই আঘাটৰ পৰা হাত সাৰিব পাৰিলোহেঁতেন। কাৰণ ন হৈ থাকোতেই নবৌৱে হয়তো লাজতেই মোক এনে কথা নকলেহেঁতেন। নাই নাই ই প্ৰহাৰ নহয়, ই এক প্ৰকাৰৰ উপহাৰহে। মই আজি নবৌৰ পৰা এটি সুন্দৰ উপহাৰ পালোঁ। মইনো নহয় বুলিয়েই বা প্ৰত্যুত্তৰ দিওঁ কেনেকৈ? চোৰৰ লগত গলে চোৰ নকৰিলেওটো চোৰ বুলি বিবেচিত হবই লাগিব। নিদিও কাহানিও মই ইয়াৰ প্ৰত্যুত্তৰ নিদিও। মোৰ আজি এই— অব্যক্ত বেদনা খিনি নবৌৱে হয়তো আজি উপলব্ধি কৰিব পৰা নাই আৰু কোনো দিনেও নোৱাৰিব।



# " নিবৃত্তি "

কুমাৰ সূৰ্য্য
স্নাতক চূড়ান্ত বৰ্ষ (কলা)

অফিচৰ পৰা আহিয়েই 'অনুপমা'ই ড্ৰেচজোৰ খুলি আলনাডাললৈ দলিয়াই দিলে। বাহিৰত ফাগুণৰ পছোৱা বা। বৃদ্ধ পিতাকে ইজি চেয়াৰ খনত বহি একান্ত মনে দূৰলৈ চাই আছে। অনুপমাই গাৰ কাষেদি মুখ হাত ধুবলৈ কললৈ বুলি পাৰ হৈ গ'ল, অথচ পিতাকৰ খবৰেই নাই। অজান ভাৱত বিভোৰ হৈ আছে। পিতাকক মাত দি তন্ময়তা ভাঙি দিবৰ তাইৰ ইচ্ছা নগ'ল। বৃদ্ধ বয়সত সম্ভৱ পৃথিৱী খনক সুন্দৰকৈ চাবৰ ইচ্ছা হৈছে।

গতানুগতিক দিনৰ কৃতিম মতে তাইৰ প্ৰথম কাম হ'ব দেউতাকক একাপ গৰম ফিকাচাহ দিয়া আৰু নিজে একাপ খোৱা। তাই এইবোৰ কৰি ভাগৰ বা বিৰক্তি অনুভৱ নকৰে। তাই কাম কৰি কৰি অভ্যস্ত হৈ পৰিছে। ৰাতি পুৱাৰ পৰা ঘৰ সৰা, চাহ কৰা, আকৌ ভাত ৰান্ধি দেউতাকক খোৱাই দহতা বজাত অফিচ যোৱা, এইবোৰ তাইৰ দৈনন্দিন কামৰ তালিকা। অফিচত দিনৰ দিনতো কাম কৰি ছাবি বজাৰ পৰা পুনৰ ঘৰত ব্যস্ত হৈ পৰা। কাম কৰি তাই ভাগৰি নপৰে। কামেই তাইৰ জীৱন বুলি ভাবিবলৈ ধৰিছে। জীৱনটোক যন্ত্ৰ বুলি নতুনকৈ শিকিবলৈ তাইৰ সময় অতিবাহিত হৈ গ'ল। মাকৰ মৃত্যুৰ পিছতেই আৰাম কোৱা শব্দটো তাইৰ জীৱনত হেৰাই গ'ল, মাতৃ বিয়োগৰ দাৰুণ সন্ধিক্ষণত মৰম সহানুভূতিৰ লগত হোৱা পৰিচয়ক কোঙা কৰি গ'ল। সেইয়ে বৰ্ত্তমান কাৰোবাৰ সহানুভূতিয়ে তাইৰ মনত কোনো প্ৰতিক্ৰিয়া সৃষ্টি কৰিব নোৱাৰে। মাথোন পিতাকৰ উদাস দৃষ্টিত তাই জীয়াই থকাৰ সমল দেখে। পিতাকৰ বুকুত তাইৰ মাতৃহাৰা মনটোৱে বিছাৰে মাতৃত্বৰ চেনেহ। পিতাকৰ অলস শৰীৰটোক কেন্দ্ৰ কৰি ঘূৰিব ধৰিছে তাইৰ জীয়াই থকাৰ দুৰ্বিসহ ইচ্ছা। কেতিয়াবা তাই দূৰত থকা দুজন দাদাক আৰু নবৌৱেকৰ প্ৰতি অভিমান হয়। অৱশ্যে অনুপমাই জানে নবৌৱেকহঁতৰ ওচৰত এই অভিমানৰ কোনো মূল্য নাই। আছে খংহে। অন্তঃত উচ্চাত্মীকাবোৰ প্ৰকাশ কৰিবলৈ পথ পায়। তাই এইবোৰক লৈ আক্ষেপ নকৰে। কাৰণ বহুদিনৰ আগতেই তাই এই অধিকাৰ হেৰুৱায় পেলাইছে। তাই ককায়েকহঁতৰ ওচৰত এজনী গাভৰু ভনীয়েকৰ আশ্ৰয় কোনো কালে পোৱা নাই। এইবোৰকলৈ তাই কেতিয়াবা বৃদ্ধ পিতাকৰ লগত আলোচনা কৰে আৰু তেতিয়াই পিতাকৰ অন্তঃস্থ কোণৰ পৰা হৃদয় বিদাৰি উলাই আহে বিফলতাৰ হুমুনিয়াহ। এজন আদৰ্শ পিতৃৰ চৰম বিফলতাৰ হুমুনিয়াহ।

কলৰ পাৰত এইবোৰ ভাবি সুন্দৰ সন্ধ্যাটোক ৰিক্ত কৰি তুলিব নিবিছাৰি তাই আহি পাক ঘৰত চাহ কৰাত লাগিল। নিজলৈ একাপ আৰু পিতাকলৈ একাপ লৈ আহি পিতাকৰ কাষত বহিল।

অ ··· ··· মাজনি, কেতিয়া আহিলিনো? অলপ দেৰি কৰিলি যে আজি?

পিতা, 'অনিলে' আহি আজি তিনিটা বজাতে অফিচৰ পৰা লৈ গ'ল। অলপ ফুৰি আহিলো। ভাবিলো ফুৰিলে মনটো ভাল লাগিব। কিমাননো অফিচৰ ফাইলবোৰৰ মাজত সোমায় থাকিম? আপোনাৰ কিবা অসুবিধা হৈছিল নেকি?

নাই ঐ, কিনো অসুবিধা হ'ব! কিন্তু তই কাষত নাথাকিলে বৰ অকলশৰীয়া অনুভৱ হয়।

এৰা, তাই জানে পিতাকৰ বেদনা ক'ত? সংগিহীনতাৰ বেদনা নহলেও পুত্ৰবধুৰ অৱহেলাত পিতাকৰ মনটো একেবাৰে নিঃস্ব হৈ পৰিছে। হায়! পিতৃত্বৰ প্ৰতি থকা সন্তানৰ শ্ৰদ্ধা। হায়! একবিংশ শতাব্দীৰ সন্তান।

মা ঐ, অনিল বহুদিন অহা নাই, কিবা গা অসুখ নেকি?

নহয় পিতা, তেওঁ আমাৰ ঘৰখনৰ নিৰৱতাখিনিক একেবাৰে সহ্য কৰিব নোৱাৰে। সেয়ে আমাৰ ঘৰলৈ আহিলে আপোনাৰ অজ্ঞাতে মোক ফুৰিবলৈ লগ ধৰে আনহাতে আপোনাক এৰ··· ··· ···

নহয় ঐ মা, অনিল বৰ ভাল ল'ৰা। জন্মৰ পৰা যৌৱনৰ অন্তলৈকে মাকৰ সান্নিধ্য পোৱা লৰা সদায়েই হান্য প্ৰিয় হয়; তইনো তাক কিয় বিমুখ কৰ? "জীৱনত যদি এবাৰ দুখক সংগি কৰি লোৱা হয়, পুনৰ সুখে সেইজনক সহজে স্বাগত নজনাই"। যি কামে তোক মানসিক আনন্দ দিয়ে সেই কাম মোৰ অজ্ঞাতে কৰিলেও তোৰ কোনো পাপ নহয়। অন্তঃত তোৰ দৰে এগৰাকী দুৰ্ভগীয়া সন্তানৰ ক্ষেত্ৰত, আৰু দুটা দিনৰ পিছতেই সি তোৰ বাকী-ছোৱা জীৱনৰ সংগি হ'ব। তাক তই আনন্দত ৰখাতো তোৰ কৰ্ত্তব্য। যৌৱনৰ ভাষা যদি যৌৱনতে নপঢ়া তেন্তে জীৱনটোত সহজে তিক্ততা আহি পৰে। যুগ্মজীৱনৰ আগতেই যদি ইজনে-সিজনক অধ্যয়ন নকৰা তেন্তে জীৱনত সমস্যাবোৰ বেছি জটিল হিচাপে ধৰা দিব। সংসাৰখন বৰ জটিল মাজনি। জীৱনৰ যুদ্ধখনত নিজেই সেনা, নিজেই সেনাপতি হ'ব লাগে। তইঁতে মোৰ ওচৰত কোনো Formality ৰখা দৰকাৰ নাই। তইঁত মোৰ ওচৰত বৰ্ত্তমানেও কেঁচুৱা। মাথো মোক প্ৰতাৰনা নকৰিবা! পাৰ্থীৱ সুখত পৃথিৱী খনক পাহৰি যাব নিবিছাৰিবা। সকলোৰে আগতে তইঁতে দুৰ্ব্বল মূহুৰ্ত্তবোৰৰ ওচৰৰ পৰা আতৰি থাকিবি। ভাৱো তোক মই মুক্তি দিওঁ। মোৰ বাবে তই জীৱনৰ ৰঙীন দিনবোৰক স্বাগত কৰিব পৰা নাই। তোক এখন সুখৰ সংসাৰলৈ আগবঢ়াই দিবৰ মন আছে। কেতিয়াবা নিজকে বৰ স্বাৰ্থপৰ যেন লাগে কিয়নো তোক যে মই ঘৰত বন্দী কৰি ৰাখিছো।

নহয় পিতা অনিলক মই কৈছো। আপোনাক অকলশৰে লৈ অন্তঃত মই বিয়াত নবহো। কিন্তু ·· ··· অনিলে কয় বিয়াৰ পিছতো আপোনাক আমাৰ লগত ৰাখিব পাৰিব, এই কথা বহুদিনৰ আগৰ পৰাই সুধিবলৈ কৈ আছিল।

নহয় ঐ আইজনী। তইঁতৰ যুগ্মজীৱনত মোৰ অৱস্থিতি আকৌ কিয়? মই পাৰিম নহয়। তোৰ মাৰাক হেৰুৱাই মই যদিও নিঃস্ব হৈ পৰিছিলো তথাপি ভাগৰি পৰা





নাছিলো। আৰুনু কেইটা দিন বাকী আছে মোৰ হুঁ। মাথো তইঁত সুখি হ··· ···। তইঁতৰ স্ববিবেচনাত যেন ডাৱৰৰ ক'লা ছাঁ নপৰে। মোৰ সহস্ৰ আশীৰ্বাদ তইঁতলৈ সদায়েই থাকিব।

দূৰলৈ চাই, চাই কৈ যোৱা দেউতাকৰ উদাস মনৰ কথাবোৰে অনুপমাক এখন অচিন দেশলৈ লৈ গৈছিল। পিতাকৰ আবেগ ভৰা কথাবোৰত ফুটি উঠিছিল ত্যাগ, বেদনাৰ তিব্ৰ আৰ্তনাদ। তাইৰ নিসংগমনটো বেদনাত হাঁহাকাৰ কৰি উঠিছিল। সছাকৈ জীৱিত অৱস্থাত লোৱা বিদায়বোৰ মৃত্যুৰ বিদায়তকৈ বহুত বেদনাদায়ক। তাই ভাবিলে অন্তঃত পিতাকৰ মৃত্যুৰ আগমূহুৰ্ত্তলৈকে অনিলক পিতাকৰ অজ্ঞাতে অনিলৰ সংগসুখ লোৱাৰ বাবে তাই নিজৰ ওপৰতে ধিক্কাৰ জন্মিল। যি পিতৃয়ে সন্তানৰ সুখৰ বাবে যদি সৰ্বস্ব ত্যাগ কৰিব পাৰে তেন্তে সন্তান হৈ দেউতাকক কিয় নিঃস্ব কৰি যাব। নাৰী জীৱনৰ জন্মৰ উদ্দেশ্য "বিয়া" নহয়। জীৱনৰ শেষ কৰ্ত্তব্য নহয়। অনিলক তাই বুজাব। মাতৃহাৰা মনটোক পুনৰ পিতৃত্যাগৰ বেদনাৰে ভাৰাক্ৰান্ত হ'ব দিব নোৱাৰে। তাইৰ সুখৰ বাবে জীৱনৰ প্ৰতিটো মূহুৰ্ত্ত পিতাকে বলি দি আহিছে। সেইয়ে শেষ মূহুৰ্ত্তলৈকে তাই পিতাকৰ কাষত থাকিব। তাইয়ে হ'ব পিতাকৰ এক মাত্ৰ পুত্ৰ সন্তান। দাদাক-হঁতক তাই মানৱতাৰ পৰা খহি পৰা একোটাহঁত উল্কাপিণ্ড বুলি ভাবিছে। ভাৰ্য্যাৰ সুখৰ বাবে যি আজি পিতৃক অৱহেলা কৰিছে সেই অভিনয়ৰ নতুন তাণ্ডৱন তাই অনিলৰ জীৱনত হ'ব দিব নোৱাৰে।

তাই অনিলক ক'ব, বুজাব,। এজনী নাৰীৰ জীৱনত এজন পুৰুষৰ আৱশ্যকতা অনস্বীকাৰ্য্য যদিও নাৰী জীৱনটো পুৰুষৰ ওচৰত দায়বদ্ধ নহয়। যদি অনিল তাইৰ জীৱনৰ পৰা হেৰায় যায় তেন্তে তাই স্বয়ং অনিল হিচাপে সমাজত থিয় দিব। সন্তান সকলৰ পৰা হেৰাই যাব ধৰা মানৱতাৰ আঁতদালক তাইয়ে ধৰিব। তাই নিজকে এজনী ছোৱালী বুলি ভাবিবলৈ পাহৰি গৈছে। জীৱনটোক সাধাৰণ ভাৱে গ্ৰহণ কৰি সহস্ৰজনক নিঃস্বতাত দলিয়াই দিয়াৰ অসাৰ যুক্তিক তাই পুত্ৰ সমাজত ডাঙি ধৰিব। স্বাৰ্থপৰ সমাজখনৰ প্ৰতি তাইৰ বিতৃষ্ণা জন্মিছে। অৰ্ধ উলংগ ছোৱালীবোৰ বিশৃংখল যুৱক বোৰক দেখি তাই কেতিয়াবা কিবাবোৰ ভাবি পেলায়। কি বিশৃংখল যুৱ সমাজ! যৌৱনৰ সংজ্ঞা দিব নোৱাৰে তাই সঁছা, কিন্তু সেইবুলি যৌৱনৰ সংজ্ঞা বিচাৰি বিশৃংখলতাৰ মাজলৈ যাব নিবিছাৰে। তাই অনিলক ক'ব। তাই পিতাকৰ বাবে পাৰ্থীৱ সকলো সুখ বিৰ্ষজন দিছে। তাই পুত্ৰ হোৱা হলে জীৱনৰ প্ৰতিটো দিন পিতাকৰ কাষত থাকি প্ৰৌঢ়তাক পৰিচৰ্য্যা কৰিলে হেঁতেন। সৃষ্টিকৰ্ত্তাৰ ভূলত তাই ছোৱালী হিচাপে জন্ম লব লগা হ'ল। তথাপি তাই থিয় হ'ব। এইবোৰ ভাবি দুয়োজন নিস্থুপ হৈছিল। হঠাৎ অনুপমাই অনুভৱ কৰিলে যে পিতাকে কান্দিছে, হয়, সঁছাকৈয়ে দুধাৰী চকুলো বয়সৰ আছোৰ পৰা সুতোৰা-সুতুৰ গালেৰে সৰল ৰৈখিক গতিৰে বৈ আহিছে। অনুপমাৰ এনে লাগিল এই দুধাৰী চকুলো নহয়, এইয়া তাই আৰু দাদাকহঁতক নিজ পথত আগুৱাই যাবলৈ দিয়া সৰল ৰৈখিক পথ। লাহেকৈ তাই পিতাকক হাতত ধৰি উঠিল। তেতিয়া গোটেই চহৰখনত বিজুলি বাতি বোৰ জ্বলিব ধৰিছে। তাই পিতাকক হাতত ধৰি ভিতৰ সোমাল। এজাক ঠান্ধা বতাহে অনুপমাৰ মনটোক চুই প্ৰতিজ্ঞাবোৰ নেপাহৰাৰ প্ৰতিশ্ৰুতিৰে ··· ···। অনুপমাই ভিতৰৰ পৰা দুৱাৰখন বন্ধ কৰি দিলে ··· ··· ···। ★

# " অপেক্ষা "

শ্ৰীলীলা মহন
বি. এ. ১ম বাৰ্ষিক

ৰাতিপুৱা আইতাকৰ চিঞৰত ৰাশ্মিনাৰ টোপনি ভাগিল। তাই তৎক্ষনাত বিচনাৰ পৰা উঠিল আৰু গৈ বাহিৰৰ বাৰাণ্ডা পালেগৈ। পুৱাৰ নিৰ্জন পৰিবেশটো তাইৰ খু-উ-ব ভাল লাগিল। এক অজানিত পুলকত তাইৰ মনটো নাচি উঠিল। বাৰাণ্ডাৰ পৰা নামি গৈ তাই চোতাল পালেগৈ। আৰু বসন্ত কালৰ বিস্তীৰ্ণ আকাশৰ শুকুলা ডাৱৰবোৰ তাইৰ খু-উ-ব ভাল লাগিল। কি যে সুন্দৰ আকাশ। এপলক এনেয়ে তাই আকাশলৈ চাই থাকিল। এনে সুন্দৰ আকাশ তাই যেন আগে দেখাই নাছিল। তাই নয়নভৰি আকাশলৈ চাই থাকিল। এজাক বগলী চৰাই উৰি গ'ল কোনোবা দূৰ দিগন্তলৈ। তাইৰ মন গ'ল চৰাই জাকৰ সৈতে উৰি যাবলৈ।

হঠাৎ আকাশৰ পৰা তাইৰ নয়ন ঘূৰি আহিল। এইবাৰ চকুত পৰিল চোতালৰ আগৰ তগৰ জোপালৈ। তাই গৈ তগৰ জোপাৰ কাষ পালেগৈ। তগৰজোপা যে কি সুন্দৰ হৈ পৰিছে। ইমান দিনে তাই মনেই কৰা নাছিল তগৰ জোপা ডাঙৰ হ'ল। দেহত মিঠা যৌৱনৰ পৰোভৰ। স্বাপ্নালু মন এবুকু আশা। বসন্তক আদৰণি জনোৱাৰ এইয়া তাইৰ প্ৰস্তুতি।

এক অনাবিল আনন্দত ৰাশ্মিনাৰ মনটো নাচি উঠিল। তগৰ জোপাৰ দৰে তাইওটো বহুত দিনৰ পৰাই অপেক্ষা কৰি আছে এটা দিনলৈ। যিটো দিনে তাইৰ জীৱনলৈ কঢ়িয়াই আনিব হাজাৰ হাঁহিৰ সম্বল। তাই লগ পাব অন্তৰঙ্গ বান্ধৱী শ্যামলীক আৰু দুয়ো আগুৱাই যাব, নৱ উৎসাহ উদ্যমেৰে সিহঁতৰ জীৱনক সুন্দৰৰূপে গঢ়ি তুলিব। সিহঁত আগুৱাই যাব হাঁহি হাঁহি, জীৱনক কৰি যাব সুন্দৰ তথা-মহান। জীয়াই থাকিবলৈ শিকিব মানুহ হিচাবে। বহুতো খেলি-মেলি আবেগিক ভাবলৈ তাই ভাৱ ৰাজ্যত সোমাই পৰিল।

পুৱাৰ এচাটি পচোৱা বতাহ গাত লগাত তাই উচপ খাই উঠিল। দেহত বৈ গ'ল এক মৃদু শিহৰণ, তাইৰ মনটো এক অসীম আনন্দত নাচি উঠিল।

আহিব তাইৰ জীৱনলৈ সেই সুমধুৰ দিনটো, কিমান যে আশাৰে, কতযে কল্পনাৰে তাই বাট চাই আছে সেই দিনটোলৈ। তাই লগ পাব শ্যামলীক কত যে কথা পাতিব, হাঁহিব। এক অজানিত আনন্দত তাইৰ মনটো নাচি উঠিল।





শ্যামলী আৰু ৰাশ্মিনা দুয়ো অন্তৰঙ্গ বান্ধৱী। পঢ়ে একেখন কলেজতে। ছাত্ৰী-নিবাসত দুয়ো একেটা ৰুমতে থাকে। সিহঁতে প্ৰথম চিনাকী হৈছিল কলেজতেই। প্ৰথম দেখাৰ দিনাৰ পৰাই দুয়ো দুয়োকে আপোনভাৱে লৈছিল। অতি কম দিনৰ ভিতৰতে সিহঁতৰ মৰম-চেনেহৰ বাঘজৰীডাল গভীৰ হৈ পৰিল। এজনীয়ে আনজনীক নেদেখিলে বিচাৰি হাবাথুৰি খায়। অন্য বান্ধৱীৰ লগত থাকি সিহঁতে শান্তি নেপায়। কাচিৎহে সিহঁতে অন্য বান্ধৱীৰ লগত ফুৰে। দুয়ো অকল শৰীয়াকৈ বহি মনৰ কথা খোলা ভাবে প্ৰকাশ কৰি সিহঁতে পৰম তৃপ্তি পায়। সিহঁতৰ বন্ধুত্বৰ কথা লগৰ ছোৱালীবোৰেও জনা হ'ল। সেয়ে অন্য ছোৱালীবোৰেও সিহঁতক অকলশৰীয়াকৈ বহি কথা পাতি থকা দেখিলে গৈ কেতিয়াও আমনি নিদিয়ে। অৱশেষত লগৰ ছোৱালীবোৰে সিহঁতক জোকোৱা হ'ল। এজনীয়ে আনজনীৰ ওচৰৰ পৰা অলপ সময় আঁতৰি থাকিলেই এজনীয়ে আনজনীক অভিমান কৰে। ক্ষন্তেক সময় নমতাকৈ থাকে। কিন্তু কি হব নমতাকৈতো থাকিব নোৱাৰে। ক্ষন্তেক পাছত তেনে নকৰিবলৈ শপত খায়।

এনেদৰে দিনবোৰ গৈ থাকিল। যিমানে দিনবোৰ বাগৰি গৈ থাকিল, সিহঁতৰ ভাল পোৱাও ক্ৰমান্বয়ে বেছি গভীৰ হৈ গৈ থাকিল। এনেদৰে দুটা বছৰ পাৰ হ'ল।

সিহঁতৰ প্ৰাকস্নাতক শেষান্ত পৰীক্ষা কাষ চাপি আহিল। এটা সময়ত পৰীক্ষা শেষ হ'ল। দুয়ো ঘৰা-ঘৰি গুচি গ'ল। বিদায়ৰ বেলিকাত কিমান যে কান্দিলে, দুয়ো, দুয়োকে কেতিয়াও নাপাহৰিবলৈ কিমান যে শপত খালে।

তাৰ পাছৰ পৰাই দুয়ো অপেক্ষা কৰিলে ৰিজাল্টৰ দিনটোলৈ। কত আশা কল্পনাৰে ৰাশ্মিনাই বাট চাই আছে সেইদিটোলৈ। হঠাৎ চেপ্তেম্বৰ মাহৰ কোনোবা এদিন সেইদিনটো আহিল, যিটো দিনৰ বাবে তাই বহুত দিনৰ পৰাই অপেক্ষা কৰি আছিল। কিন্তু নিষ্ঠুৰ সময়ৰ কি পৰিহাস। ৰাশ্মিনাই যি দৰে সেই বিশেষ দিনটোক কল্পনা কৰিছিল' সেইদৰে দিনটো নাহিল। আহিল এক অন্য ৰূপতহে।

তাইৰ মুখৰ সেই উৎফুল্লিত হাঁহিটি নিমিষতে নিস্প্ৰভ হৈ পৰিল। তাইৰ মনটো অন্ধকাৰাচ্ছন্ন হৈ পৰিল, তাইৰ বান্ধৱী শ্যামলীৰ বাহিৰে বাকী কোনেও নুবুজিলে। শ্যামলীৰ অ-কৃতকাৰ্য্যতাই তাইক বিমুখ কৰি পেলালে। তাইৰ সকলো কল্পনা খেলি-মেলি হৈ গ'ল। আশাবোৰ ভাগি-ছিঙি চুৰমাৰ হ'ল। বেদনাযুক্ত ম্লান হাঁহিটিৰে তাই মাথো চাই ৰ'ল ক'লা মেঘেৰে ভৰা সীমাহীন আকাশ খনলৈ। ●

"ভৱিষ্যতৰ বিষয়ে বৰকৈ চিন্তা-ভাৱনা কৰা উচিত নহয়। ভৱিষ্যত সোনকালেই বৰ্ত্তমানত পৰিণত হয়।"
— এলবাৰ্ট আইনষ্টাইন

# অপমুখী সংস্কৃতি

( ব্যঙ্গ ৰচনা )

শ্ৰীদ্বিজেন শইকীয়া
স্নাতক ৩য় বাৰ্ষিক ( বিজ্ঞান )

**১ম ব্যক্তিঃ**—পৰম শ্ৰদ্ধাভাজন দৰ্শক মণ্ডলী, জয়-জয়তে আমি আপোনালোক সদৌটিলৈকে আন্তৰিক—শুভেচ্ছা ও বৈপ্লৱিক অভিনন্দন জনাইছো। "সদৌ অসম জহ নামে যোৱা এচ'চিয়েচন"ৰ তৰফৰ পৰা আপোনালোক সদৌটিলৈকে এটি বিশেষ অনুৰোধ জনাবলৈকে আমি ইয়ালৈ আহিলো। আমি অলপতে প্ৰস্তাৱ যোগে এটি জনবিস্ফোৰণৰ কাৰ্য্যসূচী ঘোষণা কৰিছো, ইয়াত ল'ৰা, বুঢ়া, ডেকা, গাভৰু, বোৱাৰী, কানিয়া, ভাঙুৱা, চোৰ, চাপ্ৰাচী, মদপী, বাড়ী-বৰলা, হিৰ-হিৰ'ইন সকলোকে পূৰ্ণ সমৰ্থন আগবঢ়াবলৈ অনুৰোধ জনাইছো। ক্ষন্তেক পাছতেই আমাৰ নিমন্ত্ৰিত অতিথিসকল আহি পাবহি। আপোনালোকে ক্ষন্তেক ধৈৰ্য্য সহকাৰে বহি থাকিব বুলি আশা ৰাখিলো। ( লগে লগে দুজন ব্যক্তি আৰু এগৰাকী আধুনীকা যুৱতী সোমায় আহিব ) যুৱতী গৰাকী সম্পূৰ্ণ মডেলিঙৰ দৰে সাজপাৰ পিন্ধা হ'ব লাগিব )

১ম ব্যক্তি :— আহক, আহক, আমাৰ দৰ্শকসকলে আপোনালকলৈ পেট পেলাই বাট চাই আছে। বহক বহক ( বহিবলৈ দিয়ে )।

ৰাইজসকল, মই এতিয়া আপোনালোক সকলোকে আমাৰ অশিষ্ট অতিথিসকলক চিনাকী কৰি দিওঁ। এখেত হ'ল, সদৌ অসম চুলাই মদ এচ'চিয়েচনৰ বহিস্কৃত সভাপতি, এখেত হ'ল সদৌ অবিভক্ত লাং-ফাং ইউনিয়নৰ খেদাখোৱা সম্পাদক, আৰু এখেতকতো আপোনালোকে চিনি পইছেই ছাগে, এখেত হ'ল নগ্ন নাৰীসমিতিৰ অপসাৰিত সভানেত্ৰী। এতিয়া এখেতসকলে আপোনালোকৰ আগত বক্তব্য ৰাখিব। আপোনালোকে কান পাতি শুনিব। আমাৰ ইয়ালৈ অবিভক্ত গাভৰু ইউনিয়নৰ পদচ্যুত সভানেত্ৰী অহাৰ কথা আছিল যদিও তেওঁ আহি নেপালেহি।

২য় ব্যক্তি :— ( কমৰৰ পৰা মদ উলিয়াই থায় লৈ ! ৰহুত মৰমৰ নিচানোখোৱা অকৰা ৰাইজ সকল; নতুনকৈ নিচাখাবলৈ শিকা মোৰ বুকুৰ কুটুম্ব যুৱক সকল, কাপোৰৰ নামত চিটকানি পিন্ধা আধুনীকা যুৱতীসকল, আপোনালোক সকলোটিলৈ মোৰ হিয়া ভৰা ওলগ জনাইছো। লগতে মোৰ কাষতে থকা লাংফাং ইউনিয়নৰ খেদাখোৱা সম্পাদক গৰাকীলৈ মোৰ বাকী থকা চুলাইকণ মই অতি মৰমেৰে আগবঢ়াইছো আৰু নগ্ন নাৰী সমিতিৰ সভানেত্ৰীক মোৰ আন্তৰিক "I Love You" জনাইছো।

৩য় ব্যক্তি : - ডাঙৰীয়া, আ:ানাৰ নিচা অলপ বেছি





হ'ল যেন পাইছো। ক্ষন্তেক জিৰনী লওক।

২য় ব্যক্তি :— নিচা খালে নিছা বেছি হবই। নিচা বেছি নহলে মদ খোৱাযেনেই নালাগে ( মাটিত দীঘল দি শুই পৰে

১ম ব্যক্তি :— ৰাইজসকল, আপোনালোকে বেয়া নাপাব। সভাপতিয়ে অলপমান বেছিকৈ খোৱাৰ বাবদ ৰাষ্টাত কেইবাবেৰো পৰি আহিছে। সেয়েহে তেওঁ বক্তব্য ৰাখিব নোৱাৰিলে। এতিয়া আপোনালোকক আমাৰ বাকী দুগৰাকী অশিষ্ট অতিথিয়ে দু-আষাৰ কব।

৩য় ব্যক্তি :— ৰাইজসকল, আজি আপোনালোকক এনেদৰে পায় আমি সঁচাকৈয়ে বৰ আনন্দিত। ৰাইজসকল, আপোনালোকে নিশ্চয় জানে, আমি তেৰশ শতিকাৰ আগৰে পৰা এটা ন্যায় সংগত দাবী জনাই আহিছো। আমাৰ কেইবাটাও সংগঠনৰ যুটীয়া বৈঠকত এটা সিদ্ধান্ত কৰিছো। আজিৰ সভাত যদি ভাংচু, বটলচু, ড্ৰাগচচু, নাগচু কানচুৰ বিষয় ৰবীয়া থাকিলেহেঁতেন তেতিয়া পুংশানুপুংশৰূপে বুজাই দিলেহেঁতেন। যি কি নহওঁক আমাৰ ডেৰহাজাৰ দফীয়া স্মাৰক পত্ৰৰ মূল কেইটামান দাবীৰ কথা আপোনালোকক জনাই থব বিচাৰিছো।

১ম ব্যক্তি : - ৰাইজসকল, আমাৰ দাবীসমূহ হ'ল, ১। লাওপানী আৰু চুলাই মদৰ এলেকাভুক্ত অঞ্চলবোৰ লৈ "মদলেণ্ড" ঘোষণা কৰিব লাগে; ২। দেশৰ সকলো নাগৰিককে নিচাখোৱা বাধ্যতা মূলক কৰিব লাগে, ৩। পৃথিৱীত যিমানবিলাক নিচা আছে, সকলোবোৰ আমাৰ সমাজত প্ৰচলিত হ'ব লাগে, ৪। বিয়া - সবাহ, জন্মদিন আদিত বিলাতী মদক প্ৰথম স্থান দিব লাগে। ৫। নিচানোখোৱা লোকক কঠোৰ শাস্তি দিব লাগে, ৬। দুই লাখমান মানুহে একেলগে বহি মদ খাব পৰাকৈ এটা বাৰ হল প্ৰতিষ্ঠা কৰিব লাগে, ৭ স্কুল, কলেজ, আৰু বিশ্ববিদ্যালয়ত নিচা-সম্পৰ্কীয় পাঠ্যক্ৰম প্ৰবৰ্ত্তন কৰিব লাগে, ৮। দেশত মদৰ মহল বৃদ্ধি কৰিব লাগে, ৯। প্ৰতিখন জিলাত একোটাকৈ মদৰ চুইমিংপুল নিৰ্ম্মাণ কৰিব লাগে। এই মূল দাবীসমূহ আপোনালোকৰ আগত ব্যক্ত কৰিছো, আপোনালোকে সকলোৱে আমাৰ লগত পূৰ্ণসহযোগ আগবঢ়াব বুলি আশা ৰাখিলো। এতিয়া আপোনালোকৰ আগত সভানেত্ৰীয়ে বক্তব্য ৰাখিব, আপোনালোকে মনোযোগেৰে শুণে যেন।

সভানেত্ৰী :— জয়জয়তে আপোনালোকলৈ আমাৰ তৰফৰ পৰা পৰি পৰি নমস্কাৰ জনাইছো। সঁচাই মই আজি অত্যন্ত গৌৰৱ অনুভৱ কৰিছো। আমাৰ প্ৰতি থকা আন্তৰিকতা, সৰলতা, সহানুভূতি দেখি বৰ আনন্দ লভিছো। আমি এটি সংগ্ৰাম কৰিবলৈ মনস্থ কৰিছো। পুৰনি কলিয়া ৰীতি-নীতি এৰি আমি নতুনক আদৰি লব বিচাৰিছো।

( ২য় ব্যক্তি শুৱাৰ পৰা উঠি এটি গান গায় আৰু ১ম ব্যক্তিয়েও লগতে গান গায় গায় সভানেত্ৰীৰ ফালে আগবাঢ়ি যায়। )

২য় ব্যক্তি :— আহাচোন আহা কাষতে বহা, অ মোৰ প্ৰেয়সী ঐ ……… ( লগে লগে )

১ম ব্যক্তি :— ছিঃ ছিঃ লাজ লাগি যায়। …………

৩য় ব্যক্তি : — আমি একেখন নাৱৰে যাত্ৰী …………

সভানেত্ৰী : — এইয়া আমাৰ সংস্কৃতি। সংস্কৃতিক আমি জীয়াই ৰাখিবই লাগিব। ৰাইজসকল, বিশেষকৈ গাভৰু আৰু কুৰিশতিকাৰ যোড়শীসকল, আপোনালোকে নতুন সংস্কৃতি গ্ৰহণ কৰক। আজি মই দেখি আনন্দ পাইছো, যুৱতীসকলে চুইজাৰ কুৰ্ত্তা, পেতওলোৱা ব্লাউজ গা দেখা শাৰী আৰু গোটেই ভৰিদুখন দেখাকৈ মেদি পিন্ধি নতুন সংস্কৃতিক আদৰি লৈছে। কোনো কানো গাভৰুৱে জিনচৰ পেণ্ট হাৱাই চাৰ্টপিন্ধি মতানে মাইকী ধৰিব নোৱাৰাকৈ সামঞ্জস্য আনিছে। দীঘল দীঘল আওকলিয়া চুলিবোৰ কাটি বয়কাট দিছে দেখি মই আনন্দ পাইছো।

১ম ব্যক্তি :— বাইদেউ, বেছি দীঘলীয়া নকৰিব। ইয়াত বহা গোটেই মখাই আপোনাক অট'গ্ৰাফ লিখিবলৈ দিলে বহুতদিনেই লাগিব। শুনিছো, এজনে ৫ দিস্তামান কাগজ লৈ আপোনাৰ অট'গ্ৰাফ লবলৈ অপেক্ষা কৰি আছে। সেই কাৰণে কৈছো যিমান পাৰে সিমান সোনকালে কৰক।

সভানেত্ৰী : - ৰাইজসকল, মই বৰ বেছি দীঘলীয়া ভাষণ

নাৰাখো। আমিও মুঠ ৫০০টা মান দাবীসম্বলিত এখন স্মাৰক পত্ৰ যুগুত কৰিছো। তাৰে দুটামান মূলদাবী আপোনালোকক জ্ঞাত-কৰিব বিচাৰিছো।

২য় ব্যক্তি :— (১ম ব্যক্তিক কয়) হেৰি বটল এটা আনক! ডিডিটো তিয়াই লওঁ। (১ম ব্যক্তিয়ে বটল আনি, গিলাচত ঢালি দিয়ে সকলোৱে খায়)।

সভানেত্ৰী :— আমাৰ ১ম দাবী হ'ল, সকলো তিৰোতাই চাদৰ মেখেলাৰ পৰিবৰ্ত্তে চুইজাৰ কুৰ্টা পিন্ধাটো বাধ্যতামূলক কৰিব লাগে, বোৱাৰীসকলে মূৰৰ ওৰণি আৰু শিৰৰ সেন্দুৰ লোৱা এৰাধৰা মনোভাৱ পোষণ কৰিব লাগে। যেয়ে যিমান নগ্ন সাজ-পাৰ পিন্ধিব পাৰে সেই-সকলক মহিলা বটা পুৰস্কাৰ প্ৰদান কৰিব লাগে, তাঁতশাল সমূলি বন্ধ কৰিব লাগে, বিয়ানাম, আইনামৰ নিচিনা পুৰণি নামবোৰ বাদ দি বেপেকুৱা হিন্দী গীত প্ৰচলন কৰিব লাগে, প্ৰতিগৰাকী তিৰুতাই ২৪ ঘণ্টা ক্লাব ৰেষ্টুৰেণ্ট বা ৰঙীন টি, ভি চাই সময় কটাব পৰাকৈ এজন এজন ৰান্ধনী নিযুক্তি দিব লাগে, নিজৰ স্বামীৰ বাহিৰেও আনৰ স্বামী বা পৰপুৰুষৰ লগত হলি গলি কৰিব পৰা তপইন প্ৰবৰ্ত্তন কৰিব লাগে ইত্যাদি।

৩য় ব্যক্তি :— অ, বঢ়িয়া, বঢ়িয়া, আপোনালোকৰ দাবী-সমূহ ফাইন হৈছে।

১ম ব্যক্তি :— এতিয়া আমি আমাৰ শ্লʼগান সমূহৰ এটি ছুটি আখৰা আৰম্ভ কৰো। মই লগাই দিছো আপোনালোকে গায় হাওঁক।

(সকলোৱে চিঁঞৰে)।

মদ ঐ মদ, চুলাই মদ,
মদ নহʼলে জীৱন নচলে,
দেশত মদৰ মহল বৃদ্ধি কৰক,
মদ খোৱাটো বাধ্যতামূলক কৰক,
চাদৰ-মেখেলা বন্ধ কৰক,
নগ্ন সাজপাৰ প্ৰচলন কৰক,
সকলোৱে নিচা খাওঁক,
নিচা খাই জাহ যাওঁক,

২য় ব্যক্তি :— সুন্দৰ হৈছে। সকলোৱে এটি সংগ্ৰামী গীত গাই যাত্ৰা কৰো।

আধুনীকা ডেকা লʼৰা
নিচা খাব শিকা,
নিচা নাখায় জাতিৰ নামত
কলঙ্ক নানিবা।
শিক্ষিতা গাভৰু
ৰিহা মেখেলা এৰা,
চেলুৱাৰ কোৰ্টা ডিস্কʼ ব্লাউজ
গা উলিয়াই পিন্ধা।
এনেকৈয়ে তোমালোক
জহন্নামে যোৱা,
যিমান নিচা পৃথিৱীত আছে
সকলো খাবলৈ শিকা
সকলো জহন্নামে যোৱা।





# ক্ৰিকেটৰ সাঁথৰ

শ্ৰীৰাতুল কুমাৰ নেওঁগ
প্ৰাক্ স্নাতক মহলাৰ দ্বিতীয় বাৰ্ষিক (বিজ্ঞান শাখা)

১। প্ৰশ্ন :— বিশ্ব ক্ৰিকেটত "ব্লেক ব্ৰেডমেন' নামে কোন খেলুৱৈ জনাজাত?

উত্তৰ :— ৱেষ্ট ইণ্ডিজৰ বিখ্যাত খেলুৱৈ জৰ্জ হেডলীক "ব্লেক ব্ৰেডমেন" নামেৰে বিশ্ব ক্ৰিকেটত জনাজাত।

২। প্ৰশ্ন :— ৱেষ্ট ইণ্ডিজৰ কোন তিনিগৰাকী খেলুৱৈয়ে "ছাৰ" উপাধি লাভ কৰিছে?

উত্তৰ :— লিয়াৰি কনষ্টেনটাইন, ফ্ৰাঙ্কৱেল আৰু গেৰি ছোৱাৰ্ছ।

৩। প্ৰশ্ন :— ক্ৰিকেট খেল সৰ্বপ্ৰথম কʼত খেলা হৈছিল?

উত্তৰ :— ফ্ৰিস্কুল, গিলফোৰ্ডত ১৫৫০ চনত।

৪। প্ৰশ্ন :— টেষ্টমেচত ছাৰ ডোনাল্ড জৰ্জ ব্ৰেডমেনৰ শতৰান, ডবল চেঞ্চুৰী আৰু ট্ৰিপল চেঞ্চুৰীৰ সংখ্যা কিমান?

উত্তৰ :— ১৭ টা শতৰান, ১০ টা ডবল চেঞ্চুৰী আৰু ২ টা ট্ৰিপল চেঞ্চুৰী।

৫। প্ৰশ্ন :— কোন বʼলাৰে সৰ্বাধিক হেটট্ৰিক কৰিছে?

উত্তৰ :— ইংলণ্ডৰ ডি, পি, ৰাইটে ৭ বাৰ হেটট্ৰিক কৰিছে।

৬। প্ৰশ্ন :— টেষ্ট ক্ৰিকেটত প্ৰথম বাউণ্ডাৰিটো কোনে মাৰিছিল?

উত্তৰ :— চাৰ্লাছ বেনাৰমেনে।

৭। প্ৰশ্ন :— ক্ৰিকেটত "লেগবাই"ৰ প্ৰচলন কেতিয়াৰ পৰা হৈছে?

উত্তৰ :— ১৮৫০ চনৰ ৬ মেʼৰ পৰা।

৮। প্ৰশ্ন :— টেষ্টমেচৰ এটা ইনিংছত ৯ টা উইকেট লাভ কৰা প্ৰথম ভাৰতীয় খেলুৱৈ জন কোন?

উত্তৰ :— সুভাষ গুপ্তে। ১৯৫৮-৫৯ চনত কানপুৰত অনুষ্ঠিত টেষ্টত তেওঁ ১০২ ৰাণৰ বিনিময়ত ৱেষ্ট ইণ্ডিজ দলৰ ৯ টা উইকেত লাভ কৰিছিল।

৯। প্ৰশ্ন :— ক্ৰিকেটত "ফলোঅন" আইনৰ প্ৰচলন কেতিয়াৰ পৰা হৈছে ?

উত্তৰ :— ১৮৩৫ চনৰ পৰা।

১০। প্ৰশ্ন :— ক্ৰিকেটত প্ৰথম ডবল চেঞ্চুৰী কোনে কৰিছে ?

উত্তৰ :— উইলিয়াম লেম্পবাৰ্টে।

১১। প্ৰশ্ন :— প্ৰুডেনশ্বিয়াল বিশ্বকাপত ব্যক্তিগত সৰ্বোচ্চৰাণ কোনে কৰিছে।

উত্তৰ :— কপিল দেৱ নিখাঞ্জে ১৭৫ ৰাণ জিম্বাবয়েৰ বিৰুদ্ধে ১৯৮৩ চনত প্ৰুডেনশ্বিয়াল বিশ্বকাপত ব্যক্তিগত সৰ্বোচ্চ ৰাণ কৰে।

১২। প্ৰশ্ন :— টেষ্টমেচত উভয় ইনিংছতে চেঞ্চুৰী সৰ্বপ্ৰথম কোনে কৰিছিল ?

উত্তৰ :— অষ্ট্ৰেলিয়াৰ ৱয়াৰেন বাৰ্ডছ্লে ১৯০৯ চনত ইংলণ্ডৰ বিৰুদ্ধে।

১৩। প্ৰশ্ন :- ৰঞ্জিট্ৰফী খেলত কোন ব'লাৰে এক ইনিংছত ১০ টা উইকেট লাভ কৰিছে আৰু কাৰ বিৰুদ্ধে ?

উত্তৰ :— বঙ্গৰ প্ৰেমাংশু চেটাৰ্জিয়ে ১৯৫৬ চনত অসমৰ বিৰুদ্ধে এটা ইনিংছত ২০ ৰাণত ১০ টা উইকেট লাভ কৰিছিল।

১৪। প্ৰশ্ন :— চুইং বোলিং কোনে আৱিষ্কাৰ কৰিছিল ?

উত্তৰ :— নোয়া মেন আৰু এডমণ্ড হিংকৃলি।

১৫। প্ৰশ্ন :— টেষ্টমেচ কেতিয়া আৰু ক'ত সৰ্বপ্ৰথম অনুষ্ঠিত হৈছিল ?

উত্তৰ :— অষ্ট্ৰেলিয়াৰ মেলবোৰ্ণত ১৮৭৭ চনৰ মাৰ্চমাহৰ ২৫ তাৰিখৰ পৰা।

১৬। প্ৰশ্ন :— টেষ্টমেচত কপিলদেৱে লাভ কৰা প্ৰথম উইকেটটো কাৰ ?

উত্তৰ :— ১৯৭৮-৭৯ চনত ফৈজালবাদৰ প্ৰথম টেষ্টত ছাদিক মহম্মদৰ।

১৭। নং প্ৰশ্ন :— ৰঞ্জিট্ৰফীত প্ৰথম হেটট্ৰিক কোনে কৰিছিল ?

উত্তৰ :— নদাৰ্ণ ইণ্ডিয়াৰ বি, জালানি ১৯৩৪-৩৫ চনত দক্ষিণ পাঞ্জাবৰ বিৰুদ্ধে।

১৮। প্ৰশ্ন :— টেষ্ট ক্ৰিকেটত ভাৰতৰ প্ৰথম অধিনায়ক গৰাকী কোন ?

উত্তৰ :— কৰ্ণেল চি, কে, নাইডু।





**ডিব্ৰু মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ মুৰব্বী শ্ৰীযুত সত্যদেৱ প্ৰসাদৰ সৈতে এটি সাক্ষ্যাৎকাৰ। সাক্ষ্যাৎকাৰ গ্ৰহন কৰিছে বাণিজ্য বিভাগৰ প্ৰৱক্তা ডঃ ৰমিজা খাতুনে।**



আপুনি আমাৰ কলেজৰ হিন্দী বিভাগৰ অধ্যাপক। শুনিছো আপুনি অসমলৈ অহাৰ বেছি দিন হোৱা নাই। অথচ আপুনি তুখন অসমীয়া কিতাপ হিন্দী ভাষালৈ অনুবাদ কৰিছে। এই বিষয়ে আমি নিজেই আচৰিত হৈছো। কিয়নো আমি এনে মানুহো লগ পাইছো যি বহু বছৰ অসমত থকাৰ পাছতো অসমীয়া ভাষা শিকিব পৰা নাই। সেয়েহে আমি মুকলি ভাবে আপোনাৰ লগত এই বিষয়ে কেইটামান প্ৰশ্নৰ উত্তৰ বিচাৰি আপোনাৰ কাষ চাপিছো। আমি জানিব বিচাৰো যে আপুনি এগৰাকী অনা অসমীয়া ব্যক্তি হৈ অসমীয়াভাষা শিকাৰ প্ৰেৰণা কিহৰ পৰা পালে আৰু কেতিয়াৰ পৰা অসমীয়া শিকিবলৈ আৰম্ভ কৰে ?

শ্ৰীযুত প্ৰসাদ :- অসমলৈ অহাৰ আগৰে পৰা মই বাংলা লিপি শিকি বঙালী পুথি পঢ়িবলৈ আৰম্ভ কৰিছিলো। অসমলৈ আহি যেতিয়া মই দেখিবলৈ পালো যে অসমীয়া লিপিৰ লগত বাংলা লিপিৰ বহুখিনি মিল আছে তেতিয়া স্বাভাৱিকতে অসমীয়া শিকাৰ প্ৰেৰণা পালো আৰু ১৯৭০ চনৰ পৰা অসমীয়া শিকিবলৈ ললো। অসম সাহিত্য সভাই

অসমীয়া লোকৰ কাৰণে আয়োজন কৰা প্ৰাথমিক আৰু মাধ্যমিক পৰীক্ষাত মই যথাক্ৰমে ১৯৭৩ আৰু ১৯৭৪ চনত উত্তীৰ্ণ হৈছিলোঁ।

* অসমীয়া ভাষা শিকা আৰু সাহিত্যৰ প্ৰতি আকৰ্ষিত হোৱাৰ মাজত পাৰ্থক্য আছে। এই দুয়োটা দিশত আপুনি কেনে ধৰণে সামঞ্জস্য ৰাখিলে ?

শ্ৰীযুত প্ৰসাদ :— মই ভাৰতীয় ভাষা আৰু সাহিত্যৰ এজন শিক্ষক। গতিকে অসমীয়া ভাষা শিকাৰ লগে লগে অসমীয়া সাহিত্য চৰ্চাও আৰম্ভ কৰিলো। অসমীয়া সাহিত্য অধ্যয়ন কৰোতে মই অনুভৱ কৰিলো যে লিপি, ভাষা আদি বেলেগ বেলেগ হলেও আমাৰ দেশখনৰ প্ৰত্যেক সাহিত্যৰ মূল ভাৱধাৰাৰ আঁত একেই, এনেকুৱা ভাৱ সামঞ্জস্যৰ অনুভূতিয়ে মোৰ মন অসমীয়া সাহিত্যৰ প্ৰতি আকৰ্ষিত কৰিলে। আনহাতে ১৯৮২ চনত অনুষ্ঠিত হোৱা সাহিত্য সভাৰ তিনিচুকীয়া অভিবৰ্ত্তনত মই পূৰ্ব ডিব্ৰুগড় সাহিত্য সভাৰ এজন প্ৰতিনিধি হিচাপে অংশ গ্ৰহণ কৰিছিলো। তেতিয়া মোৰ বন্ধু কানৈ কলেজৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী ডঃ পৰীক্ষিত হাজৰীকা ( সাহিত্য সভাৰ আলোচনীৰ সম্পাদক ) আৰু অধ্যাপক ডিম্বেশ্বৰ চলিহাদেৱে মোক প্ৰখ্যাত লিখক যোগেশ দাসৰ লগত পৰিচয় কৰালে আৰু তেখেতৰ সাহিত্য একাডেমী বঁটা লাভ কৰা গল্প সংগ্ৰহ " পৃথিৱীৰ অসুখ " হিন্দী ভাঙনিৰ দায়িত্ব মোক দিবলৈ অনুৰোধ কৰে। যোগেশ দাস ডাঙৰীয়াই তৎক্ষণাত স্বীকৃতি দিয়াত মই বৰ আনন্দিত হলো। অভিবৰ্ত্তনৰ পৰা উভতি আহিয়েই মই উক্ত কিতাপখনৰ হিন্দী ভাঙনিৰ কাম হাতত ললো। এইদৰে অসমীয়া ভাষাৰ শিক্ষাৰ দ্বাৰাই অসমীয়া সাহিত্যৰ প্ৰতি মোৰ আকৰ্ষণ ক্ৰমান্বয়ে বৃদ্ধি পাবলৈ ধৰিলে, আৰু এতিয়াও বাঢ়ি গৈ আছে।

* আপুনি ইতিমধ্যে কি কি কিতাপ অনুবাদ কৰিলে ? তাৰ ভিতৰত আপোনাৰ কোনখন কিতাপ বেছি ভাল লাগিল আৰু কিয় ?

শ্ৰীযুত প্ৰসাদ :— ইতিমধ্যে মই শ্ৰীযোগেশ দাসৰ সাহিত্য একাদেমী পুৰস্কাৰ লাভ কৰা গল্প সংগ্ৰহ 'পৃথিৱীৰ অসুখ'ৰ হিন্দী ভাঙনি " পৃথ্বী কী পীড়া" নামেৰে আৰু চৈয়দ আব্দুল মালিকৰ সাহিত্য একাডেমী পুৰস্কাৰ প্ৰাপ্ত উপন্যাস 'অঘৰী আত্মাৰ কাহিনী'ৰ হিন্দী ভাঙনি "যাযবৰ" নামেৰে সম্পূৰ্ণ কৰিছো। ইয়াৰ ভিতৰত প্ৰথম অনুবাদ "পৃথ্বী কী পীড়া" সাহিত্য একাডেমীৰ দ্বাৰা ১৯৮৮ চনত প্ৰকাশিত হৈ অলপতে বজাৰত প্ৰৱেশ কৰিছে। উপৰুক্ত দুয়োখন কিতাপৰ ভিতৰত মই ব্যক্তিগত ভাৱে "অঘৰী আত্মাৰ কাহিনী" উপন্যাস খনক বেছি ভাল পালো। কিয়নো ইয়াৰ বিষয় বস্তু যথেষ্ট আকৰ্ষনীয়, বিস্ময়কৰ, প্ৰানবন্ত আৰু নিজস্ব।

* কিতাপ কেইখন অনুবাদ কৰোতে আপুনি কিবা অসুবিধাৰ সমুখীন হৈছিল নেকি ? যদি হৈছিল সেই অসুবিধা সমূহ কি দৰে দূৰ কৰিলে ?

শ্ৰীযুত প্ৰসাদ : কিতাপকিখন অনুবাদ কৰোতে বহুতো অসুবিধাৰ সমুখীন হব লগীয়া হৈছিল। শব্দকোষ' জতুৱা ঠাঁচ কোষ' খণ্ড বাক্য কোষ ইত্যাদিৰ সহায়ত আৰু অসমীয়া ভাষাৰ পণ্ডিত বন্ধু সকলৰ সহায় লৈ অসুবিধা সমূহ দূৰ কৰিলো। এই ক্ষেত্ৰত মই মূল লিখক মহোদয় দুজনৰ পৰামৰ্শও লৈছিলো।

* বৰ্ত্তমানে আপুনি কি কৰি আছে ? ভৱিষ্যতে আৰু কিবা কৰিম বুলি ভবিছে নেকি ?

শ্ৰীযুত প্ৰসাদ :— মই বৰ্ত্তমান যি আচনিৰ কাম হাতত লৈছো সি ভবিষ্যতলৈকে বিয়পি থাকিব। মই এতিয়া বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ ( U. G. C. ) ছাত্ৰবৃত্তি লাভ কৰি বিহাৰ বিশ্ববিদ্যালয়ত নলিনীবালা দেৱীৰ কবিতাৰ তুলনামূলক অধ্যয়ন হিন্দীৰ যশস্বী কবি মহাদেৱী বৰ্মাৰ কবিতাৰ লগত কৰি আছো, পি. এইচ. ডি (Ph. D.) ডিগ্ৰী পোৱাৰ লগে লগে মই মোৰ থীচিচ খনৰ অসমীয়া ভাঙনি কৰি উলিয়াম বুলি আশা ৰাখিছো।

* অসমীয়া ভাষাৰ কোনজন লিখকে আপোনাক বেছি আকৰ্ষিত কৰিছে বুলি ভাবে ?

শ্ৰীযুত প্ৰসাদ :— মই এতিয়ালৈকে অসমীয়া সাহিত্য বেছি অধ্যয়ন কৰা নাই। কিন্তু যিহেতু নলিনীবালা দেৱীৰ ওপৰতে গৱেষণা কৰি আছোঁ গতিকে মই কবই লাগিব যে তেখেতেই মোক আটাইতকৈ বেছি আকৰ্ষিত কৰিছে। তেখেত, নিঃসন্দেহে ভাষা কাব্যৰ "ক্ষিতীনা বোজেটটী"। ★

ডিব্ৰুয়ান

# সম্পাদনা সমিতি



বাওঁফালৰ পৰা বহি ক্ৰমে ঃ— শ্ৰীপ্ৰফুল্ল কলিতা ( আঃ সঃ ), প্ৰৱক্তা শ্ৰীযুত ৰজনী শৰ্মা ( তত্বাঃ অঃ বিঃ ), অধ্যক্ষ শ্ৰীযুত ভৰত নাৰায়ণ জামুৱাৰ, ডঃ ৰমিজা খাতুন ( তত্বাঃ ইংৰাজী বিঃ ), প্ৰৱক্তা শ্ৰীযুত প্ৰদীপ চেতীয়া ফুকন ( উপদেষ্টা ), প্ৰৱক্তা শ্ৰীযুত মহেশ কুমাৰ জৈন ( উপদেষ্টা )।

থিয় হৈ ক্ৰমে বাওঁফালৰ পৰা ঃ ৰাজীৱ গগৈ, মৃদুল শৰ্মা, ভাগ্যৰঞ্জন কোঁৱৰ, সঞ্জীৱ কুমাৰ দত্ত, মহেন্দ্ৰ গগৈ, ডিম্বেশ্বৰ দত্ত

অনুপস্থিত ঃ প্ৰৱক্তা শ্ৰীযুক্তা জ্যোতি বৰগোঁহাই ( উপদেষ্টা ), সদস্যঃ একাদিত্য হাজৰিকা, মৃণাল বৰুৱা। প্ৰৱক্তা চন্দ্ৰগুপ্ত বৰা ( উপদেষ্টা )

# প্ৰতিভাৰ অভিনন্দন

ডিব্ৰু-শ্ৰী ১৯৮৮-৮৯



শ্ৰীমীৰ্জ চাদ্দেক আলি, ডিব্ৰু

বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ ১৯৮৮-৮৯



মনোৰঞ্জন হাজৰীকা

প্ৰথমবাৰৰ বাবে চিলংত অনুষ্ঠিত হোৱা বি, এন্ চি কেম্পত বক্তদান কৰোতা। এও মহাবিদ্যালয়ৰ N.C.C. মুখ্য আন্দাৰ অফিচাৰ ▼



প্ৰসন্ন কুমাৰ চেতিয়া



বছৰৰ শ্ৰেষ্ঠ মহিলা খেলুৱৈ
শ্ৰী মতী অনিমা গগৈ



মহম্মদ মুহিবুল্লা
ডিঃবিঃ আন্তঃমহাবিদ্যালয়ৰ ২য় শ্ৰেষ্ঠ ভাৰউত্তোলক (GROUP: 55)



এই বছৰৰ শ্ৰেষ্ঠ গায়ক
দীপক জ্যোতি গগৈ

"পেশী মানৱ"



শ্ৰী জীৱন জ্যোতি দুৱৰা
ডিব্ৰু মহাবিদ্যালয়



বছৰৰ শ্ৰেষ্ঠ কেৰম খেলুৱৈ
মিচ্ ৰাবিয়া খাতুন

# ডিব্রু মহাবিদ্যালয় ছাত্র একতা সভা



ঠিয়হৈ (বাওঁফালৰ পৰা) ক্ৰমে :- সীমান্ত বৰুৱা (সংগীত বিঃ সঃ), কনক দেউৰী (সহঃ সাঃ সঃ), দেৱজিত বৰুৱা (সাঃ খেল বিভাগৰ সম্পাদক) সন্দীপন চক্ৰৱৰ্তী (শ্ৰেণী প্ৰঃ), মিৰ্জ্জা চাদেক আলি (শৰীৰ চৰ্চা বিঃ), প্ৰফুল্ল কলিতা (আলোচনী সঃ)।
বহি (বাওঁফালৰ পৰা) ক্ৰমে :- ৰাজকুমাৰ দত্ত (মুখ্য খেঃ বিঃ), যতীন দিহিঙ্গীয়া (সাধাৰণ সম্পাদক), শ্ৰীযুত নন্দলাল বৰগোঁহাই (উপাধ্যক্ষ) শ্ৰীযুত ভৱত নাৰায়ন জামুৱাৰ (অধ্যক্ষ), উৎপল সোনোৱাল (সাং : সঃ), অনিমা গগৈ (ছাত্ৰী জিৰনী কোঠা সম্পাদিকা)।
অনুপস্থিত : মাধুৰ্য্য গোঁহাই (উপ-সভাপতি), অৰূণ গগৈ (সমাজ কল্যান বিভাগ), অনন্ত শৰ্মা (ছাত্ৰ জিৰণী কোঠা)।



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

জয়জয়তেই ডিব্ৰু মহাবিদ্যালয়ৰ সমুহ সতীৰ্থ ছাত্ৰ-ছাত্ৰীলৈ হিৰাভৰা কৃতজ্ঞতা জ্ঞাপণ কৰিছো লগতে যিসকলৰ বিপুল সমৰ্থনক ভেটি কৰি মই মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব বহন কৰিবলৈ সক্ষম হৈছিলো তেখেত সকললৈও ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সাধাৰণ সম্পাদকৰ দায়িত্ব ভাৰ গ্ৰহন কৰি ভিতৰি ভিতৰি যথেষ্ট শঙ্কিত হৈছিলো ; কিয়নো মহাবিদ্যালয় খনক দেখোন চাৰিও ফালৰ পৰা আগুৰি আছে এশ এবুৰি জ্বলন্ত সমস্যাই যিবোৰৰ সু সমাধানৰ বাবে ছাত্ৰ শক্তিক নেতৃত্ব দিয়াৰ প্ৰকৃত ব্যক্তি মই হওঁ নে নহওঁ, প্ৰশ্নটোৱে মূহুৰ্তে মূহুৰ্তে মানসপটত খুন্দিয়াবলৈ ধৰিছিল। যিকি নহওঁক সময়ৰ আহ্বানত সহাঁৰি দি দায়িত্ব পালনৰ বাবে মাৰবান্ধি সাঁজু হৈছিলো।

৬ ফেব্ৰুৱাৰী ৮৯'ৰ শপত আৰু কাৰ্য্যভাৰ গ্ৰহণৰ পিছতেই ৭ ফেব্ৰুৱাৰী ৮৯' বছেৰেকীয়া বাজেট অধিৱেশন অনুষ্ঠিত কৰা হৈছিল, যি অধিৱেশনত খাটাংকৈ সিদ্ধান্ত লোৱা হল যে ৯ ফেব্ৰুৱাৰী ৮৯' ৰ পৰা বছেৰেকীয়া মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হব। সিদ্ধান্ত অনুসৰি কাম ৯।২।৮৯ তাৰিখে পূৱা ৭ বজাত পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পনেৰে আৰম্ভ হ'ল বাৰেবৰণীয়া ২৪ তম মহাবিদালয় সপ্তাহ। ৭ দিন ধৰি হোৱা মহাবিদ্যালয় সপ্তাহৰ প্ৰতিটো ক্ষণতেই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ শাৰিৰীক মানসিক দক্ষতা তথা খেলুৱৈসুলভ সাংস্কৃতিক সুলভ মনবোৰৰ পৰিচয় ফটফটীয়াকৈ পৰিস্ফুট হৈছিল। সপ্তাহৰ শেহৰ দিনটোত আনন্দ মধুৰ পৰিবেশত অনুষ্ঠিত হৈছিল বটাঁ বিতৰণী সভা। অধ্যক্ষ মহোদয় বি, এন, জামুৱাৰ দেৱে সভাপতিত্ব কৰা এই সভাত মুখ্য অতিথি হিচাপে যোগদান কৰিছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ডঃ প্ৰহলাদ কুমাৰ বৰুৱা আৰু প্ৰাক্তন সহকাৰী পৰীক্ষা নিয়ন্ত্ৰক তথা সমাজকৰ্মী শ্ৰীবীৰেণ বড়া দেৱে। তেখেতসকলৰ সাৱলীল উপদেশ ৰাজি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মনত অন্তিম দিনলৈয়ে অংকিত হৈ ৰব সি ধ্ৰুৱপ।

